www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সময়ৰ সদব্যৱহাৰৰ অৰ্থ হ'ল আটাইতকৈ গুৰুত্বপূৰ্ণ কামখিনি বাছি উলিওৱা আৰু উচিতমতে কাম কৰি যোৱা। - লী ইয়াকুকা

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ২০৬ | দেওবাৰ | ৫ অক্টোবৰ, ২০২৫ চন | ১৯ আহিন, ১৯৪৭ শক | VOL - 6 | NO.- 206 | Sunday | 5th October, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

## জুবিনে সকলোকে ইমান মৰম কৰিছিল, তথাপি তেওঁৰ সৈতে এনে কিয় কৰা হ'ল নাজানোঁ ঃ গৰিমা গাৰ্গ



## মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন তদন্তকাৰী বিষয়াৰ হাততেই ঘূৰাই পঠালে গৰিমা গাৰ্গে

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৪ অক্টোবৰ ঃ** জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত কোনোধৰণৰ বাধা সৃষ্টি নহয়, এই লক্ষ্যৰে তেওঁৰ পত্নী গৰিমা গাৰ্গে দ্বিতীয় মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন তদন্তকাৰী ▸▸ ৬ পৃষ্ঠাত

'শেখৰে যদি জানিছিল সেই কথাটো, তেন্তে ইমান দিনে কিয় লুকুৱাই ৰাখিছিলে। যিহেতু তদন্ত চলি আছে সকলো কথা পোহৰলৈ আহিবই। যদি কোনোবাই এই কাম কৰিছে, তাৰ কঠোৰ শাস্তি পাব লাগিব।'

## অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দল ঘোষণা

**এদিনীয়াত অধিনায়ক শুভমণ গীল; টি-২০ত অধিনায়কৰ দায়িত্বত সূৰ্যকুমাৰ যাদৱ**

**ডিজিটেল ডেস্ক, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** ভাৰতীয় ক্ৰিকেট দলৰ এদিনীয়া ফৰ্মেটৰ অধিনায়ক হিচাপে শুভমণ গীলৰ নাম ঘোষণা কৰি সকলো জল্পনা-কল্পনাৰ অৱসান ঘটিছে। অষ্ট্ৰেলিয়া ভ্ৰমণৰ বাবে ঘোষিত দলত গীলক ▸▸ ৬ পৃষ্ঠাত

**▪ আজি শপত ল'ব হাগ্ৰামাই ▪ বিজেপিৰ দুজনৰ কাৰ্যবাহী সদস্য হিচাপে শপত গ্ৰহণৰ সম্ভাৱনা**

# হাগ্ৰামাৰ কৌশলী ৰাজনীতিত অস্বস্তিত বিজেপি

**▪ ইউপিপিএলক এনডিএৰ পৰা এৰিবনে বিজেপিয়ে ? ▪ বিপিএফ চামিল হ'ব নেকি এনডিএত ? ▪**

### শপতবাক্য পাঠ কৰাব অসম চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটাই

**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ৪ অক্টোবৰ ঃ** বড়ো টেৰিটৰিয়েল কাউন্সিল (বিটিচি)ৰ পঞ্চম পৰিষদৰ শপতগ্ৰহণ অনুষ্ঠান আজি কোকৰাঝাৰত অনুষ্ঠিত হ'ব। বড়োলেণ্ড পিপলছ ফ্ৰণ্ট (বিপিএফ)ৰ নেতা হাগ্ৰামা মহিলাৰী মুখ্য কাৰ্যবাহী সদস্য হিচাপে শপত গ্ৰহণ কৰিব। কোকৰাঝাৰৰ বড়োফা নগৰৰ বিটিচি সচিবালয়ৰ খেলপথাৰত ৰাজহুৱাভাৱে আয়োজিত ▸▸ ৬ পৃষ্ঠাত



## জুবিন সম্পৰ্কে মই সংবাদ মাধ্যমত একো নকওঁ, প্ৰয়োজনত ফেচবুক লাইভত জনাম ঃ মুখ্যমন্ত্ৰী

**ইউপিপিএল আৰু বিপিএফ একেলগে সহৰস্থান কৰাতো সম্ভৱ নহয়!**



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** জুবিন গাৰ্গ সম্পৰ্কে কিবা ক'বলগীয়া থাকিলে এতিয়াৰ পৰা সংবাদ মাধ্যমক পোনপটীয়াকৈ নকয় মুখ্যমন্ত্ৰী ড: হিমন্ত বিশ্ব শৰ্মাই। এই সম্পৰ্কীয় কিবা ক'বলগীয়া থাকিলেফেচবুকৰ জৰিয়তে সদৰি কৰা হ'ব। ▸▸ ৬ পৃষ্ঠাত

**বিহাৰ নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ দাবী**

## বোৰ্খা পিন্ধা ভোটাৰৰ পৰিচয় পৰীক্ষাৰ প্ৰয়োজন!



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** বিহাৰৰ বিজেপিৰ সভাপতি দিলীপ জয়ছোৱালে আগন্তুক বিধানসভা নিৰ্বাচন এক বা দুই পৰ্যায়ত সম্পন্ন কৰাৰ বাবে ভাৰতৰ নিৰ্বাচন আয়োগক আহ্বান জনাইছে। ইয়াৰ ▸▸ ৬ পৃষ্ঠাত

## চিআইডিত দিয়া ষ্টেটমেণ্ট বাহিৰ হোৱাত উদ্বিগ্ন অগপ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৪ অক্টোবৰ ঃ** অসমৰ হৃদস্পন্দন, মহানায়ক জুবিন গাৰ্গৰ মহাপ্ৰস্থানত এতিয়াও শোকৰ সাগৰত ডুব গৈ আছে অসমবাসী। ▸▸ ৬ পৃষ্ঠাত

**অগপৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত জনসভা আৰু ৰাজনৈতিক সমাৱৰ্তন স্থগিত**

**জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু! ৰাজ্য চৰকাৰৰ তদন্ত আয়োগ গঠন**

## ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ অধ্যক্ষতাত ন্যায়িক আয়োগ গঠন



**ষ্টাফ ৰিপ'ৰ্টাৰ, মহানগৰ, ৪ অক্টোবৰ ঃ** ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত ৰাজ্য চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ অধ্যক্ষতাত এখন ন্যায়িক আয়োগ গঠন ▸▸ ৬ পৃষ্ঠাত

**পৰিচালক ৰাজেশ ভূঞাৰ ঘোষণা**

## 'ৰৈ ৰৈ বিনালে'ত এআইৰ জৰিয়তে ব্যৱহাৰ কৰা হ'ব জুবিন গাৰ্গৰ মূল কণ্ঠ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ স্বপ্নৰ প্ৰকল্প 'ৰৈ ৰৈ বিনালে' ছবিখনৰ ভৱিষ্যতৰ ওপৰত চলি থকা সকলো জল্পনা-কল্পনাৰ অৱসান ঘটাইছে ছবিখনৰ পৰিচালক তথা ▸▸ ৬ পৃষ্ঠাত



## '২৬ৰ মাৰ্চ মাহত ভাৰতত নিঃশেষ হ'ব মাওবাদ ঃ অমিত শ্বাহ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** চত্তীশগড়ৰ বাষ্টাৰত এক অনুষ্ঠানত ▸▸ ৬ পৃষ্ঠাত

**টিভিকে দলক অদূৰদৰ্শী আৰু দায়িত্বহীন বুলি সমালোচনা**

## পদপিষ্ট কাণ্ডৰ পিছতেই অভিনেতা বিজয়ৰ পলায়ন! উচ্চ ন্যায়ালয়ৰ ভৎসনা



**ডিজিটেল ডেস্ক, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** তামিলনাডুৰ কাৰুৰত তামিলাগা ভেট্ৰি কাঝাগাম (টিভিকে)ৰ সমাৱেশত সংঘটিত পদপিষ্ট কাণ্ডৰ ঘটনাস্থলীৰ পৰা পলায়ন কৰাৰ বাবে মাদ্ৰাজ উচ্চ ন্যায়ালয়ে অভিনেতা তথা টিভিকেৰ নেতা বিজয়ক তীব্ৰ ▸▸ ৬ পৃষ্ঠাত

## গৰিমা গাৰ্গ, পামী বৰঠাকুৰৰ ভাষ্য গ্ৰহণ এছআইটিৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৪ অক্টোবৰ ঃ** এছ আই টিয়ে আজি গৰিমা গাৰ্গ আৰু জুবিন গাৰ্গৰ ভগ্নী পামী ▸▸ ২ পৃষ্ঠাত

## চিআইডি কাৰ্যালয়ত পুত্ৰক চাবলৈ শ্যামকানু মহন্তৰ মাতৃ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ মৃত্যু সৈতে জড়িত থকাৰ অভিযোগৰ লগতে একাধিক অৰ্থনৈতিক অনিয়মৰ গোচৰত নাম ▸▸ ৬ পৃষ্ঠাত

**ক্ষিপ্ৰ গতিত জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত**

## চিআইডি কাৰ্যালয়ত তিনি সাংবাদিকৰ সাক্ষ্য গ্ৰহণ




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৪ অক্টোবৰ ঃ** জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহৰ উদ্দেশ্যে চি আই ডিয়ে শনিবাৰে তিনিগৰাকী সাংবাদিকক সাক্ষ্যতৰ বাবে তলব কৰিছে। পুৱাৰ ভাগত দিল্লীত কৰ্মৰত সাংবাদিক সাৰস্বত গোস্বামী চি আই ডিৰ ▸▸ ৬ পৃষ্ঠাত

**চিন কুকি মিজো সেনাৰ মুখ্য সেনাধ্যক্ষসহ অস্ত্ৰ আৰু নগদ ধন উদ্ধাৰ**

## মণিপুৰত তিনিদিনত ১২টাকৈ উগ্ৰপন্থী গ্ৰেপ্তাৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** মণিপুৰৰ কেইবাখনো জিলাত নিৰাপত্তা বাহিনীৰ অভিযানৰ ফলত যোৱা তিনিদিনত প্ৰায় ১২জন উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰা হৈছে। এই অভিযানসমূহত চিন কুকি মিজো সেনা (চিকেএমএ)ৰ স্বঘোষিত মুখ্য সেনাধ্যক্ষ পাওখোলেন গুইটেৰ দৰে গুৰুত্বপূৰ্ণ নেতাৰো ধৃত হৈছে। মণিপুৰ পুলিছৰ মতে, এই গ্ৰেপ্তাৰসমূহে ৰাজ্যত চলি থকা জাতিগত সংঘাত আৰু উগ্ৰপন্থী কাৰ্যকলাপ নিয়ন্ত্ৰণত সহায়ক হ'ব পাৰে। মণিপুৰ পুলিছৰ জানিবলৈ দিয়া তথ্য অনুসৰি, ২ অক্টোবৰত ▸▸ ৬ পৃষ্ঠাত



# বৰুৱাবাৰীত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ সংখ্যক জন্মজয়ন্তী পালন

**অসম বাৰ্তা, উজনী মাজুলী, ৪ অক্টোবৰ ঃ** মাজুলীৰ বৰুৱাবাৰী গাঁও যুৱসংঘৰ উদ্যোগত বৰুৱাবাৰী গাঁও পৰিচালনা সমিতি, মধ্য মাজুলী সত্ৰীয়া সংগীত মহাবিদ্যালয় তথা বৰুৱাবাৰী গাঁৱৰ সমূহ ৰাইজৰ সহযোগত বৰুৱাবাৰী গাঁৱৰ নামঘৰত জাতিৰ কাণ্ডাৰী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ সংখ্যক আবিৰ্ভাৱ উৎসৱ ভাগি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰে। অনুষ্ঠানটি সঞ্চালনা কৰে পীতাম্বৰ দেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয় অৱসৰপ্ৰাপ্ত অধ্যক্ষ ঘনকান্ত নাথে। প্ৰথম কাৰ্যসূচী পৰিৱেশ নিকাকৰণেৰে আৰম্ভ কৰি পৰৱৰ্তী সময়ত ধৰ্ম ধ্বজা আৰু যুৱ সংঘৰ পাতাকা উত্তোলন, বন্তি প্ৰজ্বলন, মহাত্মা গান্ধীৰ ফটোত মাল্যৰ্পণ, অসমীয়াৰ হীয়াৰ আমঠু জুবিন গাৰ্গৰ ফটোত শ্ৰদ্ধাঞ্জলি জ্ঞাপন আৰু ভাগৱত শোভাযাত্ৰাৰ শেষত মাজুলী ভিত্তিত এটা শাখাত চিত্ৰাংকন প্ৰতিযোগিতা, নিম্ন আৰু উচ্চ শাখাত বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। চিত্ৰাংকন প্ৰতিযোগিতাৰ বিচাৰক হিচাপে অংকিত বাল্মিকী(কমলাবাৰী), বক্তৃতা প্ৰতিযোগিতাৰ বিচাৰক হিচাপে পৰান শইকীয়া (পোহাৰদিয়া), জ্যোতি দেৱী (সোণাৰিআটি) আৰু জিংকু দৰৰধৰা (মালৌ পথাৰ, যোৰহাট) উপস্থিত থাকে। যুৱসংঘৰ উৎসৱ সম্পাদক ভাস্কৰ নাথে জানিবলৈ দিয়া মতে গুৰুজনাৰ জন্মজয়ন্তীৰ লগত সংগতি ৰাখি বৰুৱাবাৰী গাঁৱৰ নামঘৰত আয়োজন কৰা মাজুলী ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতাত (প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণী)। প্ৰথম স্থান ৰিতম বৰা (মলং, নয়াবজাৰ), দ্বিতীয় স্থান মঞ্জিল বৰা(গাতিয়লা, ফুলনি), তৃতীয় স্থান জ্যোতিষ্মান নাথ(বৰগুৰী গাঁও) আৰু বিচাৰকৰ বিশেষ বঁটা ঃ- শ্ৰী ভাগ্য ভঁৰালী (বালিচাপৰী, নামনি মাজুলী), "ক" শাখা(তৃতীয় শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণী) বক্তৃতাত, প্ৰথম স্থান ময়ূৰাক্ষী বৰুৱা(পোহাৰদিয়া), দ্বিতীয় স্থান বাস্তৱ নাথ( ৰঙাচাহী গাঁও), তৃতীয় স্থান লক্ষ্মী নন্দন নাথ(বৰুৱাবাৰী গাঁও) আৰু বিচাৰকৰ বিশেষ বঁটা প্ৰিয়াংকী নাথ(বৰুৱাবাৰী গাঁও), "খ" শাখা(সপ্তম শ্ৰেণীৰ পৰা দশম শ্ৰেণী) বক্তৃতাত, প্ৰথম স্থান ৰাখী নাথ (বালিচাপৰী, পকাজৰা), দ্বিতীয় স্থান হিমাক্ষী দেৱী (ৰঙাচাহী গাঁও), তৃতীয় স্থান নিহাৰীকা ভূএঞা (দেওদিআটি গাঁও), আৰু বিচাৰকৰ বিশেষ বঁটা বিভূতিভূষণ নাথে(সোণাৰিআটী গাঁও) লাভ কৰিবলৈ সক্ষম হয়। যুৱসংঘৰ সভাপতি প্ৰদীপ নাথ আৰু সম্পাদক মানসজ্যোতি নাথে জানিবলৈ দিয়ে যে মধ্য মাজুলী সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে এজনা বৰগীত সমূহীয়া পৰিৱেশনেৰে বক্তৃতা প্ৰতিযোগিতাৰ শুভাৰম্ভণি কৰে। পৰৱৰ্তী সময়ত বনগাঁৱৰ এগৰাকী কণমানি ছাত্ৰী অভিলাচা দেৱীৰ এটি গুৰুবন্দনা নৃত্য, মধ্য মাজুলী সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ কেইগৰাকীমান ছাত্ৰৰ দ্বাৰা সূত্ৰধাৰ নৃত্য, গীতাশ্ৰী নাথৰ বৰগীত আৰু সদৌ শেষত বৰুৱাবাৰী গাঁৱৰ যুৱতী সকলৰ দ্বাৰা পৰিৱেশন কৰা সমূহীয়া দিহানামৰ শেষত তিনিওটা প্ৰতিযোগিতাৰ স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰী সকলক মানপত্ৰ, একোটিকৈ স্মাৰক, কিতাপৰ টোপোলা আৰু কলমেৰে সম্বৰ্ধনা জনোৱা হয় আৰু গুৰুজনাৰ এফাঁকি ঘোষাৰে অনুষ্ঠান ভাগিৰ সামৰণী পৰে।

# পুৰণিগুদামৰ বিভিন্ন স্থানত জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ-শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, পুৰণিগুদাম, ৪ অক্টোবৰ ঃ** গীতে-মাতে, পৰিৱৰ্তনকামী চিন্তা-চৰ্চাৰে, পৰিবৰ্তনকামী কৰ্মৰ দ্বাৰা আদৰ্শৰ জ্বলন্ত দৃষ্টান্তত পৰিণত হোৱা, জনতাৰ হৃদয়ৰ কোঁহে কোঁহে থিতাপি লোৱা জুবিন গাৰ্গৰ অনাকাংক্ষিত অকাল বিয়োগত সমগ্ৰ ৰাজ্যবাসী শোকস্তব্ধ। প্ৰাণৰ স্পন্দন গণশিল্পী জুবিন গাৰ্গৰ যোৱা ২৯ ছেপ্টেম্বৰত আদ্যশ্ৰাদ্ধ উপলক্ষে পুৰণিগুদাম অবিনশ্বৰ গোষ্ঠীয়ে গোষ্ঠীৰ কাৰ্যালয়ত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন কৰে। পুৱা এঘাৰ বজাত সূৰ্যকণ্ঠ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ কাষত থাপনাত বন্তি আৰু ধূপকাঠি প্ৰজ্বলন কৰি ঘোষা ধৰে বায়ন বিনোদ চন্দ্ৰ ভূএঞা, দীপেন দাস, গোষ্ঠীৰ সভাপতি প্ৰণৱ বৰঠাকুৰ, অনিল বৰা, আৰু উপস্থিত কৰ্মী, শুভাকাংখী তথা জুবিন অনুৰাগীসকলে। ঘোষা পাঠৰ পাছতে প্ৰসাদ বিতৰণ আৰু তাৰ পাছতে কাৰ্যালয়ত স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত হয়। শোকত ম্ৰিয়মাণ সকলো অসাধাৰণ প্ৰতিভাশালী, অসমী আইৰ সুসন্তান, সৰ্বধৰ্মৰ সৰ্বস্তৰৰ মানুহৰ হৃদয় জয় কৰা জুবিন গাৰ্গৰ গুণানুকীৰ্তন কৰি আবেগিক হৈ পৰে। শোকবিহ্বল ৰাইজে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ প্ৰকৃত কাৰণ তদন্ত কৰি উলিয়াই, ন্যায় প্ৰদান কৰিবলৈ চৰকাৰক অনুৰোধ জনায়। অবিনশ্বৰ গোষ্ঠীৰ উদ্যোগত আয়োজিত উক্ত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত নিশা ৯ বজালৈকে ভিন্ন প্ৰান্তৰ বহু অনুৰাগী আহি শ্ৰদ্ধা নিবেদন কৰে। ইফালে, পুৰণিগুদামত কণ্ঠশিল্পী জুবিন গাৰ্গৰ পুণ্যাত্মাৰ চিৰশান্তিৰ কামনাৰে চাৰিদিনীয়াকৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠিত কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিয়ে। পুৰণিগুদামৰ ১২৫ বছৰীয়া লেৰেলা খনিকৰ দ্বাৰা নিৰ্মিত কাঠৰ প্ৰতিমাৰ দুৰ্গাপূজাস্থলীত সপ্তমীৰ সন্ধ্যা পৰা বন্তি প্ৰজ্বলনৰে ৰাজহুৱা ভাৱে ৰাইজলৈ আগবঢ়ায় দিয়া হয় শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জয়ন্ত শইকীয়াই, অনুষ্ঠানত উপস্থিত আছিল কলং কলা কেন্দ্ৰৰ পৰিচালক চিত্তৰঞ্জন বৰা, নাট্যকাৰ-পৰিচালক আৰু অবিনশ্বৰ গোষ্ঠীৰ সভাপতি দীপক বৰা, ম'ৰাচুকৰ সমাজকৰ্মী অমল গায়ন, যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি প্ৰবাল শৰ্মা, উপ-সভাপতি চন্দন ফুকন, যুটীয়া সম্পাদক দিব্যজিত হাজৰিকা, নগাঁও জিলাৰ উপদেষ্টা পাৰ্থ প্ৰতিম বৈৰাগী, আঞ্চলিক সমিতিৰ সভাপতি প্ৰাণকৃষ্ণ ডেকা, সাধাৰণ সম্পাদক মাহমদুৰ ৰহমান, পুৰণিগুদামৰ যুৱ ব্যৱসায়ী মাছুদ ইকবালসহ বহুসংখ্যক লোক। উক্ত অনুষ্ঠানত জুবিন গাৰ্গৰ ন্যায় বিচাৰি গণস্বাক্ষৰৰ বাবে এখন কেনভাচ দিয়া হয়। উক্ত স্বাক্ষৰ সম্বিলিত কেনভাচৰ প্ৰতিলিপি নগাঁও জিলাৰ আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা হ'ব। ইফালে, যোৱা নিশা পুৰণিগুদামৰ মৃৎশিল্পী পাৰ্থপ্ৰতিম বৰুৱাই নিৰ্মাণ কৰা জুবিন গাৰ্গৰ এটি আৱক্ষ মূৰ্তি পৰিষদে অনুষ্ঠিত কৰা অনুষ্ঠান ভাগত অৰ্পণ কৰাৰ লগতে ৰাইজৰ আগত উন্মোচন কৰে। চাৰিদিনীয়াকৈ অনুষ্ঠিত কৰা কাৰ্যসূচীৰ আজি নিশা পুৰণিগুদামৰ অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠন, শৈক্ষিক প্ৰতিষ্ঠানৰ সদস্যসকল আৰু প্ৰায় শতাধিক দৰ্শনাৰ্থী, জুবিনপ্ৰেমীৰ উপস্থিতি মায়াবিনী গীতটো পৰিৱেশনৰে কাৰ্যসূচী সমাপ্ত হয় ইফালে, পুৰণিগুদাম কলং কলা কেন্দ্ৰই যোৱা ২৯ ছেপ্টেম্বৰত জুবিন গাৰ্গৰ এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান শুভাৰম্ভ কৰে মধুপুৰ ধাম সত্ৰৰ ডেকা সত্ৰাধিকাৰ মাধৱ দেৱ মহন্তই। ভাষণ প্ৰসংগত মহন্তই জুবিন গাৰ্গৰ মৃত্যু অসমৰ সাংস্কৃতিক জগতৰ বাবে বৃহৎ ক্ষতি বুলি মন্তব্য কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ উচিত তদন্তৰ দাবী কৰাৰ লগতে সেয়া খৰটকীয়া কৰিবলৈ চৰকাৰক আহ্বান জনায়। অনুষ্ঠানত কে'বাজনো স্থানীয় লোকে অংশগ্ৰহণ কৰে। নিশালৈ একাধিক চাকি প্ৰজ্বলন কৰি জুবিন গাৰ্গৰ প্ৰতিকৃতি উজ্জ্বলাই তোলা হয়। আনহাতে, পুৰণিগুদামৰ সমীপৱৰ্তী ভৰাগুৰিত বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ উপলক্ষে যোৱা ২৯ ছেপ্টেম্বৰত আদ্যশ্ৰাদ্ধ আৰু স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত হৈ যায়। ভৰাগুৰিবাসী ৰাইজৰ উদ্যোগত ভৰাগুৰি নৱজ্যোতি নাট্যচ'ৰাত অনুষ্ঠিত অনুষ্ঠানৰ আৰম্ভণিতে জুবিনৰ গাৰ্গৰ প্ৰিয় কে'বাটাও নাহৰ গছৰ পুলি ৰোপণ কৰা হয়। ইয়াৰ পাছতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্য অৰ্পণ কাৰ্যসূচী শুভাৰম্ভ কৰে নামাচাৰ্য্য বাবুল গোঁহাই আৰু পুষ্প বৰুৱাই। লগতে উপস্থিত যুৱক-যুৱতী, ৰাইজ-গোপিনী সকলোৱে সমবেত কণ্ঠত "মায়াবিনী ৰাতিৰ বুকুত" পৰিৱেশন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান নামাচাৰ্য্য পুষ্প বৰুৱা আৰু পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ সম্পাদক তিলক কুমাৰ গায়নে জুবিন গাৰ্গৰ জীৱনৰ ওপৰত আলোকপাত কৰে। মাণিক চন্দ্ৰ গায়ন আৰু বুলেন বৈৰাগীয়ে আঁট ধৰা শ্ৰদ্ধাঞ্জলি আৰু আদ্যশ্ৰাদ্ধৰ অনুষ্ঠানত ভৰাগুৰিৰ হীৰক জ্যোতি বৰুৱাই বাঁহীত জুবিনৰ গীতৰ সুৰ পৰিৱেশন কৰে লগতে খগেন কুমাৰ গায়ন আৰু ৰিয়াঙ্গী ভূএঞাই জুবিন গাৰ্গৰ জনপ্ৰিয় গীত পৰিৱেশন কৰাৰ লগতে জীতেন্দ্ৰ বৰাই গীটাৰত জুবিনৰ গীতৰ সুৰ বজায়। দুপৰীয়া ১২ বজাত নামপ্ৰসঙ্গ অনুষ্ঠিত হয়। ইয়াৰ পাছতে কামপুৰৰ যোগেশ্বৰ নাথে জুবিন গাৰ্গৰ কে'বাটাও কালজয়ী গীত পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। ইফালে, আদ্যশ্ৰাদ্ধ উপলক্ষে সন্ধ্যা পদুমণি আঞ্চলিক শ্ৰীশ্ৰী দুৰ্গাপূজা সমিতিয়ে পূজা মণ্ডপত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত একাৱন্নজন বিশিষ্ট ব্যক্তিয়ে একাৱন্নগছি বন্তি জ্বলাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে উপস্থিত সকলোৱে "মায়াবিনী ৰাতিৰ বুকুত" গীতটো পৰিৱেশন কৰি জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## মেৰাপানীত একশৰণ ভাগৱতী সমাজ অসম, সমাজৰ জন্মজয়ন্তী আৰু মহাপালনাম কীৰ্ত্তন

**অসম বাৰ্তা, মোৰাপানী, ৪ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ মেৰাপানী থানাৰ অন্তৰ্গত শংকৰ মাধৱ আৰু শ্ৰীমন্ত শংকৰ মাধৱ আঞ্চলিকৰ যুতীয়া উদ্যোগত ২ নং গমাৰিগুৰি বৰনামঘৰৰ সমূহ ৰাইজৰ সহযোগত ১৪, ১৫, ১৬ আহিন ইং ১, ২, ৩ অক্টোবৰ তিনিদিনীয়া কাৰ্য্যসূচীৰে ২৫খন শাখাৰ আতিথ্যত জন্মজয়ন্তী আৰু মহাপালনাম কীৰ্ত্তন অনুষ্ঠিত কৰি প্ৰায় ১০০০০ হাজাৰ ভক্ত প্ৰাণ বৈষ্ণৱক আদৰিবলৈ সাজু হৈছে এক শৰণ ভাগৱতী সমাজৰ মেৰাপানী ৰাইজে। ইতিমধ্যে তৰুন তৰুনী আই মাতৃ সকলে কাম কাজ কৰি প্ৰায় প্ৰস্তুতি তুংগত উঠিছে। শ্ৰীমন্ত শংকৰদেৱৰ নীতি সদাচাৰ ধৃতি নীতিৰে ইলাৰাম দাস বাপে প্ৰতিষ্ঠা কৰা একশৰণ ভাগৱতী সমাজৰ ভক্ত প্ৰাণ ৰাইজে সকলো ভকত বৈষ্ণৱক আমন্ত্ৰণ জনাইছে। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব একহৰণ ভাগৱতী সমাজ অসমৰ আচাৰ্য্য, দেহেশ্বৰ বাপ আৰু উপাচাৰ্য্য হৰকান্ত দাস বাপ।

# অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ প্ৰণৱ গগৈৰ সহধৰ্মিনী নিষ্ঠাৱান সমাজহিতৈষী মহিলা মোহিনী গগৈৰ দেহাৱসান বিভিন্নজনৰ শোক



**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৪ অক্টোবৰ ঃ** অসমৰ এগৰাকী বিশিষ্ট ৰাজনীতিবিদ তথা অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত প্ৰণৱ গগৈৰ সহধৰ্মিনী তথা এগৰাকী অতি নিষ্ঠাবান সমাজহিতৈষী মহিলা মোহিনী গগৈৰ আজি দিনৰ ১২-৩৫ বজাত ৮৫ বছৰ বয়সত শিৱসাগৰৰ চাওলুং চুকাফা হস্পিটেলত মৃত্যু হয়। শিৱসাগৰৰ অতি জনপ্ৰিয় এই মহিলা গৰাকীৰ মৃত্যুৰ সমগ্ৰ নগৰখনতেই গভীৰ শোক ছাঁ পৰে। আজি বিয়লি ৩ বজাত তেখেতৰ নশ্বৰ দেহ শিৱসাগৰ নগৰৰ ৰেডক্ৰচ ৰোডত থকা বাসভৱনলৈ অনাৰ সময়ত শতাধিক গুণমুগ্ধৰ তেওঁৰ বাসভৱনলৈ সমাগম হয়। সকলোকে আপোন কৰি ল'ব পৰা অত্যন্ত সৰল অন্তৰৰ এই মহিলা গৰাকীৰ মৃত্যুত সকলো শোকত ম্ৰিয়মাণ হৈ পৰে। উল্লেখযোগ্য যে, শিৱসাগৰ কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত ১৯৬৩ চনত সেই সময়ৰ অধিবক্তা প্ৰণৱ গগৈৰ সৈতে তেখেত বিবাহ পাশত আবদ্ধ হয়। কলেজীয়া জীৱনত অত্যন্ত মেধাৱী মোহিনী গগৈ এগৰাকী প্ৰখ্যাত খেলুৱৈ আছিল। বেডমিণ্টন আৰু টেবুল টেনিছ খেলত সমানেই পাৰদৰ্শীতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা মোহিনী গগৈ এসময়ত আন্তঃকলেজ বেডমিণ্টন আৰু টেবুল টেনিছৰ চেম্পিয়ন হ'বলৈ সক্ষম হৈছিল। পৰৱৰ্তী সময়ত তেওঁ বহু কেইগৰাকী গ্ৰাম্য অঞ্চলৰ খেলুৱৈক উৎসাহ আৰু অনুপ্ৰেৰণা যোগায় বেডমিণ্টন আৰু টেবুল টেনিছ খেলত আগুৱাই যোৱাৰ ক্ষেত্ৰত পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। ইয়াৰ উপৰিও শিৱসাগৰ জিলা মহিলা সমিতি, ৰংপুৰ মহিলা চ'ৰাকে ধৰি বহু কেইটা সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ সৈতে নিবিড়ভাৱে জড়িত হৈ আছিল। কেইবছৰমানৰ পূৰ্বে অসুস্থ হৈ তেওঁ ঘৰতেই দীঘলীয়া সময় চিকিৎসাধীন অৱস্থাত আছিল। মৃত্যুৰ সময়ত তেওঁ তিনিগৰাকী সুযোগ্য পুত্ৰ তথা বৰ্তমানৰ ৰাজনৈতিক নেতা মঞ্জীৱ গগৈ, সমীৰ গগৈ, প্ৰমীৰ গগৈৰ উপৰিও বোৱাৰী আৰু নাতি নাতিনীক ইহসংসাৰত এৰি থৈ যায়। আজি তেওঁৰ নশ্বৰ দেহ ৰাইজৰ শেষ দৰ্শনৰ বাবে শিৱসাগৰ নগৰৰ বাসভৱনত ৰখা হৈছে। কাইলৈ পুৱা শিৱসাগৰ নগৰৰ বাসভৱনত শেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব। বিভিন্ন জনে তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা নিবেদন কৰাৰ পাছত শিৱসাগৰ নগৰৰ সমীপৰ হাহচৰাৰ জাতিপটীয়া গাঁৱৰ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব বুলি জেষ্ঠ পুত্ৰ মঞ্জীৱ গগৈয়ে জানিবলৈ দিয়ে। মোহিনী গগৈৰ মৃত্যুত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰ, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ, অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, শিৱসাগৰ জিলা কংগ্ৰেছৰ সভাপতি অজয় গগৈ, ভাৰতীয় জনতা পাৰ্টীৰ শিৱসাগৰ জিলাৰ সভাপতি বিতোপণ ৰাইদঙীয়া, প্ৰাক্তন বিধায়ক কুশল দুৱৰী, মন্ত্ৰী যোগেন মহন, প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ, শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক অখিল গগৈ, শিৱসাগৰ জিলা কংগ্ৰেছ কমিটি, বিজেপিৰ শিৱসাগৰ জিলা সমিতি, ৰাইজৰ দলৰ শিৱসাগৰ জিলা সমিতি, অগপৰ শিৱসাগৰ জিলা সমিতি, শিৱসাগৰ প্ৰেছ ক্লাব, শিৱসাগৰ জিলা বাৰ্তাজীৱি সংঘ, শিৱসাগৰ জিলা সাংবাদিক সংস্থা, ই- মেডিয়া এচোছিয়েশ্যন, শিৱসাগৰ জিলা মহিলা সমিতি, শিৱসাগৰ নাট্য সমাজ, মিলিত শিল্পী সমাজ, উজনি অসম মুছলিম কল্যাণ পৰিষদ, স্বেচ্ছাসেৱী সংগঠন মানৱতাৰ স্বাৰ্থত আমি, সেউজীয়া সমাজ সংগীত মহাবিদ্যালয়, চাওলুং চুকাফা ইনডৰ ষ্টেডিয়াম পৰিচালনা সমিতি, ৰংপুৰ জ্যোতি ক্লাব, শিৱসাগৰ জিলা ক্ৰীড়া সন্থা, শিৱসাগৰ উকিল সন্থা, হজৰত আজান পীৰ দৰগাহ পৰিচালনা সমিতিকে ধৰি বহু অনুষ্ঠান প্ৰতিষ্ঠান আৰু দল সংগঠনে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

## বকতা দিহিঙ্গীয়া গাঁৱত জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধৰ আয়োজন

**অসম বাৰ্তা, নামতি, ৪ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ ঐতিহাসিক বকতা চুহুংমুং যুৱ সমাজৰ উদ্যোগত আৰু অঞ্চলবাসী ৰাইজৰ সহযোগত দিনযোৰা কাযসুচীৰে অসমবাসীৰ হিয়াৰ আমঠু হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধৰ আয়োজন। অহা ৫ অক্টোবৰ ২০২৫ দেওবাৰে জুবিন গাৰ্গৰ ১৭দিনীয়া আদ্যশ্ৰাদ্ধৰ আয়োজন কৰিবলৈ বকতা চুহুংমুং যুৱ সমাজ আৰু অঞ্চলবাসী ৰাইজে একত্ৰিত হৈ গাঁৱৰ সমূহ ৰাইজৰ পৰা যিয়ে যেনেকৈ পাৰে দান বৰঙনি হিচাপে লৈ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধৰ আয়োজন কৰিবলৈ লৈছে। কাৰ্যসূচী অনুসৰি পুৱা জুবিন গাৰ্গৰ পৰিবেশৰ প্ৰতি ভালপোৱা নাহৰ পুলি ৰোপণেৰে অনুষ্ঠান আৰম্ভ কৰিব তাৰ পিছতেই জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যপন কৰি বন্তি প্ৰজ্বলন কৰি নামকীৰ্তন আৰু দিহানাম গোৱা হ'ব চুহুংমুং সমন্বয় ক্ষেত্ৰত। এই আদ্যশ্ৰাদ্ধৰ অনুষ্ঠানটিত সকলো ৰাইজৰ সহায় সহযোগিতা বিচাৰিছে বকতা দিহিঙ্গীয়া গাঁৱৰ চুহুংমুং যুৱ সমাজ আৰু সমূহ গাঁওবাসী ৰাইজে।

## গোলকগঞ্জৰ বীৰ চিলাৰায় মেলা ময়দানত লোকে লোকাৰণ্য

## অশ্ৰুসিক্ত নয়নেৰে বিদায় দিলে দেৱী দুৰ্গাৰ প্ৰতিমূৰ্তি

**অসম বাৰ্তা, আগমনি, ৪ অক্টোবৰ ঃ** ধুবুৰী জিলা গোলকগঞ্জৰ বিৰাট নগৰ চাৰিআলিৰ সৰ্বজনীন দুৰ্গা পূজা কমিটীৰ এক ব্যতিক্ৰমী দৃশ্য হাতে হাতে জাতীয় গামোচাত জয় জুবিন দা লিখি লৈ প্ৰতিমা বিসৰ্জনৰ শোভাযাত্ৰা। বিৰাট নগৰ চাৰিআলিৰ পৰা পেষ্ঠাৰঘাট চিলাৰায় মেলা ময়দানলৈকে হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ প্ৰতিচ্ছবি লৈ বিশাল শোভাযাত্ৰা। ষষ্ঠীৰ বেদীত প্ৰতিষ্ঠা কৰা দেৱী দুৰ্গাক আজি যথাবিহিত ধৰ্মীয় ৰীতি-নীতি অনুসৰি পূজা-অৰ্চনাৰ অন্তত আজি অশ্ৰুসিক্ত নয়নেৰে বিদায় দিলে ভক্তসকলে। প্ৰতিমা বিসৰ্জনৰ জৰিয়তে অন্ত পৰিল শাৰদীয় দুৰ্গা পূজা। প্ৰতিমা বিসৰ্জনেৰে সমাপ্ত হ'ল শাৰদীয় দুৰ্গোৎসৱৰ উৎসাহ। আজি ভক্তগণে বিদায় দিলে দুৰ্গতিনাশীনি দুৰ্গা মাক। পৰম্পৰা অনুসৰি বীৰ চিলাৰায় মেলা ময়দানত গোলকগঞ্জৰ বিজয়া দশমীৰ দিনাখনৰ পৰিবৰ্তে একাদশীৰ দিনাই দেৱী দুৰ্গাৰ প্ৰতিমা বিসৰ্জ্জন কৰা হয় স্বৰ্গীয় কৈলাস চন্দ্ৰ প্ৰধানী দেৱৰ স্মৃতিত কৈলাস একাদশী ভাষানী মেলা প্ৰতি বছৰে আয়োজন কৰে। দুৰ্গতিনাশিনী মা দুৰ্গাৰ মূৰ্তী গঙ্গাধৰ নৈৰ ঘাটত বিষৰ্জন দিয়া হ'য়। দুপৰীয়া দুই বজাৰ পৰা আৰম্ভ হৈছে প্ৰতিমা বিসৰ্জ্জন কাৰ্যসূচী গংগাধৰ নৈৰ পাৰত লোকে লোকাৰণ্য হৈ পৰিছে। বিজয়া দশমী মানেই মা দুৰ্গাই পৃথিবী এৰি কৈলাসলৈ উভতি গল, নিজম পৰিল প্ৰতিটো পূজা মণ্ডপ। গোলকগঞ্জ চিলাৰায় মেলা ময়দানত আৰক্ষী প্ৰশাসনো সৰ্বসাধাৰণ ৰাইজৰ বাবে কটকটীয়া নিৰাপত্তাৰ যাবতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। গংগাধৰ নৈৰ ঘাটত গোলকগঞ্জৰ বিভিন্ন ঠাইৰ প্ৰতিমা বিসৰ্জ্জন কৰা হয়।

## গান্ধী জয়ন্তীত তিনিচুকীয়াৰ ৪৩ খন গাঁৱত 'গাঁও সভা'

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ অক্টোবৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ 'আদি কৰ্মযোগী অভিযান'ৰ অধীনত আজি তিনিচুকীয়া জিলাৰ ৪৩খন জনজাতীয় বসতি প্ৰধান গাঁৱত 'বিশেষ গাওঁ সভা' অনুষ্ঠিত হয়। এই সভাসমূহত কৰ্মযোগী অভিযানৰ অধীনত গাঁৱৰ বিকাশৰ বাবে যুগুতোৱা বিভিন্ন আঁচনিত অনুমোদন জনোৱা হয়। আজি গান্ধী জয়ন্তী উপলক্ষে দেশজুৰি এক লাখ জনজাতীয় গাঁৱত এনে গাওঁ সভা অনুষ্ঠিত কৰা হৈছে। ইয়াৰ লগে লগে যোৱা ১৭ ছেপ্টেম্বৰত আৰম্ভ হোৱা 'আদি সেৱা পৰ্ব'ৰ আজি সামৰণি পৰিছে। এই কাৰ্যসূচীৰ অধীনত দেশৰ জনজাতীয় বসতি প্ৰধান ভিতৰুৱা অনগ্ৰসৰ অঞ্চলসমূহকো দেশৰ আন অংশৰ সৈতে সমানে আগবঢ়াই নিয়াৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

## সৰুপথাৰ সমজিলালৈ গৌৰৱ কঢ়িয়াই আনিলে এজাক শিশুৱে



**অসম বাৰ্তা, ধনশিৰি, ৪ অক্টোবৰ ঃ** সৃষ্টিৰ পথাৰত কৃষ্টিৰ অঞ্জলিৰে আগবাঢ়ি গৈছে এজাক শিশু। আধ্যাত্মিক গুণেৰে পৰিপুষ্ট এই শিশুসকলৰ প্ৰতিভাই চমকিত কৰি তুলিছে সকলোকে। 'সমন্বয় শিশু শিল্পী সমাজ সৰুপথাৰ' নামেৰে পৰিচিত সাংস্কৃতিক দলটোৰ শিশু সকল বৰগীত, দিহানাম, কৃষ্ণনৃত্য, খোল বাদন, ভাওনা সকলোতে পাৰ্গত। গুৰুদুজনাৰ আশীৰ্বাদপুষ্ট হাত যেন এওঁলোকৰ শিৰত সকলো সময়তে বিৰাজমান। শেহতীয়াকৈ এই শিশুৰ দলটোৱে যোৰহাট জিলাৰ চেলেংহাট স্থিত টেঙাবাৰী অঞ্চলত আয়োজিত সদৌ অসম শিশু ভাওনা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই আনিছে। বিগত ২৭ ছেপ্টেম্বৰ তাৰিখৰ পৰা ২অক্টোবৰ ২০২৫ তাৰিখলৈকে আয়োজন হোৱা সদৌ অসম ভাওনা প্ৰতিযোগিতাখনত 'সমন্বয় শিশু শিল্পী সমাজ সৰুপথাৰ' দলটিয়ে তৃতীয় শ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হৈছে। আনহাতে সৰুপথাৰ সমজিলাৰ বিশিষ্ট সাংস্কৃতিক কৰ্মী ৰেৱ চুতীয়াৰ পৰিচালনাৰে পৰিচালিত ভাওনা দলটিৰ বেদান্ত চুতীয়াই প্ৰথম শ্ৰেষ্ঠ বায়ন, দেৱজিত শইকীয়াই প্ৰথম শ্ৰেষ্ঠ সূত্ৰ, বিদ্যাদিপ্তা বৰুৱাই দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী আৰু জনচন বৰাই বিছাৰকৰ বিশেষ বটাঁ পাবলৈ সক্ষম হৈছে। দলটিৰ বৃহৎ সফলতাত আনন্দিত হৈ পৰিছে পৰিচালক আৰু তেওঁলোকৰ অভিভাৱকৰ লগতে সমগ্ৰ সৰুপথাৰ সমজিলা। ইয়াৰ পূৰ্বেও এই শিশুসকলে অসমৰ ভিন্ন প্ৰান্তত ভাওনা প্ৰদৰ্শন কৰি অঞ্চলটিলৈ বহুবাৰ গৌৰৱ কঢ়িয়াই আনিছিল। স্কুলীয়া শিক্ষাৰ লগতে সাংস্কৃতিক ক্ষেত্ৰখনত এই শিশুসকলক আগবঢ়াই নিয়াৰ বাবে পৰিচালক ৰেৱ চুতীয়াই কৰা অপৰিসীম কষ্ট আৰু ত্যাগ লেখত ল'বলগীয়া।

## মাকুমত শান্তিপূৰ্ণভাৱে সমাপন প্ৰতিমা বিসৰ্জন কাৰ্যসূচী

**অসম বাৰ্তা, মাকুম, ৩ অক্টোবৰ ঃ** ৰাজ্যৰ সমান্তৰালভাৱে মাকুমৰ টিংৰাই নদীত ষষ্ঠীৰ বেদিত প্ৰতিষ্ঠা কৰা দেৱী দুৰ্গাক পাঁচদিন পূজা - অৰ্চনা কৰাৰ অন্তত বিজয়া দশমীৰ দিনা বিসৰ্জন দিয়া হয়। মাকুম সম জিলা প্ৰশাসন আৰু মাকুম পৌৰসভাৰ উদ্যোগত সকলো যাৱতীয় ব্যৱস্থা তথা সামগ্ৰী মজুত কৰি ৰাখি শৃংখলাৱদ্ধভাৱে প্ৰতিমা সমূহ বিসৰ্জন কৰা হয়। উল্লেখযোগ্য যে সমগ্ৰ মাকুম অঞ্চলৰ ২১খন দুৰ্গা পূজাৰ ভিতৰত ১৮ খনৰে উক্ত টিংৰাই নদীত প্ৰতিমা বিসৰ্জন কৰা হয়। ইপিনে মাকুমৰ পৰা টিংৰাই নদীলৈকে প্ৰতিমা বিসৰ্জনৰ বাবে নিয়া বাহনৰ সৈতে ভক্তসকলৰ দীঘলীয়া শাৰী দেখিবলৈ পোৱা যায়। এইবাৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অনাকাংক্ষিত বিয়োগত অসমৰ অন্যান্য ঠাইৰ দৰে মাকুমতো শাৰদীয় দুৰ্গোৎসৱত পূৰ্বৰ উৎসাহ - উদ্দীপনা দেখা পোৱা নগ'ল। মাকুমৰ প্ৰতিখন পূজা স্থলীতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবি স্থাপন কৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। পূজাৰ দিনকেইটাত মাকুম অঞ্চলৰ চৌদিশে বাজি উঠিছিল জুবিনৰ "মায়াবিনী"ৰ পৰা আদি কৰি চিৰসেউজ গীতবোৰ। প্ৰাণৰ শিল্পী জুবিন গাৰ্গে বিচৰা সম্প্ৰীতিৰ সমাজৰ আদৰ্শৰে এইবাৰ শাৰদীয় দুৰ্গোৎসৱ কোনো ভেদাভেদ নোহোৱাকৈ সফলতাৰে সমাপন হোৱা পৰিলক্ষিত হয়।

## ডিব্ৰুগড়ৰ লেজাইত ১ নৱেম্বৰত অসম সাহিত্য সভাৰ 'কুঁহি'ৰ কেন্দ্ৰীয় অনুষ্ঠান



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৪ অক্টোবৰ ঃ** শিশুৰ সৰ্বাঙ্গীণ বিকাশৰ বাবে শৈশৱতেই সামাজিক, সাংস্কৃতিক, বৌদ্ধিক ক্ষেত্ৰৰ সৈতে পৰিচয় কৰি দিবলৈ অসম সাহিত্য সভাই শিশু সকলক লৈ গঢ়ি তোলা অনুষ্ঠানটিয়ে হৈছে "কুঁহি"। জ্যেষ্ঠ সকলে এই শিশু সকলক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ক্ৰমান্বয়ে অসম সাহিত্য সভাৰ প্ৰতিখন শাখাতে এখনি উপ সমিতিয়ে অসমৰ বিভিন্ন ঠাইত শিশুৰ বিকাশৰ বাবে সক্ৰিয়তাৰে কাম কৰি আহিছে। এই উদ্দেশ্যে "কুঁহি"ৰ কেন্দ্ৰীয় অনুষ্ঠানটি এইবাৰ ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সহযোগত লেজাই শাখা সাহিত্য সভা, কলাখোৱা শাখা সাহিত্য সভা আৰু কোটোহা শাখা সাহিত্য সভাৰ আতিথ্যত ১ নৱেম্বৰ শনিবাৰে স্থানীয় লেজাই ৰাজহুৱা প্ৰেক্ষাগৃহত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হব। সেই উপলক্ষে লেজাই সাহিত্য সভাৰ সভাপতি শিক্ষা বড়া গগৈৰ সভাপতিত্ব এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক কৃষ্ণ কান্ত বৰাক সভাপতি, শিখা বড়া গগৈক কাৰ্যকৰি সভাপতি, গোপীনাথ দিহিঙীয়া, লোহিত বড়া, ৰাম দত্ত আৰু জয়ৰাম দিহিঙীয়াক উপ-সভাপতি, ভদ্ৰেশ্বৰ গগৈ আৰু অৰূপ শইকীয়াক যুটীয়া সম্পাদক লগতে বুদ্ধেশ্বৰ হাজৰিকা আৰু মনোজ সন্দিকৈক সহ সম্পাদক হিচাপে লৈ এখনি শক্তিশালী আদৰণি সমিতিৰ গঠন কৰা হয়। সভাত উদ্যোক্তা সকলে ভাষা-সাহিত্য- সংস্কৃতি প্ৰেমী ৰাইজৰ উপস্থিতি কামনা কৰিছে।

## ৰূপহীহাটৰ ফাকলি বিশেষ গাঁও সভাত উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, ৰূপহীহাট, ৪ অক্টোবৰ ঃ** ৰূপহীহাটৰ ফাকলি পঞ্চায়তৰ বিশেষ গাঁও সভাত আজি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। আজি গান্ধী জয়ন্তী উপলক্ষে ফাকলি পঞ্চায়তত অনুষ্ঠিত হৈছিল এক বিশেষ গাঁও সভা। উক্ত গাঁও সভাত প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ গৃহৰ তালিকাক লৈ সৃষ্টি হয় এই উত্তপ্ত পৰিস্থিতিৰ। পঞ্চায়তখনৰ জীৱিকা সখী ৰৌশ্বনাৰা বেগমে আঁচনিৰ তালিকাৰ পৰা জধে-মধে নাম কৰ্তন কৰাৰ অভিয়োগ উত্তেজিত মহিলা সকলৰ। জীৱিকা সখী গৰাকীয়ে এক মোটা অংকৰ ধনৰ বিনিময়ত প্ৰকৃত হিতাধিকাৰীৰ নাম কৰ্তন কৰি বেলেগ মহিলাৰ নাম অন্তভূক্ত কৰি জিঅ'টেগ কৰাৰ অভিয়োগ। বিশেষ গাঁও সভাখনত মহিলা সকলে তালিকা খনত নিজৰ নাম নাপায় উগ্ৰ ৰূপ ধাৰণ কৰে। প্ৰায় অৰ্ধশতাধিক মহিলাই আগুৰি ধৰে জীৱিকা সখী ৰৌশ্বনাৰা বেগমক। মহিলা সকলে জীৱিকা সখী গৰাকীৰ লগত হতা-হতিত লিপ্ত হৈ পৰিস্থিতি উত্তপ্ত কৰি তুলিছিল। পঞ্চায়তটোৰ ১ নং ৱাৰ্ড আৰু ২নং ৱাৰ্ডৰ কোনো এটা পৰিয়ালৰ নাম তালিকাভুক্ত নকৰাৰ অভিয়োগ।

১ পৃষ্ঠাৰ পৰা

## গৰিমা গাৰ্গ, পামী বৰঠাকুৰৰ

বৰঠাকুৰৰ ভাষ্য গ্ৰহণ কৰে। তদন্তকাৰী বিষয়া মৰমী দাসে তেওঁলোকৰ ভাষ্য গ্ৰহণ কৰে। এই ঘটনা সন্দৰ্ভত আজি এছ আই টিয়ে জুবিন গাৰ্গৰ সহশিল্পী ছুইটি দাস আৰু সাংবাদিক প্ৰণয় বৰদলৈৰো ভাষ্য গ্ৰহণ কৰে। ইতিমধ্যে এই ঘটনা সন্দৰ্ভত গ্ৰেপ্তাৰ কৰা শেখৰ জ্যোতি গোস্বামী, অমৃতপ্ৰভা মহন্তৰ লগতে মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক বিশেষ তদন্তকাৰী গোটে সোধাপোছা অব্যাহত ৰাখিছে। ইয়াৰ লগতে ছিংগাপুৰত জুবিন গাৰ্গৰ সৈতে একেলগে সাগৰলৈ যোৱা আছাম এছ'চিয়েছনৰ ১১জন সদস্যক অহা ৬ অক্টোবৰৰ ভিতৰত হাজিৰ হ'বলৈ বিশেষ তদন্তকাৰী গোটে জাননী জাৰি কৰিছে।

## লালটাৰীৰ দ্বি-শতবৰ্ষত শ্ৰীশ্ৰীৰাজাঠাকুৰ দৌল-দেৱালয়ত ব্যক্তিক্ৰমী দুৰ্গা পূজা সম্পন্ন

**অসম বাৰ্তা, বাসুগাঁও, ৪ অক্টোবৰ ঃ** লালটাৰী গাঁৱৰ দ্বি-শতবৰ্ষত ভৰি দিয়া শ্ৰীশ্ৰীৰাজাঠাকুৰ দৌল-দেৱালয়ত ব্যক্তিক্ৰমী ভাৱে দুৰ্গা পূজা পালিত হয়। লালটাৰী হৈছে বৰ্তমান কোকৰাঝাৰ জিলাৰ ছালাকাটি উপ আৰক্ষী চকীৰ অন্তৰ্গত এক ঐতিহাসিক গাঁও। ১৮২৫ চনৰ পৰাই শাৰদীয় দুৰ্গোৎসৱৰ সময়ত দুৰ্গা মূৰ্তি অবিহনে পূজা-পাতল চলি আহিছে শ্ৰীশ্ৰীৰাজাঠাকুৰ দৌল-দেৱালয়ত। সপ্তমী আৰু অষ্টমী অৰ্থাৎ দুই দিনীয়াকৈ পালিত হয় পূজা-অৰ্চনা। পূজাৰ প্ৰথম দিনা অধিবাস কোৱা হয়। অধিবাসৰ দিনা ৰাতিপুৱা গাঁৱবাসীক শুদ্ধিকৰণ কৰা হয়। ব্ৰাহ্মণে শাৰীপাতি মন্ত্ৰোচাৰণেৰে শুদ্ধিকৰণ কৰাৰ অন্তত পাঁচ বৈৰাতী সহ ঢোলে-ডোগৰে নাদাংগিৰি পাহাৰৰ নাদাং বুঢ়া- নাদাংবুঢ়ী মন্দিৰত উপস্থিত হৈ পূজা-পাতল কৰি আমন্ত্ৰণ জনোৱা হয়। সন্ধিয়া অঞ্চলৰ শ শ ভক্তপ্ৰাণ ৰাইজে পূজা-পাতলত অংশগ্ৰহণ কৰে। দ্বিতীয় দিনা অষ্টমীৰ দিনা ৰাতিপুৱা পূজা-পাতলৰ লগতে পূৰ্বে মানস কৰি সুফল পোৱা লোকে সন্তুষ্ট হৈ খাহী ছাগলী, পাৰ চৰাই, বাতাছা, দুধ-প্ৰসাদ, সোণ-ৰূপ, টকা-সিকা আগবঢ়ায়। খাহী ছাগলী, পাৰ চৰাই সমূহ দেউৰীয়ে ঢোল-খোল, শংখ-ঘণ্টা আৰু উৰুলীৰ ধ্বনিত মুছৰি মাৰি খাহি ছাগলীৰ কিছু মাংস ৰাখি বাকীখিনি গৃহস্থক ওভোতাই দিয়ে। সন্ধিয়া মাংসৰে খিচিৰী তৈয়াৰ কৰি প্ৰসাদ হিচাপে ভক্তপ্ৰাণ ৰাইজে গ্ৰহণ কৰে। গৃহস্থই নিজ ঘৰত আত্মীয়-কুটুম্বক আমন্ত্ৰণ কৰি লগে ভাগে আনন্দ মনেৰে এসাজ গ্ৰহণ কৰে। এনেদৰে দুশবছৰ ধৰি পৰম্পৰাগত ভাৱে ৰীতি-নীতিৰ মাধ্যমেৰে বিশ্বাসৰ ওপৰত ভিত্তি কৰি ব্যক্তিক্ৰমী ৰূপত চলি আহিছে দুৰ্গা পূজা। অৱশ্যে ফাকুৱা বা দৌলোৎসৱটি উলহ-মালহৰে পালিত হয় দৌল-দেৱালয়টিত। দুয়োদিনাৰ কাৰ্যসূচী সূচাৰুৰূপে আৰু শান্তি পূণভাৱে সম্পন্ন হোৱাত গভীৰ সন্তোষ প্ৰকাশ কৰি সকলোলৈকে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে পূজা পৰিচালনা সমিতিৰ সভাপতি অন্নৰাম বৰ্মন, সম্পাদক চন্দন বৰ্মন আৰু দেউৰী (পূজাৰী) সৈতেন বৰ্মনে। অঞ্চলটিৰ লাবদাংগুৰি গাঁৱতো আদিবাসী চাওঁতাল সম্প্ৰদায়ৰ লোকে তেওঁলোকৰ নিজস্ব পৰম্পৰাগত ৰীতি-নীতিৰ মাধ্যমেৰে দুৰ্গা পূজাটি পালন কৰে। অঞ্চলটিৰ বালাগাঁও তিনালী, ছালাকাটি, বিলাসপুৰ, কাশীকোত্ৰা, চিদলী ইত্যাদি ঠাইৰ উপৰি নামনি অসমৰ ভিতৰত লেখত লবলগীয়া বাসুগাঁও চহৰত চৰিশটা পূজা মণ্ডপত উলহ-মালহৰে শাৰদীয় দুৰ্গোৎসৱটি পালন কৰা হয়। উল্লেখযোগ্য যে প্ৰায় প্ৰতিটো পূজা মণ্ডপত যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰপ জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। প্ৰায় প্ৰতিটো পূজা মণ্ডপত অহৰহ জুবিন গাৰ্গৰ গীত বজাই তেওঁলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰে পূজা পৰিচালনা সমিতি সমূহে।


**LOST**

I Mohammed Asrab Ali, son of Mohammed Suruj Ali, resident of Borjaruni Gaon, P.O.-Phultoli Bazar, P.S.-Lanka, Pin- 782446, Assam hereby declare that I have lost my passport, bearing Passport No.- S5762975 issued on 16/05/2018 at Dubai. If found, please contact me at 8099705443. I have lodged a report with the concerned authorities.

AB-139/2025

## "গ্ৰন্থ আৰু জুবিন গাৰ্গ" শীৰ্ষক আড্ডা অনুষ্ঠান

# পুৰণিগুদাম প্ৰেছ ক্লাবৰ শাৰদীয় শিশু গ্ৰন্থমেলাৰ সামৰণি

**অসম বাৰ্তা, পুৰণিগুদাম, ৪ অক্টোবৰ ঃ** নগাঁও জিলা পুৰণিগুদামত শাৰদীয় দুৰ্গা পূজাৰ লগত সংগতি ৰাখি চাৰিদিনীয়া কাৰ্যসূচীৰে পুৰণিগুদাম প্ৰেছ ক্লাবৰ উদ্যোগত অনুষ্ঠিত হোৱা শাৰদীয় শিশু গ্ৰন্থমেলাখনি আজি নিশা সফল সামৰণি পৰে। "পুতলা পিষ্টলৰ সলনি এখন গ্ৰন্থ উপহাৰ দিয়ক" শীৰ্ষক বাণীৰে ১৯৯৬ চনৰ পৰা অনুষ্ঠিত হৈ অহা শাৰদীয় পুৰণিগুদাম শিশু গ্ৰন্থমেলাখনি ২৯ ছেপ্টেম্বৰৰ পুৱা পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা হয়। পুৰণিগুদাম প্ৰেছ ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি তপন কটকীয়ে আৰু শিশু গ্ৰন্থমেলাৰ পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ কাৰ্য্যকৰী সভাপতি হেমন্ত শইকীয়াই। পৰৱৰ্তী সময়ত গণশিল্পী কণ্ঠশিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠনত পুৰণিগুদাম প্ৰেছ ক্লাবৰ সমূহ কৰ্মকৰ্তাৰ লগতে স্থানীয় লোকে সহযোগ কৰে। পুৰণিগুদাম প্ৰেছ ক্লাবৰ প্ৰয়াত সাংবাদিক জয়ন্ত ভূঞা, দিগন্ত ভূঞা, নীলাভ জ্যোতি হাজৰিকা আৰু ধনটি হীৰাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে প্ৰেছ ক্লাবৰ সদস্যসকলৰ লগতে নাট্যকৰ্মী পূৰ্ণানন্দ বাৰিক, খগেন কুমাৰ গায়নৰ লগতে প্ৰেছ ক্লাবৰ সমূহ কৰ্মকৰ্তাই। ইয়াৰ পাছতে গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্য্যবাহী অভিযন্তা গগন তালুকদাৰে। দুপৰীয়া ১১ বজাৰ পৰা "সকলোৱে পাব পুৰস্কাৰ" শীৰ্ষক চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ তত্বাৱধায়ক হিচাপে উপস্থিত থাকে চিত্ৰশিল্পী প্ৰাণজিৎ চাংমাই আৰু শুভাশীষ পঞ্চানন। উক্ত চিত্ৰাংকণ প্ৰতিযোগিতাত নগাঁও জনস্বাস্থ্য কাৰিকৰী বিভাগে সহযোগিতা আগবঢ়ায়। স্বচ্ছতাৰ সজাগতাৰ ওপৰত বিভাগটোৱে পুৰণিগুদাম প্ৰেছ ক্লাবৰ লগত সহযোগিতা কৰে। চিত্ৰাংকণ প্ৰতিযোগিতাৰ "ক" শাখাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ক্ৰমে দ্বিৱাশ্ৰী বৰা, পৰিণীতা বৰা আৰু শৰ্মিষ্ঠা শইকীয়া। "খ" শাখাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ক্ৰমে প্ৰজ্ঞান জ্যোতি বৰা, নীহাৰিকা হালৈ আৰু মাধুৰ্য্য তামুলী। "গ" শাখাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ক্ৰমে অভিজ্ঞান কৌশিক বৰা, ধৃতিৰাজ শাণ্ডিল্য আৰু চিন্ময়ী শৰ্মাই। চিত্ৰাংকণ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সকলোকে পুৰস্কাৰ হিচাপে গ্ৰন্থ আৰু প্ৰমাণপত্ৰ প্ৰদান কৰে পুৰণিগুদাম প্ৰেছ ক্লাবে। ইফালে প্ৰতিটো শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰা সকলক একোটাকৈ গঁড়ৰ প্ৰতীক, জুবিন গাৰ্গৰ গীতৰ ওপৰত একোখনকৈ গ্ৰন্থ প্ৰদান কৰাৰ লগতে মানপত্ৰ প্ৰদান কৰা হয়। সন্ধিয়া ৬ বজাৰ পৰা "মৰমৰ জুবিন দা" শীৰ্ষক এক স্মৃতি অনুষ্ঠান অনুষ্ঠিত হয়। ৩০ ছেপ্টেম্বৰত জুবিন গাৰ্গৰ স্মৃতিত কবিতা আবৃত্তি আৰু একক অভিনয় অনুষ্ঠিত হোৱাৰ লগতে সন্ধিয়া ৭ বজাৰ পৰা "গ্ৰন্থ আৰু জুবিন গাৰ্গ" শীৰ্ষক এক আড্ডা অনুষ্ঠান অনুষ্ঠিত হয়। পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ কাৰ্যকৰী সভাপতি দ্বীজেন্দ্ৰ মোহন শইকীয়া সঞ্চালনাত আৰু সাংবাদিক প্ৰমোদ কুমাৰ শৰ্মাৰ তত্বাৱধানত অনুষ্ঠিত হোৱা উক্ত অনুষ্ঠানত শাৰদীয় শিশু গ্ৰন্থমেলাৰ উদযাপন সমিতিৰ সভাপতি মণিমাধৱ মহন্ত, চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিত বেজবৰুৱা, চামগুৰি মহাবিদ্যালয়ৰ প্ৰবক্তা ড° সোমনাথ বৰা প্ৰাক্তন শিক্ষক কৃষ্ণ গোস্বামী, মণ্টুল কুমাৰ শৰ্মা, চিত্তৰঞ্জন বৰা, ভাৰতী বৰাকে ধৰি বহুসংখ্যক লোকে অংশগ্ৰহণ কৰি গণশিল্পী জুবিন গাৰ্গৰ ওপৰত আলোকপাত কৰে। উক্ত অনুষ্ঠানত কেইবাগৰাকী স্থানীয় শিল্পীয়ে জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰি অনুষ্ঠানটো সফল কৰি তোলে। ১ অক্টোবৰত বিয়লিৰ পৰা জুবিন গাৰ্গৰ সোঁৱৰণত অনুষ্ঠিত হয় মুকলি কুইজ প্ৰতিযোগিতা। ৰাজীৱ গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিত হোৱা মুকলি কুইজ প্ৰতিযোগিতাখনত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বহুলোকে অংশগ্ৰহণ কৰে। ২ অক্টোবৰত মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। পৰৱৰ্তী সময়ত "আপোনাৰ শিশুটিক পুতলা পিষ্টলৰ সলনি এখন গ্ৰন্থ উপহাৰ দিয়ক" শীৰ্ষক এখন মুকলি সভা অনুষ্ঠান অনুষ্ঠিত হয়। সন্ধিয়া "গীত মাতে জুবিন দা" শীৰ্ষক এক অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত স্থানীয় কেইবাগৰাকী শিল্পীয়ে জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰি শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনায়। উল্লেখযোগ্য যে, বিগত বৰ্ষৰ দৰে বহুকেইটা উল্লেখযোগ্য কাৰ্যসূচীৰে এইবাৰ গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছিল যদিও অসমীয়াৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ মৃত্যু হোৱা বাবেই কিছু কাৰ্যসূচী বাতিল কৰি জনতাৰ হিয়াৰ আমঠু শিল্পীগৰাকীৰ স্মৃতিত কাৰ্যসূচী সমূহ ৰূপায়ণ কৰা হয় বুলি পুৰণিগুদাম প্ৰেছ ক্লাবৰ সভাপতি তপন কটকী আৰু সম্পাদক সীমান্ত কলিতাই জানিবলৈ দিয়ে। এইবৰ্ষত অসমৰ বহুকেইটা প্ৰকাশন তথা বিপনীয়ে শাৰদীয় গ্ৰন্থমেলাখনত অংশগ্ৰহণ কৰে বুলি পুৰণিগুদাম প্ৰেছ ক্লাবৰ উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

## গ্ৰেপ্তাৰ দুই, এক পলাতক

# আমগুৰিত কৰ্মৰত আৰক্ষীক আক্ৰমণ যুৱকৰ

**অসম বাৰ্তা, আমগুৰি, ৪ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গা পূজাৰ সময়তে আমগুৰি নগৰত কৰ্তব্যৰত আৰক্ষীক আক্ৰমণ কৰাৰ অভিযোগত দুজন যুৱকক আমগুৰি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। প্ৰাপ্ত তথ্য মতে যোৱা ৩০ ছেপ্টেম্বৰ অষ্টমী পূজাৰ দিনা নিশা প্ৰায় এঘাৰ বজাত একেখন মটৰ চাইকেলতে তীব্ৰবেগে অহা তিনিজন যুৱকক কৰ্তব্যৰত আৰক্ষী বাহিনীয়ে ৰ'বলৈ নিৰ্দেশ দিয়াত তেওঁলোকে আৰক্ষীৰ লগত বাকবিতণ্ডাত লিপ্ত হয় আৰু অশালীন ভাষাৰে এগৰাকী মহিলা আৰক্ষী আৰু এগৰাকী এজন লেন্স নায়ক পৰ্যায়ৰ আৰক্ষীক শাৰীৰিকভাৱে প্ৰহাৰ কৰে। ইয়াৰ ফলত বিদ্যুত হাজৰিকা আৰু গীতা মনি পাটৰ নামৰ আৰক্ষী দুগৰাকী আঘাত প্ৰাপ্ত হয়। এজন যুৱকক পাছত আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হয় যদিও ভাৰতীয় বায়ু সেনাত কৰ্মৰত, এজনকে ধৰি দুজন যুৱক ভীৰৰ বাবে পালাই যাবলৈ সক্ষম হয়। আৰক্ষী জ্যোতিষ্মান চেতিয়া নামৰ নামৰ অভয় পুৰীয়া গাঁৱৰ যুৱক জনক লগে লগে কৰায়ত্ব কৰাৰ বিপৰিতে ধ্ৰুৱজ্যোতি হাজৰিকা নামৰ জালুক গাঁৱৰ যুৱক জনক পাছত ঘৰৰ পৰা কৰায়ত্ত কৰে। বায়ুসেনা বাহিনীত কৰ্মৰত অবিনাশ বৰুৱা নামৰ যুৱকজন পলাতক অৱস্থাত আছে। আমগুৰি আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতাৰ ১৩২/৭৪/২৯৬/১১৫(২)(৩)/৩(৫) ধাৰাত ১৫/২৫ গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰা দুয়ো যুৱকক আদালতলৈ প্ৰেৰণ কৰে।

# আহিনৰ বানত প্লাবিত জাঁজী নদীৰ দুয়োপাৰ



**অসম বাৰ্তা, জাঁজী, ৪ অক্টোবৰ ঃ** জাঁজী নদীয়ে কালৰূপ ধাৰণ কৰেলে। শিৱসাগৰ আৰু যোৰহাট জিলা সীমাত প্ৰৱাহিত জাঁজী নদীৰ আহিন মহীয়া বানে যোৱা নিশা আকস্মিক ভাবে প্লাবিত কৰে বৃহত্তৰ জাঁজী অঞ্চলৰ বহুকেইখন গাওঁ। কালি পুৱাৰ পৰা ফেনেফুটুকাৰে বাঢ়িবলৈ ধৰা জাঁজী নদীয়ে নিশাৰ ভাগত শিৱসাগৰ জিলাৰ জাঁজী লেফেৰা গাঁৱৰ ৰিংবান্ধটো ভাঙি বৃহৎ অঞ্চল প্লাবিত কৰে। জাঁজী নদীৰ বানে জাঁজী লেফেৰা গাঁও, জাঁজী ব্ৰাহ্মণ গাঁও, বৰুৱাকুৰি, বৰুৱা গাঁও ডিব্ৰুৱাল, জামুগুৰি চাপৰি, তামোলী ছিগা, শিমলুগুৰি, আদি এলেকা প্লাবিত কৰে। জাঁজী নদীৰ ৰিং বান্ধ ভাঙি সোমোৱা বাঢ়নি পানী ঐতিহাসিক ৰঙাজানে বহন কৰিব নোৱাৰাত ৰঙাজান উভতি ববলৈ ধৰে আৰু এক বৃহৎ অঞ্চল জলমগ্ন কৰি তোলে। বৰ্তমান আজি পানী শুকাইছে যদিও ঠাই বিশেষে জলমগ্ন হৈ আছে। আনহাতে তামোলী ছিগা শিমলুগুৰি গাঁৱৰ কেইবাটাও পৰিয়াল বানৰ কবলত পৰে। উল্লেখযোগ্য যে, জাঁজীৰ চাৰিশৰীয়া ৰাষ্ট্ৰীয় ঘাই পথ নিৰ্মাণৰ সময়ত অঞ্চলটোৰ জলনিস্কাষণৰ প্ৰাকৃতিক নলা সমূহ অপৰিকল্পিতভাবে বন্ধ কৰি দিয়াৰ ফলত এতিয়া অঞ্চলটোৰ জনসাধাৰণে বানৰ কবলত পৰা দেখা গৈছে।

## আজিৰ বস্তুবাদী সমাজত মানুহক আকাঙ্ক্ষা আৰু আশংকাই খেদি ফুৰিছে ঃ তুৰাৰাম খনিকৰ

# বিশিষ্ট সমাজকৰ্মী, নামাচাৰ্য, প্ৰগতিশীল কৃষক পোৱাল দত্তৰ স্মৃতিচাৰণ অনুষ্ঠান সম্পন্ন




**অসম বাৰ্তা, জাঁজী, ৪ অক্টোবৰ ঃ** আজিৰ বস্তবাদী সমাজখনত মানুহক আকাঙ্ক্ষা আৰু আশংকাই খেদি ফুৰিছে। আকাঙ্ক্ষাৰ শেষ নাই। এহাতে ধনৰ বলত সোণৰ পালেঙত শয়ন কৰিলেও দুৰ্বৃত্তই চুৰ কৰি লৈ যোৱাৰ আশংকাত হয়তো বিনিদ্ৰ ৰজনী কটাব লাগিব। এই মন্তব্য বিশিষ্ট শিক্ষাবিদ, সুবক্তা তুৰাৰাম খনিকৰৰ। যোৱা ১৩ ছেপ্তেম্বৰত পৰলোকপ্ৰাপ্তি হোৱা জাঁজী ফুলপানীছিগা বামুণগাঁৱৰ বিশিষ্ট সমাজকৰ্মী, কেন্দ্ৰীয় চৰকাৰৰ ডাক বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, গৌৰীসাগৰ জেষ্ঠ নাগৰিক সন্মিলনৰ মুখ্য উপদেষ্টা, নামাচাৰ্য, প্ৰগতিশীল কৃষক পোৱাল দত্তৰ যোৱা ২৮ ছেপ্তেম্বৰত আদ্যশ্ৰাদ্ধৰ উপলক্ষে আয়োজিত স্মৃতিচাৰণ অনুষ্ঠানত কল্পদ্ৰুম নামৰ স্মৃতি পত্ৰিকা উন্মোচন কৰি বিশিষ্ট শিক্ষাবিদ গৰাকীয়ে কয় যে মানুহৰ জীৱনটো বিভিন্ন মুহূৰ্তৰে সংপৃক্ত হৈ থাকে। তাৰে এটা মুহূৰ্তও যদি বেয়া হয় জীৱনত অনুতপ্ত হ'ব লগা হয়। তদুপৰি তেওঁ কয় যে মানুহক চেহেৰাই, কাপোৰ কানিয়ে আকৰ্ষণ নকৰে। মানুহক আকৰ্ষণ কৰে কথা বাৰ্তা, শিষ্টাচাৰ, ব্যৱহাৰ আৰু সৌজন্যবোধে। এই সকলোখিনি ঠিক থাকিলেহে এজন মানুহে জীৱনত পৰিচিতি লাভ কৰিব। ফুলপানীছিগা আঞ্চলিক ৰাসোৎসৱ বৰনামঘৰ আৰু কলা কৃষ্টি কেন্দ্ৰৰ পৰিচালনা সমিতিৰ সম্পাদক পুষ্পধৰ নেওগে আঁতধৰা অনুষ্ঠানটোত জাঁজী হেম নাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি জ্যোতি প্ৰসাদ গগৈ, বিশিষ্ট সমাজকৰ্মী তথা ফুলপানীছিগা মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰেমধৰ নেওগ, দিখৌমুখৰ পূণিয়া সত্ৰৰ সত্ৰীয়া তথা নামাচাৰ্য নীলমণি গোস্বামী, বিশিষ্ট সমাজকৰ্মী অনিল বৰুৱা, আপকু শিৱসাগৰ জিলা সমিতিৰ সভাপতি পদুম কুমাৰ শইকীয়া, আমগুৰি জ্ঞান বিকাশ বিদ্যাপীঠৰ অধ্যক্ষ হিমাদ্ৰিজ্যোতি দত্ত, মৰাণছিগা মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গোবিন শইকীয়াকে ধৰি একাধিক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। প্ৰয়াত পোৱাল দত্তৰ মাজু পুত্ৰ তথা গৌৰীসাগৰ প্ৰেছ ক্লাবৰ সম্পাদক ৰাজীৱ দত্তই শলাগ জনোৱা স্মৃতি চাৰণত অনুষ্ঠানত পোৱাল দত্তৰ প্ৰতিছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি প্ৰেমধৰ নেওগে প্ৰয়াত দত্ত এগৰাকী সৎ, নিষ্ঠাবান, কৰ্তব্যপৰায়ণ আৰু সামাজিকভাৱে দায়িত্বশীল ব্যক্তি আছিল বুলি মন্তব্য কৰে। ইয়াৰোপৰি জ্যোতি প্ৰসাদ গগৈ, গোবিন্দ শইকীয়া আদিয়ে প্ৰয়াত পোৱাল দত্তই বৃহত্তৰ জাঁজী অঞ্চলৰ সামাজিক ক্ষেত্ৰখনলৈ আগবঢ়াই থৈ বৰঙণিৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে।

# ২৪০ নং অভয়াপুৰীয়া প্ৰাথমিক বিদ্যালয়ত চুৰিকাণ্ড

**অসম বাৰ্তা, নামতি, ৪ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ বাবে চাৰি দিন বিদ্যালয় বন্ধ থকাৰ সুযোগ গ্ৰহণ কৰি দুষ্কৃতিকাৰীয়ে ২৪০ নং অভয়াপুৰীয়া প্ৰাথমিক বিদ্যালয়ৰ কাৰ্যালয়ৰ দুৱাৰ ভাঙি চোৰে চুৰি কৰি লৈ গল এটা পানীৰ মটৰ। তিনি অক্টোবৰ দিনা বিদ্যালয় খোলাত পুৱাই প্ৰধান শিক্ষক বিদ্যালয়ত উপস্থিত হোৱাত পানীৰ মটৰ চুৰিৰ দৃশ্য প্ৰত্যক্ষ কৰি বিদ্যালয় পৰিচালনা সমিতি, গাঁওৰক্ষী বাহিনী আৰু গাঁও প্ৰধানক প্ৰধান শিক্ষকে অৱগত কৰাত সকলো বিদ্যালয়ত উপস্থিত হয়হি। চুৰিৰ সন্দৰ্ভত স্থানীয় লোকে আমগুৰি আৰক্ষীক অৱগত কৰিছে। বিদ্যালয় প্ৰধান শিক্ষকে ইতিমধ্যে আমগুৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত আমগুৰি আৰক্ষী উপস্থিত হয়হি। স্থানীয় ৰাইজে এই সন্দৰ্ভত আৰক্ষীৰ পৰা এক উচিত তদন্ত কামনা কৰিছে।

## জাঁজীৰ উৰণীয়া সেঁতু জুবিন গাৰ্গৰ নামত নামকৰণৰ প্ৰস্তাৱ বৃহত্তৰ জাঁজী উন্নয়ন পৰিষদৰ

# জাঁজী গড়মূৰত স্থাপন হ'ব ছ্যুকাফাৰ বৃহৎ প্ৰতিমূৰ্ত্তি

**অসম বাৰ্তা, জাঁজী, ৪ অক্টোবৰ ঃ** শিৱসাগৰ জিলা আৰু যোৰহাট জিলাৰ সীমাত থকা ঐতিহাসিক জাঁজী মাছখোৱা গড়মূৰত স্থাপন হ'ব অসমীয়া জাতি গঠনৰ মহান পুৰোধা ব্যক্তি চাওলুং ছ্যুকাফাৰ বৃহৎ প্ৰতিমূৰ্ত্তি। এইক্ষেত্ৰত উদ্যোগ ল'ব নতুনকৈ গঠিত হোৱা বৃহত্তৰ জাঁজী উন্নয়ন পৰিষদে। জাতি জনগোষ্ঠীৰ মাজত সমন্বয়ৰ হেতু গঢ়া প্ৰবাদপুৰুষজনৰ প্ৰতিমূৰ্ত্তি স্থাপনৰ ক্ষেত্ৰত উন্নয়ন পৰিষদখনে বৃহত্তৰ জাঁজীবাসীৰ লগতে অসমৰ বিভিন্ন অনুষ্ঠান, শুভাকাংক্ষীৰ লগ হৈ অচিৰেই পৰিকল্পনা যুগুত কৰিব। যোৱা ২৯ ছেপ্টেম্বৰত বৃহত্তৰ জাঁজীৰ সামগ্ৰিক উন্নয়ন, অঞ্চলটোৰ বিভিন্ন সমস্যা সমাধানৰ বাবে স্থানীয় সমাজকৰ্মী দিলীপ ঢেকীয়াল ফুকনৰ সভাপতিত্বত জাঁজী গড়মূৰত এখন বৃহৎ ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। সমাজকৰ্মী ৰাজেন্দ্ৰ প্ৰসাদ গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি জ্যোতিপ্ৰসাদ গগৈ, বীৰ ৰাঘৱ মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়া, টাইপাৰ কেন্দ্ৰীয় সমিতিৰ মৃদুল বাইলুং ফুকন, বিশিষ্ট ব্যৱসায়ী দেবজিত গগৈ উপস্থিত থাকি বক্তব্য আগবঢ়ায়। এই সভাতে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰসং গ্ৰহণ কৰা হয়। সৰ্বসন্মতভাৱে জাঁজী গড়মূৰত চাওলুং ছ্যুকাফাৰ এটা বৃহৎ প্ৰতিমূৰ্ত্তি স্থাপন কৰাৰ উপৰি জাঁজীত এখন ৰাজহুৱা শ্মশান নিৰ্মাণ, বৃহত্তৰ জাঁজীৰ আশেপাশে সিঁচৰিত হৈ থকা আহোম যুগৰ কীৰ্তি চিহ্ন সমূহ সংৰক্ষণ আৰু জাঁজীৰ নৱনিৰ্মীত উৰণীয়া হেতুখন সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গৰ নামত নামকৰণৰ প্ৰস্তাৱ লোৱা হয়। তদুপৰি প্ৰয়াত মুক্তিযোদ্ধা বিমল চন্দ্ৰ গগৈ সোঁৱৰণী ৰাজহুৱা প্ৰেক্ষাগৃহটো উন্নয়ন কৰিবলৈও প্ৰস্তাৱ লোৱা হয়। এই প্ৰস্তাৱসমূহ কাৰ্যকৰী কৰিবৰ বাবে পৰিকল্পনা তথা কাৰ্যব্যৱস্থা লবৰ বাবে ৰাজহুৱা সভাতে 'বৃহত্তৰ জাঁজী উন্নয়ন পৰিষদ' নামেৰে এখন পৰিষদ গঠন কৰা হয়। ড° অমৰজিৎ শইকীয়াক সভাপতি, দেবজিত গগৈ আৰু মৃদুল বাইলুং ফুকনক কাৰ্যকৰী সভাপতি, ৰঞ্জন গগৈক মুখ্য সম্পাদক, অমৰজিৎ গগৈ আৰু অভিজিত গগৈক যুটীয়া সম্পাদক হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হয়। সমিতিখনত উপ সভাপতি হিচাপে থাকিব ক্ৰমে অচিন্ত্য মহন্ত, ৰূপন গগৈ, ত্ৰৈলোক্য বৰুৱা, চাজাদ আলি আৰু অভিজিত শইকীয়া। কাৰ্যকৰী সদস্য হিচাপে থাকিব ক্ৰমে ৰাজেন্দ্ৰ প্ৰসাদ গগৈ, গুণীৰাম বৰুৱা, দুলাল ফুকন, উদয় বৰুৱা, গৌতম গগৈ আৰু উজ্জ্বল বৰঠাকুৰ। সভাৰ আগতে সদ্য প্ৰয়াত সংগীত শিল্পী জুবিন গাৰ্গৰ স্মৃতিৰ এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয় আৰু এক শোকবাৰ্তা পৰিয়াললৈ প্ৰেৰণৰ সিদ্ধান্ত লোৱা হয়।

# পুঁঠিয়াগাঁৱত পাঁচদিনীয়াকৈ লক্ষ্মীপূজাৰ আয়োজন প্ৰস্তুতি

**অসম বাৰ্তা, বাসুগাঁও, ৪ অক্টোবৰ ঃ** অন্যান্য ঠাইৰ লগতে ছালাকাটিৰ পুথিয়াগাঁৱতো ৬ অক্টোবৰৰ পৰা ১০ অক্টোবৰলৈ পাঁচদিনীয়াকৈ শ্ৰীশ্ৰীলক্ষ্মীপূজাঁৰ আয়োজন কৰিছে। এই বেলি ৫৩ সংখ্যক শ্ৰীশ্ৰীলক্ষ্মী পূজাটি সুচাৰুৰূপে পালন কৰাৰ বাবে ইতিমধ্যে বাবুল বৰ্মনক সভাপতি আৰু সঞ্জীৱ বৰ্মনক সম্পাদক হিচাপে লৈ এক শক্তিশালী পুথিয়াগাঁও শ্ৰীশ্ৰীলক্ষ্মীপূজা মেলা সমিতিখন গঠন কৰা হয়। প্ৰথম দিনা প্ৰতিমা স্থাপন, পূজা-পাতল আদি অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে অসমৰ বাহিৰৰ পৰা অনা মাৰ্বলৰ শ্ৰীশ্ৰীলক্ষ্মীমূৰ্তি দান কৰিব বি টি চিৰ ১২ নং ছালাকাটি পৰিষদীয় সমষ্টিৰ পৰা পুনৰবাৰ জয়ী হোৱা জনপ্ৰিয় নেতা দেৰহাছাং বসুমতাৰী। প্ৰত্যেকদিনাই ৰাতিপুৱা পূজা পাতলৰ লগতে দ্বিতীয় দিনা ল'ৰা-ছোৱালীৰ প্ৰতিযোগিতা মূলক 'বিভিন্ন নৃত্য' অনুষ্ঠিত হ'ব। তৃতীয় নিশা বৰপেটা সৰভোগৰ ৰংমন মিনি থিয়েটাৰ দলে অভিজিত ভট্টাচাৰ্য ৰচিত 'মৰমে কান্দিছে' নামৰ নাট প্ৰদৰ্শন কৰা হ'ব। চতুৰ্থ নিশা বঙাইগাঁও জিলাৰ টেঙাইগাঁৱৰ মিনি থিয়েটাৰ দলে 'ৰদালি' নামৰ নাট প্ৰদৰ্শন কৰিব। নৃত্য-নাটিকা প্ৰদৰ্শন কৰিব জোনাক নিশাৰ প্ৰেম। শেষ নিশা বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। পুথিয়াগাঁও শ্ৰীশ্ৰীলক্ষ্মীপূজা-মেলা পৰিচালনা সমিতিৰ উপদেষ্টা উমেশ চন্দ্ৰ নাথে এই বুলি জানিবলৈ দিয়ে। পাঁচ দিনীয়াকৈ পূজা-মেলাত শান্তি-শৃংখলা অটুত ৰখাৰ লগতে অঞ্চলবাসীৰ পূৰ্ণ সহায়-সহযোগ কামনা কৰিছে উদ্‌যাপন সমিতি তৰফৰ পৰা।

# জুবিন গাৰ্গৰ মৃত্যুৰ গুপুত কাৰণ আৰু তদন্তৰ নতুন মূৰ

**স্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** জনপ্ৰিয় অসমীয়া তথা উত্তৰ পূৰ্বাঞ্চলৰ মহান গায়ক, অভিনেতা, সুৰকাৰ আৰু সংগীতকাৰ জুবিন গাৰ্গৰ (জন্ম ঃ ১৮ নৱেম্বৰ ১৯৭২) ২০২৫ চনৰ ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত হোৱা গভীৰ ৰহস্যময়ী আকস্মিক মৃত্যুৱে ঘটনাই সকলো অসমবাসীক মৰ্মাহত কৰি তোলে। তেওঁ সেই সময়ত নৰ্থ ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণৰ বাবে ছিংগাপুৰত আছিল আৰু ইয়াত তেওঁ সাঁতোৰাৰ সময়ত ডুবি যোৱাৰ বাবে নিহত হোৱা বুলি ছিংগাপুৰৰ হস্পিতালত কৰা মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত উল্লেখ কৰিছিল। অৱশ্যে, অসমৰ ৰাইজৰ বিপুল দাবীত অসম আৰক্ষীয়ে এই ঘটনাত বেছি গভীৰ তদন্ত আৰম্ভ কৰে, যাৰ ফলত জুবিনৰ ম্যানেজাৰ সিদ্ধাৰ্থ শৰ্মা, ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত, আৰু লগতে তেওঁৰ বন্ধু-সঙ্গীত শিল্পী শেখৰ জ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তক গ্ৰেপ্তাৰ কৰে। এইসকলক অবহেলা, ষড়যন্ত্ৰ, আৰু 'হত্যাৰ অভিযোগ'ৰ অন্তৰ্গত ১০৩ নম্বৰ ধাৰা অধীনত গ্ৰেপ্তাৰ কৰা হৈছে। গায়কৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত বহুতো ধৰণৰ প্ৰশ্ন আৰু সন্দেহ উত্থাপন হৈছে যাক স্বচ্ছ আৰু দ্ৰুতভাৱে তদন্তৰ জৰিয়তে উন্মোচন কৰিবলৈ অধিকাংশ অসমীয়াই দাবী কৰিছে। অসমৰ গুৱাহাটী আৰু বিভিন্ন জিলাত বিক্ষোভ আৰু প্ৰতিবাদৰ জৰিয়তে ন্যায়ৰ দাবী উত্থাপন কৰা হৈছে। ন্যায় বিচাৰৰ দাবীত অসংখ্য সংগঠন তথা সাধাৰণ জনতাই একত্ৰিত হৈছে। জুবিন গাৰ্গ অসমৰ সাংস্কৃতিক আৰু সংগীত জগতে এক বিশেষ স্থান দখল কৰি আছিল। তেওঁৰ বহুভাষিক সংগীত, য'ত অসমীয়া, বাংলা, হিন্দী লগতে নানান ভাষাৰ সম্পৃক্তি আছিল, এই সংস্কৃতিক ঐক্য আৰু সাৰ্বভৌমতাক প্ৰতিনিধিত্ব কৰিছিল। তেওঁৰ ব্যক্তিগত জীৱন আৰু সংগীত কৰ্মই উত্তৰ পূৰ্বাঞ্চলৰ বহুতো নতুন প্ৰতিভা সৃষ্টি আৰু অনুপ্ৰাণিত কৰিছিল। গতিকে তেওঁৰ মৃত্যুৱে কেৱল এক শিল্পীৰ হানি নহয়, অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ মানুহৰ বাবে সাংস্কৃতিক আৰু সামাজিক এক বৃহৎ শূন্যতা সৃষ্টি কৰিছে। এই ঘটনাই একে সময়ত আমাৰ সমাজৰ বিকেন্দ্ৰিকতা, সাংস্কৃতিক সামৰ্থ্য আৰু আইনৰ শাসনৰ ওপৰতো গুৰুত্বপূৰ্ণ বিৰোধ উঠিছে। অসমবাসী আৰু অসমৰ সকলো সংস্কৃতি-প্ৰেমীয়ে জুবিন গাৰ্গৰ সংগীত নামংকিত স্মৃতি অমৰ ৰূপে ৰাখিব বুলি সঙ্কল্পবদ্ধ হৈছে। তেওঁৰ মৃত্যুৰ তদন্ত পূৰ্ণাঙ্গ আৰু ন্যায্য ৰূপে সম্পন্ন হোৱাটো অসমবাসীৰ আটাইতকৈ ডাঙৰ আশা। যাৰবাবে এই ক্ষেত্ৰত চৰকাৰ আৰু আৰক্ষীয়ে স্বচ্ছতা আৰু দ্ৰুত পদক্ষেপ লোৱাৰ দাবী তুলিছে প্ৰতিগৰাকী জুবিন অনুৰাগীয়ে।

## মহানায়ক জুবিন গাৰ্গৰ আত্মাৰ সদ্‌গতি আৰু ন্যায়ৰ অৰ্থে প্ৰাৰ্থনা

# গেৰুৱাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৭৭ সংখ্যক জন্মজয়ন্তী উদ্‌যাপন

## হৰিনামৰ ধ্বনিৰে মুখৰিত গেৰুৱা গাঁও



**স্টাফ ৰিপৰ্টাৰ, টংলা, ৪ অক্টোবৰ ঃ** ওদালগুৰি জিলাৰ টংলাৰ গেৰুৱা গাঁৱৰ নামঘৰত কালি গেৰুৱা গাঁও উন্নয়ন সমিতিৰ উদ্যোগত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ গেৰুৱা প্ৰাথমিক শাখা আৰু ভাগৱতী সমাজৰ সহযোগত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৭৭ সংখ্যক জন্ম জয়ন্তী উদ্‌যাপন কৰা হয়। উদ্‌যাপন সমিতিৰ সভাপতি নেত্ৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত ধৰ্মালোচনী সভাত অসমীয়া জাতিৰ হৃদস্পন্দন মহানায়ক জুবিন গাৰ্গৰ অকালতে বৈকুণ্ঠপ্ৰয়াণ হোৱাৰ বাবে বিদেহ আত্মাৰ সদগতি আৰু ন্যায়ৰ অৰ্থে প্ৰাৰ্থনা কৰা হয়। গেৰুৱা গাঁও উন্নয়ন সমিতিৰ প্ৰাক্তন সম্পাদক তপন ৰাভাই উদ্বোধন কৰা সভাত গেৰুৱা ফুটুকীবাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক সোণেশ্বৰ দাস, শিক্ষয়িত্ৰী পপী ডেকা, গাঁও প্ৰধান বিজয় কুমাৰ ডেকা, সাংস্কৃতিক কৰ্মী গোপাল ৰাভাই গুৰুজনাৰ গুণানুকীৰ্তন কৰা সভাত শিশু ঈশান ৰাভা, বনস্মিতা ৰাভা, ট্ৰফিক ৰাভা, চাহিল ৰাভা, দেবাক্ষী ৰাভা আৰু কিশোৰ কিশোৰী লিনা ৰাভা, প্ৰিয়াক্ষী ৰাভা, উৎপল ৰাভা, যমুনা ৰাভা আৰু জুৰিমনি ৰাভাই ভাষণ দিয়ে। গেৰুৱা গাঁও উন্নয়ন সমিতিৰ সম্পাদক যদু ৰাভাই আঁত ধৰা, প্ৰাক্তন সম্পাদক প্ৰহ্লাদ ৰাভাই শলাগ জ্ঞাপন কৰা সভাতে চিত্ৰকলাত জিলা ভিত্তিত অনুষ্ঠিত প্ৰতিযোগিতাত বিশেষভাৱে স্থান লাভ কৰা চাহিল ৰাভা আৰু ধৃতিস্মান ডেকাক অভিনন্দন জনায়। অঞ্জলি ৰাভা আৰু ৰবীন্দ্ৰ ৰাভাৰ নেতৃত্বত সভাৰ আৰম্ভণীতে বৰগীত পৰিৱেশন কৰা সভাত সমাজকৰ্মী কমলা কান্ত ৰাভা, কনক চন্দ্ৰ ৰাভা, নৰম ৰাভা আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ ভেৰগাঁও জিলা শাখাৰ বিষয়ববীয়া টংকেশ্বৰ ৰাভা আৰু জয়ন্ত উপস্থিত থাকে। গেৰুৱা প্ৰাথমিক শাখাৰ সম্পাদক নমল ৰাভা আৰু গেৰুৱা গাঁও উন্নয়ন সমিতিৰ প্ৰাক্তন সম্পাদক বিপিন চন্দ্ৰ ৰাভাই উদ্বোধন কৰা আৰু নামঘৰীয়া দন্দীৰাম ৰাভাক ভাগৱত বাহক হিচাপে লৈ গেৰুৱা ৰাজহুৱা নামঘৰৰ পৰা উলিওৱা ভাগৱতসহ শোভাযাত্ৰাত শিশু, যুৱক-যুৱতী, বাপ আই সমস্তই দিহা নাম, হৰি-নামৰ ধ্বনিৰে আকাশ বতাহ মুখৰিত কৰি তোলে। পুৱাৰ ভাগত বন্তি প্ৰজ্বলন, সমূহীয়া চাফাইৰ পিছতে শৰাই অৰ্পণ কৰে নামঘৰীয়া মহিৰাম ৰাভাই। গেৰুৱা গাঁও উন্নয়ন সমিতিৰ সভাপতি দেবেন ৰাভাই পতাকা উত্তোলন, সমাজকৰ্মী বীৰেন ৰাভা আৰু কালিন্দ্ৰ ৰাভাই গছপুলি ৰোপণ, গেৰুৱা প্ৰাথমিক শাখাৰ সভাপতি বলেন ৰাভাই নাম প্ৰসংগ আৰু নাম ঘৰীয়া ভৰুক ৰাভাই ভাগৱত পাঠ কৰে। সন্ধিয়া নামঘৰৰ চৌহদত আৰু ঘৰে ঘৰে, পদূলিয়ে-পদূলিয়ে বন্তি প্ৰজ্বলন কৰে।

# গৰৈমাৰীত দেৱী দুৰ্গাক বিসৰ্জন

**অসম বাৰ্তা, গৰৈমাৰী, ৩ অক্টোবৰ ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত আজি শান্তিপুৰ্ণভাৱে দেৱী দুৰ্গাক বিসৰ্জন দিয়া হয়। গৰৈমাৰী বজাৰ বাৰোৱাৰী দুৰ্গা মন্দিৰত আয়োজন কৰা দুৰ্গা পূজাৰ প্ৰতিমালৈ সমদল উলিয়াই গৰৈমাৰীৰ ৰাজহুৱা বিলত অশ্ৰুসিক্ত নয়নেৰে বিসৰ্জন দিয়ে। ইপিনে গৰৈমাৰী সূত্ৰধৰ পাৰা পূজা মণ্ডপত আয়োজন কৰা দুৰ্গা পূজাৰ প্ৰতিমাকো বিসৰ্জন দিয়ে। এইবেলি বৃহত্তৰ গৰৈমাৰী অঞ্চলৰ ৫ ঠাইত দুৰ্গা পূজাৰ আয়োজন কৰা হৈছিল। জানিব পৰামতে আদৰৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগত শোকাহত হৈ পূজা কমিটিয়ে জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি আত্মাৰ সদগতি কামনা কৰে।

# জীৱন জেউতি কৃষক সঙঘৰ কাৰ্যালয়ত ১৫৬ তম্ গান্ধী জয়ন্তী উদ্‌যাপন

**স্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৪ অক্টোবৰ ঃ** সমগ্ৰ ভাৰত তথা বিশ্বৰ বিভিন্ন প্ৰান্তৰ দেশৰ লগতে মৰিগাঁও জিলাৰ জীৱন জেউতি কৃষক সঙঘৰ কাৰ্যালয়ত গান্ধী জয়ন্তী উদ্‌যাপন কৰা হয়। জীৱন জেউতি কৃষক সঙঘ, নাহৰ য়ুথ ক্লাব, সেউজ কৃষক সঙঘ, পৰিৱেশ সুৰক্ষা মঞ্চ ৰ যৌথ উদ্যোগত আৰু মেৰা যুৱ ভাৰত মৰিগাঁও জিলাৰ সহযোগত ২ অক্টোবৰত গান্ধী জয়ন্তী উদযাপন কৰা হয়। পুৱা চাফাই অভিযান আৰু বৃক্ষৰোপণ ৰ পিছত গান্ধী জয়ন্তী উপলক্ষে মহাত্মা গান্ধীৰ ফটোত পুষ্পাঞ্জলি আৰু বন্তি প্ৰজ্বলন কৰা হয়। স্থানীয় যুৱক-যুৱতী আৰু ছাত্ৰ-ছাত্ৰী সকলে অনুষ্ঠানত সক্ৰীয় সহযোগ আগবঢ়ায়। গান্ধীৰ জীৱনীৰ ওপৰত চমু ভাষণ আগবঢ়ায়, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলাৰ প্ৰাক্তন সভাপতি বসন্ত ডেকা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বঘৰা আঞ্চলিক সমিতিৰ উপদেষ্টা দেবেন দাস, সহায় অসমৰ অধ্যক্ষ ৰাজু মহন্ত, হিন্দু জাগৰণ মঞ্চ মৰিগাঁও জিলাৰ সভাপতি কুশল চন্দ্ৰ মেধিকে ধৰি বহুজনে ভাষণ আগবঢ়ায়। জীৱন জেউতি কৃষক সঙঘৰ মুখ্য সমন্বয়ক তুলসী ডেকা ই আতধৰা অনুষ্ঠানত ভাৰত স্বাধীনতা সংগ্ৰামৰ অন্যতম নেতা যিজনে অস্ত্ৰ পৰিত্যাগ কৰি অহিংসা নীতিৰ সমৰ্থক। ২০০ বছৰীয়া ব্ৰিটিছ শাসনৰ বিৰুদ্ধে যুঁজি ১৯৪৭ চনত ভাৰত স্বাধীন কৰিবলৈ সক্ষম হৈছিল। শেষত ১৯৪৮ চনৰ জানুৱাৰী মাহৰ৩০ তাৰিখে নাথুৰাম গডছেৰ বন্দুকৰ গুলিত প্ৰাণ ত্যাগ কৰে। দুশ বছৰীয়া আন্দোলনত প্ৰাণ ত্যাগ কৰা শ্বহীদ সকলক শ্ৰদ্ধা জনায় আৰু মহাত্মা গান্ধীৰ মহান আদৰ্শ ক শলাগ জনায়। অনুষ্ঠানত অসমৰ মহান শিল্পী জুবিন গাৰ্গৰ হত্যাৰ সঠিক তদন্ত কৰিবলৈ লগতে দোষীক কঠোৰতম শাস্তি প্ৰদান কৰিবলৈ একে মুখে দাবী তোলে।

## ডুমডুমাত জুবিন গাৰ্গৰ 'মায়াবিনী' গীতেৰে দেৱী দুৰ্গাক লৈ যোৱা হ'ল বিসৰ্জনথলীলৈ

# অন্ত পৰিল পাঁচদিনীয়া শাৰদীয় দুৰ্গোৎসৱ

**স্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৪ অক্টোবৰ ঃ** যষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱী দুৰ্গাক বিগত পাঁচদিন পূজা - অৰ্চনা কৰাৰ অন্তত আজি বিজয়া দশমীৰ দিনা দেৱীক বিসৰ্জন দিয়া হয়। এইবাৰ অসমৰ অন্যান্য ঠাইৰ দৰে ডুমডুমাতো জুবিন গাৰ্গৰ মৃত্যুৰ বাবে শাৰদীয় দুৰ্গোৎসৱত পূৰ্বৰ উৎসাহ - উদ্দীপনা দেখা নগ'ল। ডুমডুমাৰ প্ৰতিখন পূজা থলীতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবি স্থাপন কৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। পূজাৰ কেউটা দিনতে চৌদিশে বাজি উঠিছিল এটাৰ পাছত এটাকৈ জুবিনৰ চিৰসেউজ গীতবোৰ। আজিও বিজয়া দশমীৰ দিনটোতো দেৱী দুৰ্গাক বিসৰ্জন দিবলৈ বিভিন্ন নৈৰ ঘাটলৈ লৈ যোৱাৰ সময়তো চৌদিশে বাজি উঠিছিল জুবিনৰ 'মায়াবিনী' গীতটো। ডুমডুমাৰ অসমীয়া পূজা আৰু নাট্য মন্দিৰ সমিতিয়ে দেৱী দুৰ্গাৰ প্ৰতিমা বিসৰ্জনৰ বাবে লৈ যোৱা গাড়ীখনৰ সন্মুখত জুবিন গাৰ্গৰ প্ৰতিচ্ছবি আঁৰি লৈছিল। জুবিন গাৰ্গে বিচাৰিছিল এখন শক্তিশালী, সমৃদ্ধিশালী আৰু সম্প্ৰীতিৰ সমাজ। ডুমডুমাৰ কেইগৰাকীমান ইছলাম ধৰ্মাৱলম্বী যুৱকে আজি দেৱী দুৰ্গাৰ প্ৰতিমা বিসৰ্জনৰ বাবে উলিওৱা শোভাযাত্ৰাত অংশগ্ৰহণ কৰা লোকসকলক খোৱা পানীৰ যোগান ধৰি জুবিন গাৰ্গৰ এই আদৰ্শক ধৰি ৰখাৰ প্ৰয়াস কৰে। এই শাৰদীয় দুৰ্গোৎসৱটিত ডুমডুমাবাসী ৰাইজে জুবিন গাৰ্গলৈ যিদৰে শ্ৰদ্ধাঞ্জলি নিবেদন কৰি শান্তিপূৰ্ণ ভাৱে উদ্‌যাপন কৰিলে তাৰ বাবে সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতীম নেওগে সকলোকে ধন্যবাদ জ্ঞাপন কৰিছে। ছাত্ৰ নেতাগৰাকীয়ে জুবিন গাৰ্গে যাতে ন্যায় পায় তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ ৰাইজক আহ্বান জনায়। এইবাৰ শাৰদীয় দুৰ্গোৎসৱৰ সময়ত ডুমডুমা সম-জিলাৰ কোনো ঠাইৰ পৰা কোনোধৰণৰ অপ্ৰীতিকৰ ঘটনা ঘটাৰ বাতৰি পোৱা হোৱা নাই।

## সম্পাদকীয়

# বিশ্বাসেই কাল

অসমৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ অকাল মৃত্যুৱে ৰাজ্যত শোকৰ বন্যা পেলাইছে। ২০২৫ চনৰ ১৯ ছেপ্তেম্বৰত ছিংগাপুৰৰ এটা দ্বীপৰ ওচৰত সাগৰত ডুবি যোৱাৰ ফলত তেওঁৰ মৃত্যু হয় বুলি প্ৰথমে পোহৰলৈ আহিছিল। কিন্তু শেহতীয়া তদন্তত পোহৰলৈ অহা তথ্যই এই ঘটনাক দুৰ্ঘটনা নহয়, বৰঞ্চ এক পূৰ্বপৰিকল্পিত হত্যা বুলি সন্দেহৰ সৃষ্টি কৰিছে। চিআইডিৰ তদন্তত জুবিনৰ বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামীৰ স্বীকাৰোক্তিয়ে এই ৰহস্যক আৰু গভীৰ কৰিছে। তেওঁৰ মতে, জুবিনক বিহপান কৰোৱাই হত্যা কৰা হৈছে আৰু এই অভিসন্ধিৰ মূলত সিদ্ধাৰ্থ শৰ্মা আৰু শ্যামকানু মহন্ত।

ঘটনাৰ সূত্ৰপাত ছিংগাপুৰৰ পেন পেচিফিক হোটেলৰ ৩০১০ নম্বৰ কোঠাত। শেখৰজ্যোতিয়ে চিআইডিৰ জেৰাত কয় যে সিদ্ধাৰ্থ আৰু তেওঁ একেলগে আছিল আৰু সিদ্ধাৰ্থৰ আচৰণ সন্দেহজনক আছিল। নৰ্থইষ্ট ফেষ্টিভেলত অংশ ল'বলৈ ছিংগাপুৰলৈ যোৱা জুবিনক য়ট পাৰ্টীলৈ যোৱা হয়। আনকি সিদ্ধাৰ্থই সুৰাৰ ব্যৱস্থা নিজে কৰিব বুলি কৈ অসম এছ'চিয়েচনৰ সদস্য তন্ময় ফুকনক আঁতৰাই থৈছিল। য়ট যাত্ৰাৰ সময়ত সিদ্ধাৰ্থই নাৱিকক বলপূৰ্বক আঁতৰাই নিজে য়ট চলাইছিল। লাইফ জেকেট অবিহনে সাগৰত সাঁতুৰি থকা জুবিন ভাগৰি পৰি ডুবিবলৈ ধৰোঁতে সিদ্ধাৰ্থই "যাব দে, যাব দে" বুলি চিঞৰি ঘটনাটোক সাধাৰণ কৰি তুলিছিল।

শেখৰজ্যোতিৰ দাবী যে জুবিন এজন ভাল সাঁতুৰবিদ আছিল আৰু তেওঁ নিজেই সিদ্ধাৰ্থ আৰু শেখৰক সাঁতুৰিব শিকাইছিল। সেয়ে সাধাৰণভাৱে ডুবুতেই তেওঁৰ মৃত্যু অসম্ভৱ। তদুপৰি, জুবিনৰ নাক-মুখৰ পৰা ফেন ওলাই অহাত সিদ্ধাৰ্থই ইয়াক এচিডিটিৰ কাৰণ বুলি কৈ চিকিৎসাত পলম ঘটাইছিল। ঘটনাৰ পিছত সিদ্ধাৰ্থই য়টৰ ভিডিঅ' শ্বেয়াৰ নকৰিবলৈ সকীয়াই দিছিল। অমৃতপ্ৰভা মহন্ত আৰু নিশিতা গোস্বামীৰ ভাষ্যতো সিদ্ধাৰ্থই জুবিনক পানীয় আৰু অসৎ সংগ যোগান ধৰাৰ কথা উল্লেখ আছে।

এই সকলো তথ্যই পোহৰলৈ আনিছে যে জুবিনক বিদেশলৈ লৈ যোৱাৰ উদ্দেশ্য আছিল অভিসন্ধি লুকুৱাই ৰখা। অসম চৰকাৰে শেহতীয়াকৈ বিশেষ তদন্তকাৰী দল গঠন কৰিছে আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ফেচবুক লাইভত এই বিষয়ে আলোচনা কৰিব বুলি জনাইছে।

কিন্তু এই ঘটনাই আমাক শিকাইছে যে বন্ধুক অতিমাত্ৰা বিশ্বাস কৰাই ভুল। জুবিনে নিজৰ ঘনিষ্ঠ বন্ধু-বান্ধৱীক অন্ধভাৱে বিশ্বাস কৰি এই ফাঁদত পৰিছিল। সিদ্ধাৰ্থ আৰু অন্যান্যৰ সৈতে তেওঁৰ সম্পৰ্ক আছিল ঘনিষ্ঠ, কিন্তু সেই বিশ্বাসেই তেওঁৰ মৃত্যুৰ কাৰণ হৈ পৰিল। জীৱনত সতৰ্কতা আৰু সন্দেহৰ দৃষ্টি ৰখাটো জৰুৰী, বিশেষকৈ যেতিয়া জীৱনৰ প্ৰশ্ন উত্থাপিত হয়। এতিয়া প্ৰয়োজন সঠিক তদন্ত আৰু ন্যায়। জুবিনৰ মৃত্যুৰ সত্য পোহৰলৈ আহক আৰু দোষীসকলে কঠোৰ শাস্তি পাওক। অসমৰ জনতাই এই ৰহস্যৰ সমাধান বিচাৰি আছে, যাতে তেওঁৰ আত্মাই শান্তি পায়।

---

অত্যধিক সামাজিক মাধ্যমৰ ব্যৱহাৰৰ ফলত নৱপ্ৰজন্মৰ কিন্তু বহু ক্ষতি হৈছে। অত্যধিক ভাৱে সামাজিক মাধ্যমত ব্যস্ত হৈ থকাৰ ফলত তেওঁলোকৰ মাজত উদ্বেগজনক ভাৱে গ্ৰন্থ অধ্যয়নৰ প্ৰতি চূড়ান্ত অৱহেলা ভাৱ গঢ় লৈ উঠিছে। গ্ৰন্থ অধ্যয়নৰ প্ৰতি ৰাপ বা আকৰ্ষণ নোহোৱাৰ বাবেই আজিৰ প্ৰজন্মই গভীৰ জ্ঞান লাভ কৰাৰ বিপৰীতে লাভ কৰিছে কিছুমান বজৰুৱা উপৰুৱা জ্ঞান। শিক্ষাৰ্থী সকল গ্ৰন্থ জগতৰ প্ৰতি আগ্ৰহহীন হোৱা, গ্ৰন্থ জগতৰ পৰা আঁতৰি যোৱাটো এক অশুভ লক্ষণ আৰু সমগ্ৰ ছাত্ৰ সমাজৰ বাবেই ই এক উদ্বেগৰ বিষয়।

# বৰ্তমান প্ৰজন্মৰ ওপৰত সামাজিক মাধ্যমৰ প্ৰভাৱ

### নিবেদিতা হাজৰিকা

সামাজিক মাধ্যম বা ছ'চিয়েল মিডিয়া আধুনিক জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। বৰ্তমান সময়ত প্ৰায় সকলো মানুহেই সামাজিক মাধ্যম ব্যৱহাৰ কৰে বুলি ক'লেও অত্যুক্তি কৰা নহয়। বৰ্তমান সময়ত সমাজখন বিজ্ঞান-প্ৰযুক্তিৰ ওপৰতে নিৰ্ভৰশীল। সেয়ে প্ৰতিজন মানুহেই সামাজিক মাধম্যৰ জৰিয়তে মনৰ ভাৱৰ আদান-প্ৰদান কৰে, সংযোগ ৰক্ষা কৰে। সামাজিক মাধ্যমৰ প্লেটফৰ্মে মানুহৰ ইজনৰ লগত সিজনৰ যোগাযোগ আৰু সংযোগ কৰণৰ ক্ষেত্ৰত এক বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে বুলি ক'ব পাৰি। বৰ্তমান whats app, Face book, Instragram আদিৰ যুগ। এইবোৰে আমাৰ জীৱন শৈলী সলনি কৰি পেলালে। বৰ্তমান সকলোৱে যেন এইবোৰৰ কবলত।

এই সামাজিক মাধ্যমৰ জৰিয়তে সাহিত্য-সংস্কৃতি, খেলা-ধূলা, মনোৰঞ্জন, ব্যক্তিগত ধাৰণা, ইচ্ছা, সৃষ্টিশীল কৰ্ম, মতামত বা ভাব বিনিময় কৰাৰ এখন মঞ্চ উপলব্ধ হৈছে। যাৰ জৰিয়তে বিভিন্ন জনে বিভিন্ন দিশৰ প্ৰতিভা বিকাশৰ সুবিধা লাভ কৰিছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰী সকলে সহজতে বিভিন্ন বিষয়ৰ জ্ঞান লাভৰ সুবিধা হৈছে। সামাজিক মাধ্যমৰ জৰিয়তে যুৱক-যুৱতী সকলে নিজৰ সৃষ্টিশীলতা আৰু প্ৰতিভা প্ৰকাশ আৰু বিকাশৰ এখন উপযুক্ত মঞ্চ লাভ কৰিছে। ইয়াত তেওঁলোকে নিজৰ শিল্পকৰ্ম, ফটোগ্ৰাফী, লেখা তথা অন্যান্য ধৰণৰ প্ৰকাশভংগী শ্বেয়াৰ বা আদান-প্ৰদান কৰিব পাৰে। ই এখন বিশাল মঞ্চ হোৱা বাবে বহুল ভাৱে দৰ্শক বা তেওঁলোকৰ মনে মিলা বন্ধু বৰ্গৰ পৰা স্বীকৃতি আৰু সমৰ্থন লাভ কৰিব পাৰে। জ্ঞানৰ বিস্তাৰ বা প্ৰসাৰ ঘটোৱাৰ ক্ষেত্ৰত সামাজিক মাধ্যম সমূহ অদ্বিতীয়, অনন্য। শিক্ষা লাভ তথা শিক্ষা প্ৰদানৰ বেলিকা এক শক্তিশালী সঁজুলি হিচাপে আত্ম প্ৰকাশ কৰা সামাজিক মাধ্যম সমূহে জ্ঞান আহৰণৰ বেলিকা তথা জ্ঞান প্ৰদানৰ বেলিকা ভাগ -বতৰা, সহযোগিতা তথা অভিনৱ কৌশল প্ৰয়োগেৰে শিক্ষাৰ বিভিন্ন সমল বা সঁজুলি সমূহৰ সৈতে জড়িত হোৱাৰ এক গতিশীল মঞ্চ প্ৰদান কৰিছে। যিয়ে শিক্ষা লাভৰ ক্ষেত্ৰখনত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে।

সামাজিক মাধ্যমৰ বিভিন্ন ক্ষেত্ৰ সমূহৰ সঠিক ব্যৱহাৰৰ জৰিয়তে সৃষ্টিশীল ভাৱে কলাত্মক প্ৰকাশ কৰিব পাৰে, ব্যক্তিগত অভিজ্ঞতাৰ আদান -প্ৰদান কৰিবলৈ সুবিধা লাভ কৰে বা সেই ধৰণৰ সুবিধা আছে। সামাজিক মাধ্যম ব্যৱহাৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল নেটৱৰ্কিং তথা কেৰিয়াৰৰ উন্নতিত লাভান্বিত হ'ব পাৰে বা হ'ব পাৰিছে। সামাজিক মাধ্যমে উঠি অহা প্ৰজন্ম, শিক্ষাৰ্থী সকলক সমগ্ৰ বিশ্বৰ সহকৰ্মী সকলৰ সৈতে সংযোগ কৰি সাংস্কৃতিক বিনিময় আৰু বিশ্বব্যাপী সজাগতা বৃদ্ধিৰ বাট মুকলি কৰিছে। এই ক্ষেত্ৰত সামাজিক মাধ্যম সমূহৰ ভূমিকা উল্লেখনীয়। একমাত্ৰ সামাজিক মাধ্যমৰ বাবেই শিক্ষাৰ্থী সকলে সহযোগিতা, সৰ্বশ্ৰেষ্ঠ পদ্ধতি সমূহৰ আদান- প্ৰদান আৰু নিৰন্তৰ শিকাৰ বাবে এখন মঞ্চ লাভ কৰিবলৈ সক্ষম হৈছে।

সামাজিক মাধ্যমে শিক্ষাৰ্থী সকলক জ্ঞানৰ গণতান্ত্ৰিক ব্যৱস্থাৰ লগত জড়িত হোৱাৰ সুবিধা প্ৰদান কৰিছে। যি ব্যৱস্থাই সকলো বৰ্গৰ শিক্ষাৰ্থীক পাঠ্যপুথি তথা শ্ৰেণীকোঠাৰ বক্তৃতাৰ সীমাৰ বাহিৰতো বহুতো তথ্য লাভৰ সুবিধা দিছে। যুৱক-যুৱতী সকলক আত্ম প্ৰকাশ, সৃষ্টিশীলতা আৰু ব্যক্তিগত যোগাযোগৰ সুবিধা প্ৰদান কৰা সামাজিক মাধ্যম সমূহ বৰ্তমান প্ৰজন্মৰ মাজত খুবেই জনপ্ৰিয় বুলি ক'ব পাৰি। যুৱক-যুৱতী সকলৰ ওপৰত এই সামাজিক মাধ্যম সমূহে গভীৰ ভাৱে প্ৰভাৱ বিস্তাৰ কৰা পৰিলক্ষিত হৈছে। ই তেওঁলোকৰ আচৰণ, মনোভাৱ তথা অভিজ্ঞতাক ভিন্ন ধৰণে গঢ় দিয়ে। আত্ম অভিব্যক্তিৰ সুযোগ দিয়া তথা তথ্যৰ প্ৰৱেশাধিকাৰৰ সুবিধা থকা বা সুবিধা পোৱা সামাজিক মাধ্যম সমূহৰ পৰা উঠি অহা প্ৰজন্ম বিশেষ ভাৱে উপকৃত হৈছে বুলি ক'ব পাৰি। সামাজিক মাধ্যম ব্যৱহাৰ কৰা যুৱক-যুৱতী সকলৰ সংখ্যাই হয়তো আজিৰ তাৰিখত অধিক বুলি ক'ব পাৰি। আধুনিক জীৱনৰ এক অবিচ্ছেদ্য অংগ স্বৰূপ হৈ পৰা সামাজিক জীৱন অবিহনে যেন আমাৰ জীৱন অন্ধকাৰ। বিশেষকৈ উঠি অহা প্ৰজন্ম।




বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰী বা যুৱ প্ৰজন্মৰ লগতে প্ৰায়বোৰ লোকৰ হাততে ম'বাইল উপলব্ধ। সামাজিক মাধ্যম ব্যৱহাৰ নকৰা লোকৰ সংখ্যা আজিৰ তাৰিখত আঙুলিৰ মূৰত লিখিব পৰা। সামাজিক মাধ্যমৰ লগতেই দিনৰ বেছি ভাগ সময় অতি বাহিত কৰা বুলি উঠি অহা প্ৰজন্মৰ বিষয়ে প্ৰায়ে অভিযোগ শুনা যায়। অৱশ্যে সেই অভিযোগ ভিত্তিহীন নহয়। কিয়নো আজিৰ একাংশ ছাত্ৰ-ছাত্ৰী বা উঠি অহা প্ৰজন্ম সামাজিক মাধ্যমত ইমানেই সক্ৰিয় হৈ থাকে যে এনেদৰে ভাবিবলৈ অৱশ্যেই বাধ্য হয়। অপ্ৰিয় হ'লেও সত্য যে বৰ্তমান যুৱক -যুৱতীৰ মাজত ম'বাইল প্ৰীতি উদ্বেগজনকভাৱে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। যিটো সচেতন মহলৰ বাবে এটা অতি উদ্বেগৰ বিষয় হৈ পৰিছে। সামাজিক মাধ্যমৰ মূল্য নুবুজা আৰু সামাজিক মাধ্যমৰ অপপ্ৰয়োগ কৰা নৱ প্ৰজন্মক মাৰ্গ দৰ্শন নকৰিলে ইয়াৰ কুফল ভোগ কৰিবলৈ সাজু হৈ থাকিব লাগিব। এটা কথা সঁচা যে অপৈনত অৱস্থাতে সামাজিক মাধ্যমৰ লগত জড়িত হোৱাৰ ফলত বা সোমাই পৰাৰ ফলত বৰ্তমান প্ৰজন্মৰ বহুতেই বিপথগামী হৈছে, অ-সামাজিক কাৰ্যত লিপ্ত হৈছে।

বৰ্তমানৰ নৱ-প্ৰজন্মৰ কেইজনে সামাজিক মাধ্যমৰ সৎ প্ৰয়োগ কৰিছে বুলি উঠা অভিযোগ মুঠেই অযুক্তিকৰ নহয় বা ই অপ্ৰাসংগিকো নহয়। কিন্তু সেই অভিযোগ খণ্ডন কৰি কওঁ যে হয় আজিৰ প্ৰজন্মৰ বহুতেই সামাজিক মাধ্যমৰ প্ৰতি আসক্ত, সামাজিক মাধ্যমৰ লগত জড়িত। অৱশ্যে এইটোও সত্য যে সামাজিক মাধ্যমত দিনটোৰ অধিকাংশ সময় ব্যস্ত থকা এই সকল উঠি অহা প্ৰজন্মৰ মাজৰে বহুজনে কিন্তু এই সামাজিক মাধ্যমৰ জৰিয়তে বহু গঠনমূলক কাম কৰি আছে। বহু দায়বদ্ধতাৰে সমাজত সুন্দৰ বাৰ্তা প্ৰেৰণ কৰা কাৰ্যত ব্ৰতী হৈ আছে একমাত্ৰ সামাজিক মাধ্যমৰ পৰা লাভ কৰা মঞ্চৰ জৰিয়তে। সামাজিক মাধ্যমক এক মঞ্চ হিচাপে লৈ আজিৰ প্ৰজন্মৰ বহুজনে গল্প, কবিতা, ধাৰাবাহিক উপন্যাস আদিৰ চৰ্চা কৰি আহিছে। বহু তৰুণ প্ৰতিভা সম্পন্ন লেখক-লেখিকাই এনেদৰে সামাজিক মাধ্যমৰ জৰিয়তে সাহিত্য চৰ্চা বা অনুশীলন কৰিয়ে নিজৰ প্ৰতিভা প্ৰকাশ আৰু বিকাশৰ সুবিধা লাভ কৰিছে, সাহিত্যিক ৰূপত আত্মপ্ৰকাশ কৰিছে আৰু সাহিত্যৰ ক্ষেত্ৰ খনত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। কেৱল সেয়ে নহয়, বহু উদীয়মান যুৱক-যুৱতীয়ে সামাজিক মাধ্যমতে ভাষা-সাহিত্যৰ প্ৰতি দায়বদ্ধতা প্ৰকাশ আৰু প্ৰমাণ কৰিবলৈ সক্ষম হৈছে।

উদীয়মান যুৱ প্ৰজন্মৰ অধিকাংশই সামাজিক মাধ্যম ব্যৱহাৰ কৰে। সামাজিক মাধ্যমত সক্ৰিয় হৈ নিজৰ ভাল লগা ফটো, ৰীলছ আদি শ্বেয়াৰ কৰে হয়। ইয়াৰ মাজৰে বহুজন কিন্তু জাতীয় কৃষ্টি, সংস্কৃতি আদিৰ সৈতেও একান্ত হৈ থাকে। সময়ৰ লগে-লগে যুৱক-যুৱতী সকলৰ চিন্তাধাৰা, মানসিকতাৰ পৰিৱৰ্তন ঘটিছে। আজিৰ যুৱক-যুৱতী সকলৰ বহু সংখ্যকেই দায়িত্বশীল, বিচক্ষণ, সচেতন আৰু উন্নত মানসিকতাৰ তথা মানৱীয় গুণসম্পন্ন। তেওঁলোকৰ এই প্ৰেৰণাদায়ক, আদৰণীয়, আদৰ্শনীয় কাম সমূহৰ আভাস বা প্ৰমাণ সামাজিক মাধ্যমতেই পোৱা যায়। বহু সময়ত এই কাম সমূহ নিজে সামাজিক মাধ্যমত প্ৰচাৰ নকৰিলেও তেওঁলোকৰ সতীৰ্থ বা বন্ধু বৰ্গই এই শলাগ ল'বলগীয়া কাম সমূহ ৰাইজৰ মাজলৈ প্ৰেৰণ কৰে। সামাজিক মাধ্যমত সক্ৰিয় হৈ থাকিলে বুলিয়ে আমি তেওঁলোকৰ প্ৰতি বেয়া মত পোষণ কৰা উচিত নহয়।

উঠি অহা প্ৰজন্মৰ ম'বাইল প্ৰীতি বা সামাজিক মাধ্যমত অত্যধিক জড়িত কৰণ কাৰ্য মুঠেই সন্তোষজনক নহয়। এই কথা অনস্বীকাৰ্য যে বহু ছাত্ৰ-ছাত্ৰীয়ে যি দৰে সামাজিক মাধ্যম ব্যৱহাৰৰ কৌশল বা প্ৰয়োগৰ ক্ষেত্ৰত সচেতন হৈছে আন একাংশই আকৌ জীৱনৰ আটাইতকৈ মূল্যৱান সময়খিনিতেই ইলেক্ট্ৰনিক মাধ্যম সমূহৰ লগত অত্যধিক ভাৱে জড়িত হৈ, অধিক সময় জড়িত হৈ সময়ৰ অপব্যৱহাৰ কৰিছে। মূল্যবোধ তথা গভীৰতাৰ কথা চিন্তা নকৰি খন্তেকীয়া লাহ-বিলাহত সময় অপচয় কৰিছে বা কৰিবলৈ লৈছে। এই সকল ছাত্ৰ-ছাত্ৰী বা যুৱক -যুৱতীৰ জীৱন সম্পৰ্কে কোনো উপলব্ধি নাই। কেৱল মাত্ৰ ৰং-চঙীয়া সপোনবোৰৰ মাজতে তেওঁলোক ব্যস্ত। য'ত কোনো উজ্জ্বল ভৱিষ্যত গঢ়াৰ সপোন নাই।

অত্যধিক সামাজিক মাধ্যমৰ ব্যৱহাৰৰ ফলত নৱপ্ৰজন্মৰ কিন্তু বহু ক্ষতি হৈছে। অত্যধিক ভাৱে সামাজিক মাধ্যমত ব্যস্ত হৈ থকাৰ ফলত তেওঁলোকৰ মাজত উদ্বেগজনক ভাৱে গ্ৰন্থ অধ্যয়নৰ প্ৰতি চূড়ান্ত অৱহেলা ভাৱ গঢ় লৈ উঠিছে। গ্ৰন্থ অধ্যয়নৰ প্ৰতি ৰাপ বা আকৰ্ষণ নোহোৱাৰ বাবেই আজিৰ প্ৰজন্মই গভীৰ জ্ঞান লাভ কৰাৰ বিপৰীতে লাভ কৰিছে কিছুমান বজৰুৱা উপৰুৱা জ্ঞান। শিক্ষাৰ্থী সকল গ্ৰন্থ জগতৰ প্ৰতি আগ্ৰহহীন হোৱা, গ্ৰন্থ জগতৰ পৰা আঁতৰি যোৱাটো এক অশুভ লক্ষণ আৰু সমগ্ৰ ছাত্ৰ সমাজৰ বাবেই ই এক উদ্বেগৰ বিষয়।

সামাজিক মাধ্যমত প্ৰয়োজনতকৈ অধিক সময় ব্যস্ত থকাৰ বাবেই একাংশ যুৱক-যুৱতী শাৰীৰিক শ্ৰম বিমুখ হৈ পৰা পৰিলক্ষিত হৈছে। অত্যাধিক সামাজিক মাধ্যমৰ ব্যৱহাৰে তেওঁলোকক নিঃসংগ আৰু সামাজিক ভাৱে বিচ্ছিন্ন কৰি তুলিছে। শৈক্ষিক কাম-কাজ, ব্যক্তিগত চখ বা বাস্তৱ জগতৰ পাৰস্পৰিক ক্ৰিয়া -কলাপত যথোচিত মনোযোগ দিয়াৰ ক্ষেত্ৰত ব্যৰ্থ হয়। তেওঁলোক উৎপাদনশীল বা উৎপাদনমুখী কামৰ পৰা আঁতৰি গৈ থাকে। উঠি অহা প্ৰজন্মৰ এনে মানসিকতা এখন সমাজ, দেশ বা ব্যক্তিগত ক্ষেত্ৰতো কোনো ফালে মংগল জনক বুলি ক'ব নোৱাৰি। সামাজিকভাৱে অনাকাংক্ষিত, অগ্ৰহণযোগ্য বহু স্থিৰ চিত্ৰ, চলন্ত চিত্ৰ সামাজিক মাধ্যমত আজি-কালি বিশেষ ভাৱে সুলভ বুলি ক'ব পাৰি। কম বয়সতে এই সমূহ চাবলৈ পোৱা বাবে যুৱ সমাজৰ একাংশ ইয়াৰ প্ৰতি অধিক আকৰ্ষিত হৈছে আৰু অবাটে বাট বুলিছে। যাৰ ফলত যুৱক সমাজৰ বহুতেই বিপথগামী হ'বলৈ, অসামাজিক কাৰ্য কৰিবলৈ বিশেষ ভাৱে প্ৰৰোচিত হোৱা দেখা গৈছে।

চাইবাৰ ক্ৰাইমৰ দৰে যেনে- বেংক হৰলুকী, চাইবাৰ উৎপীড়ন, ব্যক্তিগত তথ্য আহৰণ, যৌনতাৰ পয়োভৰ আদিৰ প্ৰসাৰ আৰু প্ৰচাৰত সামাজিক মাধ্যমে বিশেষ অৰিহণা যোগাইছে। যিয়ে সমাজত বিৰূপ তথা নকাৰাত্মক প্ৰভাৱ পেলাইছে। এই সমূহৰ দ্বাৰা আজিৰ প্ৰজন্ম বিশেষভাৱে ক্ষতিগ্ৰস্ত হৈছে। সামাজিক মাধ্যমৰ অত্যধিক ব্যৱহাৰে যুৱ প্ৰজন্মৰ মানসিক দিশৰ ওপৰতো বিশেষ প্ৰভাৱ পেলোৱা পৰিলক্ষিত হৈছে। সামাজিক মাধ্যমত অধিক সক্ৰিয় হৈ থকাৰ ফলত যুৱ প্ৰজন্মৰ সুস্থ মানসিকতাত বিভিন্ন পৰিৱৰ্তন আহিছে। যি সকল কিশোৰ-কিশোৰীয়ে সামাজিক মাধ্যম অত্যধিক ব্যৱহাৰ কৰে তেওঁলোকে বাস্তৱ জীৱনত আমনি পোৱা পৰিলক্ষিত হয়। তেওঁলোক হতাশা, উদ্বেগ আৰু একাকিত্বৰ দৰে মানসিক সমস্যাৰ কৱলত সহজে আক্ৰান্ত হয়। মানসিক সন্তুলন হেৰুৱাই পেলোৱাৰ বাবে নিজকে নিঃশেষ কৰিবলৈও কুণ্ঠাবোধ নকৰা হৈছে। টোপনিত ব্যাঘাত জন্মা, খাদ্যাভাসৰ পৰিৱৰ্তন, দৈনন্দিন ব্যক্তিগত কাৰ্যকলাপৰ প্ৰতি অনীহাৰ সৃষ্টি কৰিছে সামাজিক মাধ্যমৰ অপৰিমিত ব্যৱহাৰে। গুৰুত্বপূৰ্ণ কামত পলম কৰি সামাজিক মাধ্যম ব্যৱহাৰত অধিক মনোনিৱেশ কৰাৰ অভ্যাস গঢ় লৈ উঠা বাবে স্বাভাৱিক জীৱন ব্যাহত হৈছে। উদ্বেগজনক কথা এয়ে যে সামাজিক জীৱনৰ লগত আজিৰ প্ৰজন্ম এনেদৰে সংপৃক্ত হৈ পৰিছে যে কিবা কাৰণত সামাজিক মাধ্যমৰ পৰা দূৰত থাকিব লগা হ'লে তেওঁলোকে বিৰক্তি অনুভৱ কৰে। অত্যধিক ম'বাইল প্ৰীতি, সামাজিক মাধ্যমৰ প্ৰতি আগ্ৰহী হোৱা বাবে অধ্যয়নৰ প্ৰতি যি অনীহাৰ সৃষ্টি হৈছে ই এক গুৰুত্বৰ সমস্যা হৈ পৰিছে।

সামাজিক মাধ্যম সমূহ বহু সময়ত সামাজিক সুস্থতা বৰ্তাই ৰখাত ব্যৰ্থ হোৱা দেখা যায় বা ব্যৰ্থ হৈছে। সামাজিক মাধ্যম সমূহ ব্যৱহাৰৰ ক্ষেত্ৰত সেয়ে সকলোৱে সতৰ্ক হোৱা উচিত। দেশৰ যুৱ প্ৰজন্ম সামাজিক মাধ্যমৰ প্ৰতি অত্যধিক আকৰ্ষিত হোৱাটো মুঠেই শুভ লক্ষণ নহয়। নিজৰ জীৱন, নিজৰ ভৱিষ্যত গঢ়াৰ সময়ত সামাজিক মাধ্যমত অধিক সময় ব্যয় কৰা মানে নিজৰ ধ্বংস নিজেই মাতি অনাৰ দৰে হ'ব। সামাজিক মাধ্যম সঠিক সময়ত ব্যৱহাৰ কৰাটো বেয়া নহয়। কিন্তু এই ক্ষেত্ৰত নিজেই সচেতন হ'ব লাগিব।

কোনো এটা বস্তু ব্যৱহাৰৰ ওপৰত বস্তুটোৰ গুণাগুণ বহু পৰিমাণে নিৰ্ভৰ কৰে। সামাজিক মাধ্যমৰ ক্ষেত্ৰতো সেই কথাখিনি প্ৰযোজ্য। হয়, বৰ্তমান সময়ত প্ৰায় সকলো লোকেই সামাজিক মাধ্যমৰ লগত জড়িত। কিয়নো ই যোগাযোগৰ এক অন্যতম মাধ্যম ৰূপে পৰিগণিত হৈছে। ভাৱৰ আদান -প্ৰদানৰ বাবে, আত্মপ্ৰকাশৰ বাবে ইয়াৰ ব্যৱহাৰ কৰিবই লাগিব। যদিহে আমি এই মাধ্যম সমূহ ব্যৱহাৰৰ ক্ষেত্ৰত সতৰ্ক হওঁ, ইয়াৰ পৰা বাছি থকাৰ কৌশল সমূহ আয়ত্ত কৰি ল'ব পাৰো তথা যদিহে আমি এই সমূহ ৰুচি পূৰ্ণ ভাৱে সু-প্ৰয়োগ কৰিবলৈ শিকো তেন্তে ইয়াৰ পৰা আমি অপৰিসীম ৰূপত লাভান্বিত হ'ব পাৰিম। অন্যথা ইয়াৰ বিপৰীতে যদিহে আমি সুবিধাটো আছে বুলিয়েই বা সুবিধাটো পালো বুলিয়েই হোৱাই -নোহোৱাই, সময় -অসময় নাই অযুক্তিকৰ ভাৱে ইয়াৰ ব্যৱহাৰ কৰো তেন্তে তাৰ পৰা হ'ব পৰা লোকচান আৰু কু-ফল সমূহো আমি ভোগ কৰিবলৈ সাজু থাকিব লাগিব। উঠি অহা প্ৰজন্ম সেয়ে এই বিষয়ত সজাগ -সচেতন হোৱা উচিত। অভিভাৱক সকলো এই ক্ষেত্ৰত সচেতন হোৱা উচিত। সামাজিক মাধ্যমৰ প্ৰভাৱৰ বিষয়ে উঠি অহা প্ৰজন্মক ভালদৰে বুজাই দিয়া উচিত। তেতিয়া অন্ততঃ উঠি অহা প্ৰজন্ম ধ্বংস হোৱাৰ পৰা ৰক্ষা পৰিব।

---

# পৰিষদীয় নিৰ্বাচন ঃ গণতন্ত্ৰৰ শুদ্ধতা নে ৰাজনীতিৰ অপব্যৱহাৰ ?

### অৰূপ বড়ো

'পৰিষদীয় নিৰ্বাচনসমূহত বিধানসভা অথবা লোকসভাৰ দৰে ধনশক্তি, জনশক্তি আৰু বাহুবলৰ প্ৰাদুৰ্ভাৱ দেখা গৈছে। এই ক্ষেত্ৰত মই বিপক্ষে মতামত কব বিচাৰোঁ যে পৰিষদীয় নিৰ্বাচনসমূহত আজিৰ দিনত ধনশক্তি, জনশক্তি আৰু বাহুবলৰ প্ৰভাৱ বৃদ্ধি পাইছে বুলি যে অভিযোগ উঠিছে, সেয়া যথেষ্ট গম্ভীৰ। কিন্তু ইয়াক কেৱল পৰিষদীয় প্ৰক্ৰিয়াৰ দোষ বুলি ধৰা একেবাৰে সাঠক নহয়। বাস্তৱতঃ এই সমস্যা সমগ্ৰ ভাৰতীয় গণতান্ত্ৰিক ব্যৱস্থাৰ এটা জটিল দিশ। বিধানসভা, লোকসভা বা পঞ্চায়ত— যিকোনো স্তৰৰ নিৰ্বাচনত এই ধৰণৰ অপব্যৱহাৰ দৃষ্টিগোচৰ হয়। সেইবাবে পৰিষদক লক্ষ্য কৰি ইয়াক ব্যৰ্থ বুলি জনাবলৈ গ'লে গণতন্ত্ৰৰ মৌলিক শক্তিকেই অৱমূল্যায়ন কৰা হয়।

পৰিষদৰ লক্ষ্য হৈছে জনগণৰ প্ৰকৃত সমস্যাবোৰ আলোচনা, স্থানীয় পৰ্যায়ত সিদ্ধান্ত গ্ৰহণ আৰু শাসনত জনগণৰ অংশীদাৰিত্ব নিশ্চিত কৰা। অনিয়ম আৰু দুৰ্নীতি থাকিলেও ইয়াৰ মূল উদ্দেশ্য অস্বীকাৰ কৰা নাযায়। ওলোটা ইয়াক অধিক সক্ৰিয় আৰু শুদ্ধ কৰিবলৈ সামাজিক সজাগতা, নিৰ্বাচনী নীতি সংস্কাৰ আৰু স্বচ্ছ প্ৰশাসন প্ৰয়োজন। কেতিয়াও এটা ব্যৱস্থাত অপব্যৱহাৰ দেখা দিছে বুলি সেই ব্যৱস্থা বাতিল কৰিব নোৱাৰি। সেয়ে, পৰিষদীয় কাঠামোক নষ্ট বা দুৰ্বল বুলি ধৰা যুক্তিসংগত নহয়। সমস্যা ব্যৱস্থাত নহয়, সমস্যা হ'ল ব্যৱস্থাপনা আৰু প্ৰয়োগত। সঠিক সংস্কাৰ আৰু জবাবদিহিতা আনিব পাৰিলে পৰিষদীয় ব্যৱস্থা গাঁও-চহৰৰ জনগণৰ বাবে এক শক্তিশালী গণতান্ত্ৰিক মঞ্চ হৈ উঠিব। আনহাতে সপক্ষে কবলৈ গলে পৰিষদীয় নিৰ্বাচনসমূহ গণতান্ত্ৰিক ব্যৱস্থাৰ মূল স্তৰ বুলি কোৱা হলেও আজিৰ পৰিস্থিতিত ইয়াৰ উদ্দেশ্য অস্পষ্ট বা ফিকা হৈ পৰিছে। এক সময়ত পৰিষদক জনমুখী পৰামৰ্শমূলক আৰু স্থানীয় সমস্যা সমাধানৰ প্লেটফৰ্ম হিচাপে ধৰা হৈছিল। কিন্তু বৰ্তমান বাস্তৱ ছবি ভিন্ন। বিধানসভা আৰু লোকসভাৰ দৰে ধনশক্তি, জনশক্তি আৰু বাহুবলৰ অপব্যৱহাৰ এই পৰ্যায়তো ব্যাপকভাৱে দেখা গৈছে। কোটি কোটি টকা খৰচ কৰি নিৰ্বাচনী প্ৰচাৰ, প্ৰতিদ্বন্দ্বীক ভয়-ভীতিৰে নীৰস্ত্ৰ কৰা, ভোটাৰক প্ৰভাৱিত কৰাৰ ঘটনা সাধাৰণ বিষয় হৈ পৰিছে। ফলত, গাঁও-চহৰৰ উন্নয়ন, শিক্ষা, স্বাস্থ্য বা পঞ্চায়তীয় সমস্যা সমাধানৰ বদলে, ব্যক্তিগত স্বাৰ্থ, দলীয় প্ৰভাৱ আৰু ধনৰাজনীতি শাসন কৰিছে। পৰিষদ গঠন হোৱাৰ পাছতো নিয়মভংগ, অনিয়ম আৰু দুৰ্নীতি সাধাৰণ হৈ পৰিছে। প্ৰকৃত সমস্যাৰ পৰা নজৰ আঁতৰাই ক্ষমতা সংগ্ৰহই মুখ্য লক্ষ্য হৈ পৰিছে। এইবোৰ কাৰণেই পৰিষদীয় কাঠামো অতি সোনকালে দুৰ্বল হ'বলৈ ধৰিছে আৰু মূল উদ্দেশ্য পূৰ্ণ ব্যৰ্থ হৈছে। গণতন্ত্ৰৰ মূলে স্বচ্ছতা আৰু জবাবদিহিতা থাকিব লাগিলেও বৰ্তমানৰ পৰিষদীয় প্ৰক্ৰিয়া সেই বিশ্বাসক ধ্বংস কৰি চলিছে। সেয়ে এই অভিযোগক সপক্ষে ধৰা বেছি যুক্তিসংগত।

---

# বৰ্তমান সময়ৰ নৱপ্ৰজন্ম আৰু ছ'চিয়েল মিডিয়া




### বেনুৰাম ৰাভা

মানুহে সদায় নোপোৱাটো পাবলৈ, নজনাটো জানিবলৈ আগ্ৰহ প্ৰকাশ কৰে। এই যে নোপোৱাটো পাবলৈ, নজনাটো জানিবলৈয়ে মানুহক কৰ্মস্থ আৰু ব্যক্তিব্যস্ত কৰি ৰাখে। যাৰ ফলত মানুহে সৰ্বোত্ত উজাৰি হ'লেও নোপোৱাটো পাবলৈ, নজনাটো জানিবৰ বাবে ৰেডিঅ'- টিভি,প্ৰিন্ট মিডিয়া,বাতৰি কাকত বা বৰ্তমান সময়ত বহুলভাৱে ব্যৱহৃত ম'বাইল ফোনৰ ব্যৱহাৰ কৰা দেখা যায়। টিভি - ৰেডিঅ', বাতৰি কাকত কৈ আমাৰ দৈনন্দিন জীৱনত আমি আটাইতকৈ বেছি ব্যৱহাৰ কৰোঁ ম'বাইল ফোনটো। এই ম'বাইল ফোনে আমাক টোপনি যোৱাৰ সময়খিনিৰ বাদ দি বাকী ২৪ ঘন্টাই আমি হাতত লৈ ঘুৰু। ৰাতিপুৱাৰ পৰা ৰাতি শুৱালৈকে শিশুৰ পৰা আৰম্ভ কৰি বৃদ্ধাবয়সলৈকে ম'বাইলত ফেচবুক,ইউটুব,ৱাটছপ, ইষ্টাগ্ৰামত এখনকৈ চিনেমা নাচালে হেনো মনত শান্তিয়ে নাপাও। আজিকালি শিশুসকলোৱে আগৰ দিনৰ সেই নিচুকনি গীতৰ পৰিৱৰ্তে এতিয়া হেনো ম'বাইলত গান বজাই বা চিনেমা এখন দেখুৱাই হে শুৱাব পাৰি। সম্প্ৰতি বিদ্যালয় - মহাবিদ্যালয়সমূহেও অনলাইন ক্লাচ বা অনলাইন পৰীক্ষাৰ নামত চচিয়েল মিডিয়াৰ ব্যয়াপোকভাৱে ব্যৱহাৰ কৰা দেখা যায়। যাৰ ফলত উঠি অহা প্ৰত্যেক গৰাকী যুৱক-যুৱতীবিলাকৰ হাতে হাতে ম'বাইল লোৱা দেখা যায়। মাক-দেউতাকৰ পৰা আগৰ পৰাই ম'বাইল বিচাৰি এওাঁয় থকা ল'ৰা ছোৱালীবিলাকৰ বাবে অনলাইন ক্লাচ বা অনলাইন পৰীক্ষাৰ বাহানা কৰি ম'বাইল বিচাৰিব আৰু দুগুণ উৎসাহহে পালে। এই সুযোগতে কিছুমান ল'ৰা ছোৱালীয়ে অনলাইন ক্লাচ কৰা বাহানা কৰি ম'বাইলত ক্লাচৰ পৰিবৰ্তে গেম খেলাৰ পৰা আৰম্ভ কৰি অনৈতিক কাৰ্যৰ সৈতে জড়িত হৈ পৰে।

ৰাতিপুৱাৰ পৰা আৰম্ভ কৰি ৰাতি শুৱালৈকে আমি বিজ্ঞানৰ বিভিন্ন বস্তুৰ ব্যৱহাৰ কৰাৰ লগতে ছ'চিয়েল মিডিয়া সৈতেও ওতপ্ৰোতভাৱে জড়িত হৈ পৰো। আজিৰ দিনত আমি বিজ্ঞান আৰু ছ'চিয়েল মিডিয়াক বাদ দি এক ছেকেণ্ড থাকিব নোৱাৰা হৈছোঁ। চচিয়েল মিডিয়াই আমাক জ্ঞানৰো যোগান ধৰিব পাৰি, মৃত্যু মুখলৈও ঠেলি দিব পাৰি। সেয়েহে আমি ভালক আহৰণ কৰি বেয়া গুনক উলিয়াই দিব লাগে। অভিভাৱকে ল'ৰা-ছোৱালীবিলাকক ম'বাইল দি ম'বাইলক সঠিক ভাৱে ব্যৱহাৰ কৰিছে নে নাই এই বিষয়ত প্ৰত্যেক গৰাকী অভিভাৱকে নজৰ ৰখাটো দায়িত্ব ও কৰ্তব্য। কাম যিয়ে নকৰক অভিভাৱকে নিজৰ ল'ৰা-ছোৱালীৰ খা খবৰ ৰাখিব লাগে, ল'ৰা-ছোৱালীয়ে সময়মতে পঢ়া-শুনা কৰিছে নে নাই, কি খাইছে, কি কৰিছে, স্কুল-কলেজত যায় ক্লাচ কৰিছে নে স্কুল, কলেজ যোৱাৰ অজুহাত দেখুওৱা প্ৰেমিকৰ সৈতে অইণ্য ঠাইলৈ ঘুৰিব গৈছে ইত্যাদি ইত্যাদি ........?

বিজ্ঞান আৰু ছচিয়েল মিডিয়াই মানুহৰ হাতৰ কাম নোহোৱা কৰি মানুহক কৰ্মহীন, কৃতিত্বহীন কৰাৰ দৰে চচিয়েল মিডিয়াও মানুহক বেয়া কৰ্মলৈ আঙুলিয়াই দি মৃত্যুমুখলৈও ঠেলি দিব পাৰে। সেয়েহে ছ'চিয়েল মিডিয়া আৰু বিজ্ঞানক মানুহে ধ্বংসশীল মাধ্যম হিচাপে ব্যৱহাৰ নকৰি জ্ঞান আহৰণৰ মাধ্যম আৰু দিক দৰ্শণৰ আহিলা হওক।

---

## ন্যায়ৰ আশাৰে একলম...

# বৰ ঘৰৰ ভেটি লৰক ফৰক




### ডিম্বেশ্বৰ শৰণীয়া

অসমবাসীয়ে কাহানিও কল্পনা নকৰা অনাকাংক্ষিত ঘটনাটো ঘটি গ'ল। লগে লগে অসম শোকস্তব্ধ ম্ৰিয়মাণ। প্ৰাণৰ শিল্পী গৰাকীক জীৱনকালত এবাৰ লগ পাবলৈ মানুহৰ হেতা ওপৰা যেনেকৈ লাগিছিল তাতোকৈ বহু বেছি গুণে ৰাইজ ওলাই আহিল প্ৰাণৰ শিল্পী গৰাকীক শেষবাৰৰ কাৰণে এবাৰ কাষৰপৰা চোৱাৰ হেঁপাহেৰে আৰু বহু সংখ্যকে নিজ নিজ অঞ্চলতে সমদল উলিয়াই বা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান পাতি সমবেদনা প্ৰকাশ কৰিলে। আৰু অসমৰ মাননিয় মুখ্যমন্ত্ৰী গৰাকীয়ে নিজে দিল্লীলৈ গৈ তৎপৰতাৰে জুবিন গাৰ্গৰ নিঠৰ শৰীৰ অসমলৈ লৈ আহিল। ৰাইজৰ বিপুল দাবীত চৰকাৰে শিল্পীগৰাকীৰ দ্বিতীয়বাৰৰ কাৰণে Postmortem কৰালে। আৰু অসমৰ মুখ্যমন্ত্ৰী গৰাকী নিজে জুবীনৰ শৰীৰ সৎকাৰ কৰাৰপৰা সকলো যাৱতীয় কামত ৰাইজৰ স'তে সহোযোগীতাও আগবঢ়ালে। আৰু জুবিনৰ এনে আকস্মিক বিয়োগৰ স'তে নাম সাঙোৰখালে জুবিনৰ মেনেজাৰৰ লগতে লগত যোৱা কেইগৰাকীমানৰ। এইখিনলৈ বাৰু ঠিকেই আছিল পিচত যেতিয়া সেইসকলৰ স'তে অসমৰ এগৰাকী বিখ্যাত ব্যৱসায়ীৰ নাম সাঙোৰ খাই পৰিল তেতিয়াহে যেন কেণাটো লাগিল। বিখ্যাত বুলি এই কাৰণেই কৈছো যে সময়ে সময়ে মানুহজনে অসমৰ প্ৰায়কেইটা টিভি চেনেলতে অংশগ্ৰহণ কৰি ব্যৱসাই বাণিজ্যৰ লগতে কৃষ্টি-সংস্কৃতি সম্পৰ্কে যিহে মোহলগা ভাষণ আৰম্ভ কৰি দিয়ে সেইবোৰ দেখি শুনি আমাৰদৰে সৰু মানুহবোৰে বিখ্যাত বুলি নাভাবি কেনেকৈ পাৰো! লগতে দেখিছো যিগৰাকী মুখ্যমন্ত্ৰীয়ে জুবিনৰ এই মৃত্যুৰ কথা সহজভাৱে নলয় ৰাইজে কোৱা ধৰণে এয়া হত্যাকাণ্ড বুলি নিজ মুখে স্বীকাৰো কৰিছে।

এতিয়া কথা হ'ল এই হত্যাকাণ্ডৰ স'তে জড়িত মূল অভিযুক্ত ব্যক্তিগৰকীৰ এগৰাকীয়ে ফেচবুকত লাইভ আহি নিজৰ চাফাই গাইছে আৰু আন এগৰাকীয়ে নিজৰ নিৰাপত্তাৰ সুৰক্ষা বিচাৰি চিঠি লিখিছে। আৰু আমাৰ মুখ্যমন্ত্ৰী গৰাকীয়ে এইসকল অভিযুক্তই ক'ত আছে বা কৰপৰা এইবোৰ কৰি থকাৰ ইমান সুৰুঙা পোৱাৰ পিচতো ৰাইজে বিচৰা ধৰণে টানি চোচৰাই অনাৰ সলনি নিজে আহি হাজিৰ হোৱাৰ বাবে দুৰ্গাপূজা শেষ হোৱালৈ অৰ্থাত ৬ অক্টোবৰলৈ সময় বান্ধি দিছে। এনেকৈ সময় দিয়া হৈছে যে অভিযুক্ত কেইগৰাকীয়ে নিজকে বচাবৰ কাৰণে কৰিব পৰাকৈ কিবা আধৰুৱা প্ৰক্ৰিয়া আছে সেইখিনি এই কেইদিনতে সম্পূৰ্ণ কৰি লওক! অৰ্থাত সাপো মৰক লাঠিও নাভাগক। বা: মুখ্যমন্ত্ৰী মহোদয় বা: আপোনাৰ ন্যায় ব্যৱস্থা। এই খিনিটো এইখিনিয়েই আৰু মূল বিষয়টো তল পেলাবৰ কাৰণে বা সাম কটাবৰ কাৰণে marketot ইতিমধ্যে কেইবাটাও নতুন বিষয় বস্তু মেলি দিয়া হলেই। আচলতে মুখ্যমন্ত্ৰী গৰাকীয়েও যেন কৰবাত থমকি ৰ'ব লগা হৈছে। কাৰণ কেঁচু খান্দোতে যদি সাপ ওলাই সেই ভাবি।

## বিটিচিৰ শৰাইবিল সমষ্টিৰ পৰা নিৰ্বাচিত বিপিএফৰ পাৰিষদ মৃত্যুঞ্জয় নাৰ্জাৰীক বিপুল সম্বৰ্ধনা



**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৪ অক্টোবৰ ঃ** সদ্য অনুষ্ঠিত বিটিচি নিৰ্বাচনত গোসাঁইগাঁও মহকুমাৰ ৫ নম্বৰ শৰাইবিল সমষ্টিৰ পৰা বিপিএফৰ নিৰ্বাচিত পাৰিষদ মৃত্যুঞ্জয় নাৰ্জাৰীক আজি বিপিএফৰ শৰাইবিল ব্লক কমিটীৰ উদ্যোগত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই উপলক্ষে গোসাঁইগাঁও সদৰ চহৰৰ টি পি ৰোডত থকা ব্লক কমিটীৰ কাৰ্যালয়ত বিপিএফৰ গোসাঁইগাঁও জিলা কমিটীৰ সভাপতি শোভাৰাম বসুমতাৰীৰ পৰিচালনাত অনুষ্ঠিত সভাত নৱনিৰ্বাচিত পাৰিষদ গৰাকীক দলৰ বিভিন্ন স্তৰৰ নেতা কৰ্মী সকলে আৰণাই, ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। শৰাইবিল ব্লক কমিটীৰ অধীনত থকা ১৬খন প্ৰাইমাৰী কমিটীৰ কৰ্মকৰ্তাৰ লগতে বিভিন্ন দল সংগঠনৰ নেতৃবৃন্দই একেৰাহে শৰাইবিল সমষ্টিৰ পৰা দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হোৱা পাৰিষদ মৃত্যুঞ্জয় নাৰ্জাৰীক সম্বৰ্ধনা জনাই তেওঁৰ নেতৃত্বত শৰাইবিল সমষ্টিৰ প্ৰভুত উন্নতি হব বুলি আশা প্ৰকাশ কৰে। দলীয় নেতা-কৰ্মীৰ পৰা সম্বৰ্ধিত হৈ নাৰ্জাৰীয়ে আবেগিক হৈ পৰে। তেওঁ দলৰ সকলো স্তৰৰ নেতা-কৰ্মীৰ অক্লান্ত পৰিশ্ৰমৰ ফলতেই শৰাইবিল সমষ্টিত বিপিএফৰ জয়লাভ সম্ভৱ হোৱা বুলি কয়। বিৰোধীৰ ধনবল বাহুবলক প্ৰত্যাহ্বান জনাই শৰাইবিল সমষ্টিৰ ৰাইজ বিপিএফ দলৰ পক্ষত ভোটদান কৰাত সমষ্টিবাসী ৰাইজৰ প্ৰতি তেওঁ কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ দলে দিয়া প্ৰতিশ্ৰুতি আখৰে আখৰে পালন কৰিব বুলিও সংবাদ মাধ্যমৰ আগত প্ৰতিশ্ৰুতি দিয়ে। নিৰ্বাচনৰ সময়ত আমাৰ দলৰ লগত বিৰোধীৰ কিছু মনোমালিন্য হৈছিল কিন্তু এতিয়া আমাৰ লগত কাৰো কোনো মনোমালিন্য নাই। আমি শৰাইবিল সমষ্টিৰ প্ৰতিনিধি হৈ সকলোকে সম দৃষ্টিত দেখিম আৰু উন্নয়নৰ কাম কৰি যাম। শান্তিৰ পৰিৱেশ অটুট ৰখাৰ বাবে আৰু বিটিচিৰ উন্নয়নৰ বাবে সকলোৰেই সহায় সহযোগ কামনা কৰে নৱ নিৰ্বাচিত পাৰিষদ গৰাকীয়ে। উক্ত সভাত বিপিএফৰ শৰাইবিল সমষ্টিৰ শীৰ্ষ নেতৃত্বৰ লগতে দলৰ কেন্দ্ৰীয় আৰু জিলা পৰ্যায়ৰ একাধিক নেতা-নেত্ৰী উপস্থিত আছিল।

### মাজনিশা প্ৰায় ৯০ টাকৈ ঘৰত নগা দুৰ্বৃত্তৰ অগ্নিসংযোগ

## সৰুপথাৰৰ অসম-নাগালেণ্ড সীমান্তত উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, ধনশিৰি, ৪ অক্টোবৰ ঃ** অসম নাগালেণ্ড সীমান্তৰ বি চেক্টৰৰ টেঙাতল পঞ্চমুখী গাঁও অঞ্চলত জ্বলি উঠিল প্ৰায় ৯০টাকৈ ঘৰ। বৃহস্পতিবাৰে মাজনিশা হঠাৎ অসামৰিক পোছাক পৰিধান কৰি অহা দুৰ্বৃত্তই ইটোৰ পিছত সিটো বাসগৃহত অগ্নিসংযোগ কৰে। সংখ্যালঘু মিঞা অধ্যুষিত গাওঁখনক সম্পূৰ্ণৰূপে জ্বলাই দিয়ে নগা দুৰ্বৃত্তই। ঘটনা সংঘটিত কৰাৰ পৰা প্ৰায় এক ঘণ্টা মান সময় প্ৰৱেশ নিষিদ্ধ কৰি ৰখাৰ উপৰি ঘটনাস্থলীলৈ যোৱাত বাধা প্ৰদান কৰে এদল নগা উচ্ছৃংখল যুৱকে। হাতত লাঠী লৈ অসমৰ সংবাদকৰ্মী আৰু স্থানীয় ৰাইজক আগচি ধৰি বিভিন্ন প্ৰশ্ন কৰি ওভতাই পঠোৱাৰো অভিযোগ উঠিছে। সংঘটিত হৈ যোৱা অগ্নিকাণ্ডৰ ফলত অঞ্চলটিৰ



যথেষ্ট সংখ্যক পশুধন, যান-বাহন, ঘৰোৱা সা-সামগ্ৰীৰ লগতে পৰিয়াল সমূহৰ বহুতো যাৱতীয় নথি-পত্ৰ সম্পূৰ্ণৰূপে জুইত জাহ যায়। আনহাতে উক্ত অঞ্চলত নগা দুৰ্বৃত্তই গুলি চালনা আৰু গ্ৰেনেড বিস্ফোৰণ কৰাৰো গুৰুতৰ অভিযোগ উঠিছে। অঞ্চলটোৰ লোকসকলে ধাননি পথাৰ, বাহনি আৰু হাবিত সোমাইহে কথমপি নিজৰ প্ৰাণ ৰক্ষা কৰে বুলি সদৰি কৰিছে। আনহাতে ঘৰ এৰি পলায়ন কৰাৰ সময়চোৱাত কেইবাজনো লোক আহত হয়। ইতিমধ্যে বিষয়টোৰ সন্দৰ্ভত জাঙুৰ খাই উঠিছে সৰুপথাৰ সমজিলাৰ বিভিন্ন দল-সংগঠন। ইফালে উক্ত খবৰ পোহৰলৈ অহাৰ পিছতেই ঘটনাস্থলীত গোলাঘাট জিলাৰ আয়ুক্ত, আৰক্ষী অধীক্ষকক ধৰি বিভিন্ন দল-সংগঠনৰ লোক উপস্থিত হয়। সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনেও ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয় আৰু অসম চৰকাৰ আৰু নগালেণ্ড চৰকাৰৰ উমৈহতীয়া প্ৰচেষ্টাত দুৰ্বৃত্তক চিনাক্ত কৰি তেওঁলোকৰ ওপৰত উচিত ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে। ইফালে ধনশিৰি মহকুমা ছাত্ৰ সন্থাই গোটেই বিষয়টোৰ ওপৰত উচিত তদন্ত কৰি দুৰ্বৃত্তক উপযুক্ত শাস্তি প্ৰদান কৰাৰ লগতে সীমান্ত অঞ্চলত বাস কৰা লোকসকলৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ সৰুপথাৰ সমজিলা আয়ুক্তৰ যোগেদি ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

## দৰং জিলাত গান্ধী জয়ন্তী উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ অক্টোবৰ ঃ** দৰং জিলা প্ৰশাসনৰ উদ্যোগত আজি মঙলদৈত অৱস্থিত গান্ধী স্মৃতি উদ্যানত গান্ধী জয়ন্তী উদযাপন কৰা হয়। এই উপলক্ষে জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতীয়ে আৰু মঙলদৈৰ সমষ্টিৰ বিধায়ক বসন্ত দাসে গান্ধী স্মৃতি উদ্যানখনত থকা গান্ধী বেদীত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি জাতিৰ পিতালৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আজিৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিধায়ক বসন্ত দাসে মহামানৱ মহাত্মা গান্ধীৰ অহিংসা নীতিৰ বিষয়ে কয়। তেওঁ গান্ধী জয়ন্তীৰ দিনা প্ৰত্যেক বিদ্যালয়তে মহাত্মা গান্ধীক স্মৰণ কৰাৰ লগতে ছাত্ৰ- ছাত্ৰীসকলক মহাত্মা গান্ধীৰ আদৰ্শসমূহ জনাবলৈ আহ্বান জনায়। উক্ত অনুষ্ঠানত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি কলাইগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ বসন্ত শইকীয়াই মহামানৱ মহাত্মা গান্ধীৰ অসম ভ্ৰমণৰ বিষয়ে কয় আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰামত তেওঁৰ নেতৃত্বৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। তেওঁ নতুন প্ৰজন্মৰ বাবে এখন সংস্কাৰধৰ্মী সমাজ গঠনৰ কাৰণে মহাত্মা গান্ধীৰ জীৱন আদৰ্শৰ প্ৰাসংগিকতা নিতান্তই প্ৰয়োজন বুলি কয়। আজিৰ অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতীয়ে। অনুষ্ঠানত দৰং জিলা পৰিষদ সভাপতি শেৱালি গোস্বামী, বিশিষ্ট সমাজকৰ্মী নিলীমা দেৱী, মুকুল ডেকা, অৰুণ বৰুৱা, সহকাৰী আয়ুক্ত স্মৃতাশ্ৰী বৰুৱা, চক্ৰ বিষয়া প্ৰাৰ্থ প্ৰতীম বৰুৱা আদি উপস্থিত থাকে। আজি পুৱাৰ ভাগত দৰঙৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰাংগণত থকা মহামানৱ মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতীয়ে জাতিৰ পিতালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আজি গান্ধী জয়ন্তী কাৰ্যসূচীৰ পাতনি মেলা হয় জিলা তথ্য আৰু জনসংযোগ বিভাগৰ কাৰ্যালয়ৰ স্থিৰ অনুভাষ যন্ত্ৰৰ জৰিয়তে পৰিৱেশন কৰা ভজন আৰু ভক্তিমূলক গীতৰে।

## মাকুমত কৰ্তব্যৰত আৰক্ষীৰ ওপৰত আক্ৰমণ উদণ্ড কিশোৰৰ

**অসম বাৰ্তা, মাকুম, ৪ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ আনন্দৰ মাজতে নিশা মাকুম গান্ধী নগৰৰ সমীপত নিচাৰ ৰাগীত মতলীয়া হৈ থকা এদল উদণ্ড কিশোৰৰ অতপালি। নিচাৰ ৰাগীত মতলীয়া হৈ নিজৰে মাজতে কাজিয়া সৃষ্টি হোৱাত মাকুম আৰক্ষী থানাৰ কৰ্তব্যৰত এজন আৰক্ষী কনিষ্ঠবলে কাজিয়া এৰুৱাবলৈ যোৱাত বেয়াকৈ প্ৰহাৰ কৰে উদণ্ড কিশোৰে, যাৰ ফলত গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত হয় কনিষ্ঠবলজন। আঘাতপ্ৰাপ্ত আৰক্ষী কনিষ্ঠবলজনক নিশাই চিকিৎসালয়লৈ প্ৰেৰণ কৰি চিকিৎসা কৰোৱা হয় যদিও অৱস্থা গুৰুতৰ হোৱাত আজি দুপৰীয়া ভাগত পুনৰ চিকিৎসা কৰিবৰ বাবে চিকিৎসালয়লৈ যোৱা হয়। ইপিনে উক্ত ঘটনাৰ লগত জড়িত কেইবাজনো কিশোৰক মাকুম থানাৰ আৰক্ষীয়ে আটক কৰি আটাইকে জেল হাজোতলৈ প্ৰেৰণ কৰে বুলি জানিবলৈ পৰা যায়।

### দুদিনীয়াকৈ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম উৎসৱ পালন, জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

## মহাপুৰুষ মাধৱদেৱ স্থাপিত সৰুহেৰামদো সত্ৰত সত্ৰাধিকাৰ সৰ্বেশ্বৰ মহন্ত অধিকাৰীৰ গ্ৰন্থ উন্মোচন লেখক ভোগেশ্বৰ দাসৰ

**অসম বাৰ্তা, দক্ষিণ কামৰূপ, ৪ অক্টোবৰ ঃ** মহাপুৰুষ মাধৱদেৱ স্থাপিত সুখৰ থান সৰুহেৰামদো সত্ৰৰ সত্ৰাধিকাৰ সৰ্বেশ্বৰ মহন্ত অধিকাৰীৰ গ্ৰন্থ মহাপুৰুষীয়া বাটেৰে বাট বুলি শীৰ্ষক গ্ৰন্থখনি আজি এই সত্ৰৰ প্ৰাংগণত উন্মোচন কৰা হয়। এই উপলক্ষে দক্ষিণ কামৰূপ জিলা সত্ৰ মহাসভাৰ উপ-সভাপতি ভদ্ৰেশ্বৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত এই গ্ৰন্থ উন্মোচনী সভাত গ্ৰন্থখনি উন্মোচন কৰে নৱাৰুণ সাহিত্য সভা আমৰাঙ্গা-বৰিহাটৰ প্ৰাক্তন সম্পাদক তথা এই ৰাইজ গয়ৰহৰ সভাপতি ভোগেশ্বৰ দাসে। সত্ৰাধিকাৰ সৰ্বেশ্বৰ মহন্ত অধিকাৰীৰ এই গ্ৰন্থখনিয়ে মহাপুৰুষ



শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱৰ লগতে সাম্প্ৰতিক কালৰ বিভিন্ন দিশৰ বিষয়ত লিখা গল্প, প্ৰবন্ধ, কবিতা আদিৰে বিষয়ত জ্ঞান দিব বুলি কয়। ভোগেশ্বৰ দাসে লগতে সত্ৰাধিকাৰ তথা অৱসৰপ্ৰাপ্ত শিক্ষক সৰ্বেশ্বৰ মহন্ত অধিকাৰীয়ে দক্ষিণ কামৰূপৰ যাত্ৰা জগতত অভিনেতা হিচাপে আগবঢ়োৱা অৱদানৰ বিষয়ে কয়। এই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰাইজ গয়ৰহৰ প্ৰাক্তন সভাপতি গজেন্দ্ৰজিৎ দাসে। এই উন্মোচনী সভাত লগতে প্ৰাক্তন সভাপতি নৰেন চন্দ্ৰ দাস, প্ৰাক্তন সম্পাদক উপেন্দ্ৰ নাথ দাস, অৱসৰপ্ৰাপ্ত শিক্ষক কমলা কান্ত দাস, প্ৰাক্তন বেহেনিয়াৰ তথা অৱসৰপ্ৰাপ্ত শিক্ষক হৰমোহন দাস, ভকত নাৰায়ণ দাস উপস্থিত থাকি সত্ৰাধিকাৰ মহন্তৰ এই গ্ৰন্থখনিৰ শলাগ লয়। লেখক মহন্তয়ো তেওঁৰ এই গ্ৰন্থখনিয়ে ৰাইজক উপকৃত কৰিব বুলি আশা প্ৰকাশ কৰে। সভাপতিৰ আসনৰ পৰা ভদ্ৰেশ্বৰ দাসে মানুহে বৰ্তমান মহাপুৰুষীয়া বাটেৰে বাট বুলাৰ সলনি অবাটে যোৱাত দুখ প্ৰকাশ কৰে। ইয়াৰ আগেয়ে এই সত্ৰত দুদিনীয়াকৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ সংখ্যক জন্ম উৎসৱৰ আৰম্ভ কৰা হয়। সন্ধিয়া নগৰ সংকীৰ্তন, উষা কীৰ্তন, চাফাই অভিযান, ভাগৱত ভ্ৰমণ কাৰ্যসূচীৰ ৰূপায়ণ কৰা হয়। ধৰ্মধ্বজা উত্তোলন কৰে জ্যেষ্ঠ সদস্য বিপিন দাসে। পিচত জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়।

### নবীন লেখক-লেখিকা সৃষ্টিত গ্ৰাম্য আলোচনীৰ গুৰুত্ব অপৰিসীম ঃ বলোৰাম দাস

## ধমধমাত চেংনৈ আলোচনীৰ শাৰদীয় সংখ্যা উন্মোচন

**অসম বাৰ্তা, বাগানপাৰা, ৪ অক্টোবৰ ঃ** সাহিত্যই এটা জাতিক জীয়াই ৰাখে। যি জাতিৰ সাহিত্য নাই সেই জাতিৰ পৰিচয় চিৰস্থায়ী হৈ নাথাকে। সাহিত্যই জাতি এটাক আগবঢ়াই নি বিশ্বত চিনাকি কৰি দিয়ে। এই সাহিত্য সৃষ্টিত ক্ষুদ্ৰ ক্ষুদ্ৰ আলোচনীৰ ভূমিকা অপৰিসীম। গ্ৰাম্য আলোচনীসমূহে গ্ৰামাঞ্চলত কবি-সাহিত্যিক সৃষ্টিত যথেষ্ট অৰিহণা যোগায় আহিছে। এই আলোচনীৰ জৰিয়তে নতুন চাম লেখক-লেখিকাই সাহিত্য সৃষ্টিত প্ৰেৰণা পাই আহিছে। গতিকে নবীন লেখক-লেখিকা সৃষ্টিত গ্ৰাম্য আলোচনীৰ গুৰুত্ব অপৰিসীম। এই মন্তব্য ধমধমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ বলোৰাম



দাসৰ। আজি ধমধমাৰ ‘চেংনৈ দা ইউনিটি’ গ্ৰুপে প্ৰকাশ কৰি উলিওৱা ‘চেংনৈ দা ডেষ্টিনেচন’ নামৰ আলোচনীখনৰ সপ্তম বছৰৰ শাৰদীয় সংখ্যাটো উন্মোচন কৰি এইদৰে কয়। ‘চেংনৈ দা ইউনিটি’ গ্ৰুপৰ উদ্যোক্তা অংকুৰ কুমাৰ দাসে আঁত ধৰা অনুষ্ঠানটোত ধমধমা আঞ্চলিক দুৰ্গা মন্দিৰ সমিতিৰ সভাপতি ভবেন বৈশ্য, কাৰ্যকৰী সভাপতি হিতেশ কুমাৰ পাটগিৰি আৰু সম্পাদক মাণিক দাস উপস্থিত থকা উন্মোচনী অনুষ্ঠানত লুইত একাডেমী জুনিয়ৰ কলেজৰ সঞ্চালক মনোৰঞ্জন ভাগৱতীয়ে অতিথি হিচাপে অংশগ্ৰহণ কৰি বক্তব্য দাঙি ধৰে। অঞ্চলটোৰ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থকা উন্মোচনী অনুষ্ঠানত ‘চেংনৈ দা ইউনিটি’ গ্ৰুপৰ উপদেষ্টা ইকবাল হুছেইনে শলাগৰ শৰাই আগবঢ়ায়। কবি-ঔপন্যাসিক ৰঞ্জিত পাটগিৰিৰ মুখ্য সম্পাদনাত প্ৰকাশ পোৱা ‘চেংনৈ দা ডেষ্টিনেচন’ আলোচনীখনৰ উন্মোচনী অনুষ্ঠানটো পৰিচালনা কৰে সম্পাদক কুলদীপ গৌতম শৰ্মাই।

### জিলাভিত্তিক দিহানাম প্ৰতিযোগিতা, আলোচনা চক্ৰ, ভাওনা প্ৰদৰ্শন

## বকুলবাৰীত শংকৰদেৱৰ জন্মোৎসৱৰ সামৰণি

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ৪ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ বকুলবাৰীত আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ তম জন্মোৎসৱৰ সামৰণি পৰে। ‘ৰাঘৱ’ আঞ্চলিক সমিতিৰ সৌজন্যত তথা উজনি বকুলবাৰী ৰাইজৰ সহযোগত দুদিনীয়া কাৰ্যসূচীৰে উজনি বকুলবাৰী নামঘৰত জন্মোৎসৱ উদ্‌যাপন কৰা হয়। ২ অক্টোবৰৰ প্ৰথম দিনা গুৰুঘাটেৰে ধৰ্মধ্বজা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি প্ৰবীণ নাথে। তাৰ পিছতে বৰেণ্য শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ভাগৱত ভ্ৰমণ কাৰ্যসূচীৰ পৰিচালনা কৰে শিশুৰাম শইকীয়াই। ইয়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কৃষ্টি আৰু সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত হয় তথা জিলাভিত্তিক দিহানাম প্ৰতিযোগিতা হয়। আজি ‘সাম্প্ৰতিক সমাজত উচ্ছৃংখল যুৱ মানসিকতাৰ বিপৰীতে শংকৰদেৱ গুৰুজনাৰ দৰ্শন আৰু আধ্যাত্মিক মতাদৰ্শনৰ প্ৰাসংগিকতা’ শীৰ্ষক আলোচ্য বিষয়ৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনা চক্ৰৰ উদ্বোধন কৰে প্ৰফুল্ল বৰাই আৰু সভাপতিত্ব কৰে অতুল ভূঞাই। মুখ্য আলোচক হিচাপে উপস্থিত থাকে থেকেৰাগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষক মৃদুল শইকীয়া। আলোচক হিচাপে উপস্থিত থাকে শিক্ষক প্ৰশান্ত শইকীয়া আৰু ভৱানী চেতিয়া। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে কৃতি শিক্ষক সীতাৰাম অধিকাৰী, লক্ষ্মীমাই বৰা শইকীয়া, পদুমণি গাঁও পঞ্চায়তৰ সভাপতি যদু চুতীয়া আদি। নিশালৈ ৰাঘৱ আঞ্চলিক যুৱ সমাজৰ দ্বাৰা ৰত্নাকৰৰ মুক্তিলাভ শীৰ্ষক ভাওনাৰ নাটক প্ৰদৰ্শন কৰা হয়।

## পথালিপাহাৰৰ পিঠাগুৰি মেৰাগাঁও নামঘৰত শংকৰদেৱৰ ৫৭৭তম্ জন্ম মহোৎসৱৰ “ধৰ্মালোচনী সভা”

**অসম বাৰ্তা, বান্দৰদেৱা, ৪ অক্টোবৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ তম জন্ম মহোৎসৱ ভাগী লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী বৃহত্তৰ পথালিপাহাৰ আঞ্চলিক কেন্দ্ৰীয় জন্মোৎসৱ উদযাপন সমিতিয়ে এই বাৰো আঞ্চলিক সমিতিৰ উদ্যোগত অঞ্চলটোৰ ত্ৰিশখন গাঁৱৰ সহযোগত পিঠাগুৰি মেৰাগাঁৱৰ ৰাইজৰ অতিথ্যত ১-৩ অক্টোবৰ তাৰিখলৈ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰে। আজি দ্বিতীয় দিনৰ কাৰ্যসূচীত পুৱা নাম প্ৰসংগ কৰাৰ পাছতে “সেৱা ৰস সাৰ” শীৰ্ষক স্মৃতি গ্ৰন্থ খনি উন্মোচন কৰে উত্তৰ লখিমপুৰ বিশ্ব বিদ্যালয়ৰ অধ্যাপিকা ড° বৰ্ণালী বৰাই। ইয়াৰ পাছতে ধৰ্মালোচনী সভাখনি অনুষ্ঠিত হয়। উক্ত সভাখন শুভ উদ্বোধন কৰে শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সোণাৰাম কলিতাই আৰ সভাপতিৰ আসন গ্ৰহণ কৰে শিয়ালমৰা সত্ৰৰ সত্ৰাধিকাৰ অৰুণ কুমাৰ গোস্বামীয়ে। উক্ত সভাত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰে মাজুলী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামীয়ে। নিৰ্দিষ্ট বক্তা হিচাপে সভাত উপস্থিত থাকি ভাষণ প্ৰদান কৰে প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াই। যুক্তিবাদী যুৱ বক্তা হিচাপে খ্যাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ ত্ৰিদীপ ভাগৱতীয়ে শংকৰদেৱৰ নীতি, আদৰ্শ আৰু দৰ্শনৰ ওপৰত এক বিশেষ আলোকপাত কৰা পৰিলক্ষিত হয়। তদুপৰি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিতি থাকে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ অধ্যক্ষ দেৱানন্দ হাজৰিকা, বিহপুৰীয়া সমষ্টিৰ প্ৰাক্তন বিধায়ক ভূপেন কুমাৰ বৰা, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° ক্ষীৰপদ দত্ত, প্ৰভাত কাকতি আৰু স্থানীয় বিশিষ্ট যুৱ ব্যৱসায়ী নাৰায়ণ ভূঞা(ৰাম) উপস্থিত থাকে।

## নাজিৰা সমজিলা প্ৰশাসনৰ উদ্যোগত মহাত্মা গান্ধীৰ জন্মজয়ন্তী পালন

**অসম বাৰ্তা, নামতি, ৪ অক্টোবৰ ঃ** জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্মজয়ন্তী উপলক্ষে দুই অক্টোবৰ দিনটো সমগ্ৰ ভাৰতবৰ্ষৰ লগতে নাজিৰা সমজিলা প্ৰশাসন আৰু নাজিৰা পৌৰসভাৰ উদ্যোগত নাজিৰা গান্ধী ময়দান প্ৰাংগনত গান্ধী জয়ন্তী উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে নাজিৰা সমজিলাৰ সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰামে গান্ধীৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ লগতে পুষ্পাঞ্জলি অৰ্পন কৰে। ইয়াৰ পিছতে এক সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভাৰ লগতে ৰামধুন পৰিবেশন কৰা হয়। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে আব্দুৰ ৰহমান, প্ৰণৱ সন্দিকৈ, মৌলানা চেহিদুল ইছলাম কাচিনী, কুলদীপ সিং আৰু নৰনাথ কোঁৱৰ। এই অনুষ্ঠানত নাজিৰা সমজিলা প্ৰশাসনৰ সহকাৰী আয়ুক্তদ্বয় অৰুণাভ সোণোৱাল, কল্যাণ জ্যোতি হাজৰিকা, নাজিৰা পৌৰসভাৰ কাৰ্যকৰী বিষয়া দিব্যা সোণাৰৰ লগতে নাজিৰা সমজিলা প্ৰশাসনৰ কৰ্মচাৰী সকল, নাজিৰাৰ সমাজ কৰ্মী সকল আৰু স্থানীয় ৰাইজ উপস্থিত হৈ জাতিৰ পিতা মহাত্মা গান্ধীৰ জীৱন দৰ্শন ওপৰত আলোকপাত কৰি তেখেতৰ অৱদানক স্মৰণ কৰে।

## বাক্সাৰ নবস্তিত শ্ৰীশ্ৰী লক্ষ্মী পূজাৰ আয়োজন

**অসম বাৰ্তা, বাগানপাৰা, ৪ অক্টোবৰ ঃ** বাক্সা জিলাৰ নবস্তিত ৬ অক্টোবৰৰ পৰা ১০ অক্টোবৰলৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৬৪ সংখ্যক নবস্তি বাৰোৱাৰী শ্ৰীশ্ৰী লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। পূজা উদ্‌যাপনৰ উদ্দেশ্যে গিৰীশ তালুকদাৰক সভাপতি আৰু ৰাজেন তালুকদাৰক সম্পাদক হিচাপে লৈ এখন শক্তিশালী পূজা উদযাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ৬ অক্টোবৰত পুৱা নবস্তি বাৰোৱাৰী শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি বসন্ত কুমাৰ ব্ৰহ্মই পতাকা উত্তোলন, পূজা উদযাপন সমিতিৰ সভাপতি গিৰীশ তালুকদাৰে ধৰ্মধ্বজা উত্তোলন, মন্দিৰ পৰিচালনা সমিতিৰ যুটীয়া সম্পাদক ক্ৰমে ৰাজকুমাৰ চেত্ৰী আৰু ৰঞ্জিত কলিতাই বন্তি প্ৰজ্বলন, পূজা উদযাপন সমিতিৰ সম্পাদক ৰাজেন তালুকদাৰে স্মৃতি তৰ্পণ, কাৰ্যকৰী সভাপতি কাশীৰাম বড়ো, সহকাৰী সম্পাদক দিলীপ কুমাৰ মেধিয়ে মাল্যাৰ্পণ কাৰ্য সম্পন্ন কৰিব। ইয়াৰ পিছত বৰিকাদণ্ডা গাঁৱৰ গাঁও প্ৰধান প্ৰদীপ ডেকা, শিমলাবাৰীৰ গাঁও প্ৰধান মনোজ মেধি, খৈৰাণী গাঁৱৰ গাঁও প্ৰধান সদানন্দ দাসে আৰু অদলা গাঁৱৰ গাঁও প্ৰধান বিনয় কুমাৰ বড়োৱে গছপুলি ৰোপণ কৰিব। তামোলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জলেন দৈমাৰীয়ে মঞ্চ উদ্বোধন, প্ৰাক্তন কাৰ্যবাহী সদস্য বনমালী বড়োৱে অতিথিশালা উদ্বোধন কৰিব। আবেলি অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই মূল তোৰণৰ দ্বাৰ উন্মোচন, অসম প্ৰদেশ ভাৰতীয় জনতা পাৰ্টীৰ উপ-সভানেত্ৰী ৰেখাৰাণী দাস বড়োৱে বাণিজ্যিক তোৰণ উন্মোচন কৰিব। সন্ধিয়া ১ নং মধ্য বাক্সা বহুমুখী সমবায় সমিতিৰ সম্পাদক চন্দন কুমাৰ ৰামছিয়াৰীয়ে পূজা মণ্ডপৰ দ্বাৰ উন্মোচনৰ পিছতেই প্ৰতিমা স্থাপন, ওজাপালি, আৰজ, ধৰ্মীয় সংকীৰ্তন পৰিবেশন কৰা হ'ব। ৭ অক্টোবৰত পুৱা আয়তীৰ নাম, আবেলি বিহামজৌ হাঞ্জাৰ নৃত্য প্ৰদৰ্শন, নিশা সৌৰাং ৰিয়া নাইজাৰ দ্বাৰা বড়ো নাট মঞ্চস্থ কৰা হ'ব। ৮ অক্টোবৰত পুৱা আয়তীৰ নাম, আবেলি খেৰাই নৃত্য, নিশা জাহ্নৱী মিনি থিয়েটাৰৰ দ্বাৰা নাট মঞ্চস্থ কৰা হ'ব। ৯ অক্টোবৰত পুৱা আয়তীৰ নাম, আবেলি কোচবিহাৰ পশ্চিমবঙ্গৰ বাউল সংগীত পৰিৱেশন, নিশা সুৱণখাটা গোৰ্খা লোক কলাৰ দ্বাৰা নেপালী কৃষ্টি পৰিবেশন কৰা হ'ব। সামৰণিৰ দিনা পুৱা আয়তীৰ নাম, আবেলি গড় বস্তী বোৱাৰী গ্ৰুপ ডেন্স(আদিবাসী) আৰু নিশা পাঠক উৰ্বশী ৰাজবংশী আৰু তুলিকা হুজুৰী কুমাৰীৰ নাগাৰা নাম পৰিবেশন কৰা হ'ব। লক্ষ্মী পূজাৰ সকলো কাৰ্যসূচীত অঞ্চলবাসী ৰাইজৰ সহায় -সহযোগিতা তথা উপস্থিতি পূজা উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

### লোকাৰণ্য কলহীপাৰৰ দুয়োপাৰ

## গৰৈমাৰীৰ চাম্পুপাৰাত ৰাজ্যিক ভিত্তিত নাওখেল প্ৰতিযোগিতা আৰম্ভ



**অসম বাৰ্তা, গৰৈমাৰী, ৪ অক্টোবৰ ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ চাম্পুপাৰা বজাৰস্থিত কলহী নৈত আজিৰে পৰা দুদিনীয়াকৈ ৰাজ্যিক ভিত্তিত পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা আৰম্ভ হৈছে। জানিব পৰামতে গৰৈমাৰীৰ চাম্পুপাৰা আঞ্চলিক যুৱ সংঘৰ উদ্যোগত অনুষ্ঠিত ৰাজ্যিক ভিত্তিত নাওখেল প্ৰতিযোগিতা ফিতাকাটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে চাম্পুপাৰা বজাৰ সমিতিৰ প্ৰাক্তন সভাপতি খাইৰুল হুছেইনে। চাম্পুপাৰা আঞ্চলিক যুৱ সংঘৰ সভাপতি জয়দৰ আলীৰ সঞ্চালনাত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক তাৰিফুল ইছলামে। নাওখেলৰ উদ্বোধনী অনুষ্ঠানত ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়িক তদন্ত কৰি দোষীক উপযুক্ত শাস্তি বিহিবলৈ চৰকাৰক দাবী জনায়। আনহাতে প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা আল আমিন, মা হাওৱা, সুহানা এ'প্ৰেছ, ৰাজমাতা, বন্দে ভাৰত, ৰাইজৰ আখি, কামৰূপ এ'প্ৰেছ, আলিফ লাইলা, সোণৰ অসমসহ মুঠ ৯খন দলে অংশগ্ৰহণ কৰে। উল্লেখ্য যে দক্ষিন কামৰূপৰ ছমৰীয়া সমষ্টিৰ উপৰি বকো-ছয়গাঁও সমষ্টিৰ লগতে বিভিন্ন প্ৰান্তৰ পৰা হেজাৰ হেজাৰ পুৰুষ-মহিলা, বৃদ্ধৰ সৈতে শিশুসকলে নাওখেলৰ নান্দনিক দৃশ্য উপভোগ কৰিবলৈ চাম্পুপাৰাৰ কলহী নৈৰ দুয়োকাষে ভিৰ কৰা পৰিলক্ষিত হয়।

## দখলা ক'লনীৰ ১০৭ বছৰীয়া মহিলা পৱনবালা দাসৰ পৰলোক

**অসম বাৰ্তা, মিৰ্জা, ৪ অক্টোবৰ ঃ** পলাশবাৰী সমষ্টিৰ দখলা ক'লনীৰ ধৰ্মপৰায়ণ মহিলা পৱনবালা দাসৰ যোৱা ২ অক্টোবৰ সন্ধিয়া সকলোকে শোক সাগৰত পেলাই ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত পৱনবালা দাসৰ বয়স আছিল ১০৭ বছৰ। এগৰাকী ধৰ্মপৰায়ণ, মৃদুভাষী মহিলা হিচাপে অঞ্চলটোৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানত অংশগ্ৰহণ কৰি সকলোৰে মনত সাঁচ বহুৱাবলৈ সক্ষম হৈছিল। শতবৰ্ষ গৰকা মহিলাগৰাকীৰ মৃত্যুত অঞ্চলটো গভীৰ শোকৰ ছাঁ পৰে। অতি অমায়িক আৰু নিৰ্জু প্ৰকৃতিৰ প্ৰয়াত পৱনবালা দাসে মৃত্যুৰ সময়ত বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনী, নাতি জোঁৱাই, পৰিনাতিৰ লগতে আত্মীয় স্বজন এৰি থৈ যায়। মৃত্যুৰ খবৰ পাই প্ৰয়াত মহিলাগৰাকীৰ বাসগৃহত আত্মীয়-কুটুম্ব, গুণমুগ্ধসকলে অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। আজি তেওঁৰ নশ্বৰ দেহ ঢুলীয়া সহিতে এক সমদল কৰি অঞ্চলটো পৰিভ্ৰমণ কৰি দখলা ক'লনীস্থিত ৰাজহুৱা শ্মশানত শেষকৃত সম্পন্ন কৰা হয়।

## মাকুমত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সৰ্বধৰ্মৰে আদ্যশ্ৰাদ্ধৰ বিশাল আয়োজন

**অসম বাৰ্তা, মাকুম, ৪ অক্টোবৰ ঃ** অসমৰ হিয়াৰ আমঠু তথা প্ৰাণৰ কণ্ঠ জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত সমগ্ৰ ৰাজ্যত শোকৰ ছাঁয়ে বিৰাজমান কৰি আছে। ৰাজ্যবাসীয়ে প্ৰিয় শিল্পীজনৰ বিয়োগত বিভিন্ন প্ৰান্তত বিভিন্ন ধৰণেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা পৰিলক্ষিত হৈছে। তাৰ সমান্তৰালভাৱে মাকুম সম জিলা, মাকুম পৌৰসভা, মাকুম বাসী ৰাইজ আৰু দল সংগঠনৰ উদ্যোগত অহা ইংৰাজী ৫ তাৰিখ দেওবাৰে মাকুম ৰজনীকান্ত বৰদলৈ খেলপথাৰত লুইত কণ্ঠ জুবিন গাৰ্গৰ সৰ্ব ধৰ্মৰে কৰা হ'ব আদ্য শ্ৰাদ্ধৰ বিশাল আয়োজন। আদ্যশ্ৰাদ্ধত কৰা হ'ব হিন্দু ধৰ্মৰ গীতা-ভাগৱত পাঠ, ইছলাম ধৰ্মৰ কোৰান পাঠ, শিখ ধৰ্ম গুৰু গ্ৰন্থ চাহিব পাঠ, খ্ৰীষ্টান ধৰ্মৰ বাইবেল পাঠ আৰু বৌদ্ধ ধৰ্মৰ ত্ৰিপিটক পাঠ আৰু লগতে থাকিব গায়ন-বায়ন। আদ্য শ্ৰাদ্ধ খনলৈ যুগুতোৱা হৈছে মাহ প্ৰসাদ আৰু চিৰা, কোমল চাউল, দৈ, গুৰ। আদ্যশ্ৰাদ্ধৰ মাংগলিক কাৰ্যসূচী সম্পন্ন হোৱাৰ পাছতে প্ৰিয় শিল্পী গৰাকীক স্মৰণ কৰি এখনি স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰাৰ লগতে জুবিন গাৰ্গৰ ছবি কণ-কণ ছাত্ৰ-ছাত্ৰীয়ে অংকন কৰি প্ৰদৰ্শন কৰিব।

## অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ক্ৰিকেট

অধিনায়কত্বৰ দায়িত্ব অৰ্পণ কৰা হৈছে। টেষ্ট আৰু টি-২০ ফৰ্মেটৰ পৰা অৱসৰ গ্ৰহণ কৰা ৰোহিত শৰ্মা এতিয়ালৈকে এদিনীয়া দলৰ নেতৃত্বত আছিল। নতুন ঘোষিত এদিনীয়া দলত ৰোহিত শৰ্মা আৰু বিৰাট কোহলিক স্থান দিয়া হৈছে, কিন্তু অধিনায়কৰ ভূমিকা শুভমণ গীলৰ হাতত। বহু ক্ৰিকেট বিশ্লেষক আৰু প্ৰাক্তন ক্ৰিকেটাৰে শ্ৰেয়াছ আয়াৰক এদিনীয়া দলৰ অধিনায়ক হিচাপে দেখাৰ পক্ষপাতী আছিল। সামাজিক মাধ্যমতো এই বিষয়ে ব্যাপক চৰ্চা হৈছিল। কিন্তু, বিচিচিআইৰ নিৰ্বাচক মণ্ডলীয়ে শ্ৰেয়াছক উপ-অধিনায়কৰ দায়িত্ব প্ৰদান কৰিছে, যি তেওঁৰ প্ৰতি পূৰ্বৰ উপেক্ষাৰ পিছত এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত হিচাপে দেখা গৈছে। এদিনীয়া দলত উইকেটকীপাৰ হিচাপে কে এল ৰাহুলৰ সৈতে ধ্ৰুৱ জুৰেলকো স্থান দিয়া হৈছে। লক্ষণীয়ভাৱে, এই দলত দ্ৰুতগতিৰ বলাৰ যশপ্ৰীত বুমৰাহৰ স্থান নাই। দ্ৰুতগতিৰ বলাৰ হিচাপে হৰ্ষিত ৰাণা, মহম্মদ ছিৰাজ, অৰ্শ্বদীপ সিং আৰু প্ৰসিদ্ধ কৃষ্ণই দলত স্থান পাইছে। ইফালে, টি-২০ দলৰ অধিনায়কৰ দায়িত্বত আছে সূৰ্যকুমাৰ যাদৱ, আৰু শুভমণ গীলক উপ-অধিনায়ক হিচাপে নিৰ্বাচিত কৰা হৈছে। এই দলত যশপ্ৰীত বুমৰাহৰ সৈতে সঞ্জু ছেমছন আৰু জীতেশ শৰ্মাক উইকেটকীপাৰ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। অভিষেক শৰ্মা, ৰিংকু সিং, শিৱম ডুবেৰ দৰে তৰুণ প্ৰতিভাৰো এই দলত স্থান হৈছে। এদিনীয়া দলৰ খেলুৱৈ হ'ল শুভমণ গীল (অধিনায়ক), শ্ৰেয়াছ আয়াৰ (উপ-অধিনায়ক), ৰোহিত শৰ্মা, বিৰাট কোহলি, কে এল ৰাহুল (উইকেটকীপাৰ), ধ্ৰুৱ জুৰেল (উইকেটকীপাৰ), যশস্বী জয়ছোৱাল, অ'ৰ পেটেল, নীতিশ কুমাৰ ৰেড্ডী, ৱাশ্বিংটন সুন্দৰ, কুলদীপ যাদৱ, হৰ্ষিত ৰাণা, মহম্মদ ছিৰাজ, অৰ্শ্বদীপ সিং, প্ৰসিদ্ধ কৃষ্ণ। আৰু টি-২০ দলৰ খেলুৱৈ হ'ল সূৰ্যকুমাৰ যাদৱ (অধিনায়ক), শুভমণ গীল (উপ-অধিনায়ক), অভিষেক শৰ্মা, তিলক বৰ্মা, নীতিশ কুমাৰ ৰেড্ডী, শিৱম ডুবে, অ'ৰ পেটেল, ৰিংকু সিং, ৱাশ্বিংটন সুন্দৰ, কুলদীপ যাদৱ, বৰুণ চক্ৰৱৰ্তী, যশপ্ৰীত বুমৰাহ, হৰ্ষিত ৰাণা, অৰ্শ্বদীপ সিং, সঞ্জু ছেমছন (উইকেটকীপাৰ), জীতেশ শৰ্মা (উইকেটকীপাৰ)। অষ্ট্ৰেলিয়া ভ্ৰমণৰ এই দল ঘোষণাৰ পিছত ক্ৰিকেট অনুৰাগীৰ মাজত নতুন নেতৃত্বৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাইছে। শুভমণ গীলৰ নেতৃত্বত ভাৰতীয় দল কেনে প্ৰদৰ্শন কৰে, তাৰ ওপৰত সকলোৰ দৃষ্টি নিবদ্ধ হৈ আছে।

## ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ

কৰিছে। এখন অধিসূচনা যোগে কালি নিশা ৰাজ্য চৰকাৰে এই বিষয়ে সদৰি কৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত কোনো ধৰণৰ আপোচ কৰা নহ'ব বুলি অৱগত কৰি তদন্ত আয়োগ গঠনৰ সিদ্ধান্ত সামাজিক মাধ্যমযোগে জানিবলৈ দিছিল। তেওঁ এই সন্দৰ্ভত জনতাৰ শিল্পীগৰাকীৰ মৃত্যু ৰহস্য ভেদ কৰিবৰ বাবে উচ্চ ন্যায়ালয়ত কৰ্মৰত এগৰাকী ন্যায়াধীশৰ জৰিয়তে তদন্ত কৰিবলৈ মুখ্য ন্যায়াধীশলৈ পত্ৰ প্ৰেৰণ কৰা হৈছিল বুলি অৱগত কৰিছিল। এই পত্ৰৰ প্ৰতি সঁহাৰি জনাই মুখ্য ন্যায়াধীশে সৌমিত্ৰ শইকীয়াৰ নেতৃত্বত আয়োগ গঠনৰ অনুমতি প্ৰদান কৰে। আনহাতে, জি এম চি এইচত কৰা জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আজি আদালতত দাখিল কৰাৰ লগতে গৰিমা গাৰ্গৰ হাতত অৰ্পণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যম যোগে সদৰি কৰে। তেওঁ কয়, যে ইতিমধ্যে ছিংগাপুৰৰ পৰা প্ৰেৰণ কৰা জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গক প্ৰদান কৰা হৈছে। ইপিনে, ইতিমধ্যে এই ঘটনা সন্দৰ্ভত গ্ৰেপ্তাৰ কৰা শেখৰ জ্যোতি গোস্বামী, অমৃতপ্ৰভা মহন্তৰ লগতে মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক বিশেষ তদন্তকাৰী গোটে সোধাপোছা অব্যাহত ৰাখিছে। ইয়াৰ লগতে ছিংগাপুৰত জুবিন গাৰ্গৰ সৈতে একেলগে সাগৰলৈ যোৱা আছাম এছ'চিয়েছনৰ ১১জন সদস্যক অহা ৬ অ'ক্টোবৰৰ ভিতৰত হাজিৰ হ'বলৈ বিশেষ তদন্তকাৰী গোটে জাননী জাৰি কৰিছে। জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ পৰা জব্দ কৰা শিল্পীগৰাকীৰ মোবাইল ফোনকে ধৰি কেতবোৰ সামগ্ৰী চিনাক্তকৰণৰ বাবে পত্নী গৰিমা শইকীয়া গাৰ্গ কালি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ হয়। ইয়াৰ পাছতে তেওঁ আইনী প্ৰক্ৰিয়াৰ অংশ হিচাপে আদালতৰ মজিয়াত জুবিন গাৰ্গৰ সামগ্ৰীসমূহ চিনাক্ত কৰে। তেওঁ আদালতত কালি এই সন্দৰ্ভত ভাষ্য লিপিবদ্ধ কৰে। কালি শিল্পীগৰাকীৰ দেহৰক্ষী আৰু ঘটনাস্থলীত উপস্থিত থকা অসম আৰক্ষী বিষয়া সন্দিপন গাৰ্গকো জেৰা কৰা হয়।

## হাগ্ৰামাৰ কৌশলী

এই শপতগ্ৰহণ অনুষ্ঠানৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। এই মহা সমাৰোহত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য। তেওঁ শনিবাৰে বন্দে ভাৰত ৰে'লযোগে গুৱাহাটীৰ পৰা কোকৰাঝাৰলৈ ৰাওনা হৈছে আৰু চৰাইখলাৰ টুৰিষ্ট গেষ্ট হাউচত নিশা অতিবাহিত কৰে। অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। নৱ-নিৰ্বাচিত পৰিষদৰ সদস্যসকলক শপতবাক্য পাঠ কৰাব অসম চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটাই। শপতগ্ৰহণ অনুষ্ঠানৰ কাৰ্যসূচীৰ অংশ হিচাপে পুৱা ৬ বজাত এফ এল এছৰ মাধ্যমে দেশভক্তিমূলক গীত পৰিৱেশনৰ পিছত পুৱা ৮ বজাত বিটিচিৰ মুখ্য সচিবৰ দ্বাৰা ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হ'ব। পুৱা ৮ঃ৩০ বজাত ডটোমাৰ বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি অৰ্পণৰ পিছত ৯ঃ৪৫ বজাত দেবৰগাঁৱত বড়োলেণ্ডৰ শ্বহীদসকলৰ স্মৃতিসৌধত তৰ্পণ কৰা হ'ব। পুৱা ১০ঃ১৫ বজাত বিটিচি সচিবালয়ৰ সমুখত উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধা জনোৱাৰ পিছত ১১ বজাৰ পৰা আৰম্ভ হ'ব শপতগ্ৰহণৰ মূল অনুষ্ঠান। হাগ্ৰামা মহিলাৰীৰ সৈতে উপ-মুখ্য কাৰ্যবাহী সদস্য, বিধান অধ্যক্ষ, উপাধ্যক্ষ আৰু প্ৰথম পৰ্যায়ত ৮ৰ পৰা ১০ গৰাকী কাৰ্যবাহী সদস্যই শপত গ্ৰহণ কৰিব। অসম বিধানসভাৰ কেইবাগৰাকী মন্ত্ৰী তথা সদস্যৰো এই অনুষ্ঠানত উপস্থিত থকাৰ সম্ভাৱনা আছে। ৰাজনৈতিক প্ৰেক্ষাপটত, হাগ্ৰামা মহিলাৰীয়ে এনডিএৰ সৈতে মিত্ৰতাৰ বাবে ইউপিপিএলক এনডিএৰ পৰা বাদ দিয়াৰ চৰ্ত আগবঢ়াইছিল। শনিবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে যে বিপিএফ আৰু ইউপিপিএল একেলগে এনডিএত থাকিব নোৱাৰে। তথাপি, তেওঁ স্পষ্টভাৱে কোৱা নাই যে ইউপিপিএলক বাদ দিয়া হ'ব নে বিপিএফক এনডিএত অন্তৰ্ভুক্ত কৰা হ'ব। ফলত, বিজেপিৰ সৈতে মিত্ৰতাৰ জৰিয়তে বিটিচি চৰকাৰ গঠনৰ পৰিকল্পনা থাকিলেও বিজেপিৰ দুজন সদস্যৰ কাৰ্যবাহী সদস্য হিচাপে শপত গ্ৰহণৰ বিষয়টো এতিয়াও অস্পষ্ট। বিভিন্ন ৰাজনৈতিক দল, সামাজিক সংগঠন, জাতি-জনগোষ্ঠী তথা ধৰ্মীয় আৰু সাহিত্যিক সংগঠনে হাগ্ৰামা মহিলাৰী আৰু বিপিএফক শুভেচ্ছা জনাইছে। তেওঁলোকে আশা প্ৰকাশ কৰিছে যে নতুন চৰকাৰে সকলো জনগোষ্ঠীৰ মাজত আস্থা আৰু বিশ্বাস স্থাপন কৰি বিটিচিৰ সৰ্বাংগীণ উন্নয়ন সাধন কৰিব। অনুষ্ঠানৰ বাবে বিটিচি সচিবালয়ক নতুনকৈ সজাই তোলা হৈছে। মুখ্য প্ৰৱেশদ্বাৰ, চৌহদ, ৰাস্তা-ঘাট আৰু দেৱালত নতুন ৰং সানি দিয়া হৈছে। জানিব পৰা মতে, এই শপতগ্ৰহণ অনুষ্ঠানত প্ৰায় ১৫ হাজাৰ দৰ্শকৰ উপস্থিতিৰ সম্ভাৱনা আছে।

## 'ৰৈ ৰৈ বিনালে'ত এআইৰ

জুবিনৰ দীৰ্ঘদিনৰ বন্ধু ৰাজেশ ভূঞাই। তেওঁ স্পষ্ট কৰিছে যে অসমৰ প্ৰথম মিউজিকেল ফিল্ম 'ৰৈ ৰৈ বিনালে'ত জুবিন গাৰ্গৰ মূল কণ্ঠই ব্যৱহাৰ কৰা হ'ব, আৰু অন্য কাৰো কণ্ঠ ব্যৱহাৰ কৰাৰ কোনো পৰিকল্পনা নাই। ৩১ অক্টোবৰত মুক্তিৰ লক্ষ্যৰে নিৰ্মাণ হোৱা এই ছবিখনৰ শ্বুটিং সম্পূৰ্ণ হৈছিল, কিন্তু পোষ্ট-প্ৰডাকচনৰ কাম চলি থকাৰ সময়তে ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যু হয়। তদন্তৰ মতে, তেওঁ হত্যাৰ চিকাৰ হৈছিল, আৰু তেওঁৰ ডাবিংৰ কাম আধৰুৱা হৈ ৰৈছিল। জুবিনৰ মৃত্যুৰ পিছত ছবিখনৰ ভৱিষ্যতৰ প্ৰতি প্ৰশ্ন উত্থাপিত হৈছিল। গৰিমা শইকীয়া গাৰ্গে একাধিকবাৰ উল্লেখ কৰিছে যে জুবিনে 'ৰৈ ৰৈ বিনালে'ৰ বাবে নিজৰ সৰ্বোচ্চ শক্তি আৰু সময় উৎসৰ্গ কৰিছিল। জীৱিত থকাৰ সময়তো তেওঁ এই ছবিখনৰ কথা বাৰে বাৰে কৈছিল। জুবিনৰ এই আধৰুৱা সপোন পূৰণৰ দায়িত্ব এতিয়া গৰিমাই গ্ৰহণ কৰিছে। ছবিখনৰ সৈতে জড়িত সকলোৱে ৩১ অ'ক্টোবৰৰ লক্ষ্য অনুসৰি কাম সম্পূৰ্ণ কৰি মুক্তি দিয়াৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰিছে। কিন্তু জুবিনৰ আধৰুৱা ডাবিংৰ কামৰ বাবে কিছু জটিলতাৰ সৃষ্টি হৈছিল। কিছুমানে প্ৰস্তাৱ দিছিল যে জুবিনৰ কণ্ঠৰ সৈতে সাদৃশ্য থকা কোনো শিল্পীৰ কণ্ঠৰ দ্বাৰা এই কাম সম্পূৰ্ণ কৰা হওক। এই প্ৰসংগত মাধৱ নামৰ এজন কিশোৰৰ নামো চৰ্চালৈ আহিছিল। কিন্তু পৰিচালক ৰাজেশ ভূঞাই এই সকলো ধাৰণা নাকচ কৰি জানিবলৈ দিছে যে ছবিখনত কেৱল জুবিনৰ মূল কণ্ঠই ব্যৱহাৰ কৰা হ'ব। ৰাজেশ ভূঞাই স্পষ্ট কৰিছে যে কিছু দৃশ্যত জুবিনৰ কণ্ঠ ব্যৱহাৰৰ ক্ষেত্ৰত অসুবিধা হ'লে এআই প্ৰযুক্তিৰ সহায় লোৱা হ'ব। তেওঁৰ এই ঘোষণাই জুবিনৰ অনুৰাগীসকলৰ মাজত স্বস্তিৰ সৃষ্টি কৰিছে, যিহেতু তেওঁলোকে ছবিখনত জুবিনৰ প্ৰকৃত কণ্ঠ শুনিবলৈ আগ্ৰহী। গৰিমা শইকীয়া গাৰ্গেও আগতেই জুবিনৰ শ্বুটিংৰ সময়ত বাণীবদ্ধ কৰা কণ্ঠ ব্যৱহাৰৰ পক্ষত মত প্ৰকাশ কৰিছিল। ৰাজেশ ভূঞাৰ এই সিদ্ধান্তৰ ফলত 'ৰৈ ৰৈ বিনালে' ছবিখনত দৰ্শকে জুবিন গাৰ্গৰ প্ৰকৃত সংলাপ আৰু কণ্ঠ উপভোগ কৰিব পাৰিব। জুবিনৰ এই স্বপ্নৰ প্ৰকল্পৰ মুক্তিৰ বাবে অনুৰাগীসকলৰ মাজত উৎসাহ বৃদ্ধি পাইছে।

## চিআইডি কাৰ্যালয়ত পুত্ৰক

সাঙুৰ খোৱা শ্যামকানু মহন্ত বৰ্তমান চি আই ডিৰ লকআপত আটক হৈ আছে। বিগত কেইবাদিন ধৰি তেওঁৰ পত্নী অনিতা ডেকা মহন্তই প্ৰতিদিন পুৱা আৰু গধূলি চি আই ডিৰ কাৰ্যালয়ত উপস্থিত হৈ স্বামীৰ সৈতে সাক্ষাত কৰি আহিছে। শনিবাৰে পুৱা শ্যামকানুৰ মাতৃ নিৰুপমা মহন্তই পুত্ৰক দেখা কৰিবলৈ আহিছিল। শাৰীৰিকভাৱে দুৰ্বল অৱস্থাত থকা নিৰুপমা মহন্তই অনিতা ডেকা মহন্তৰ সৈতে চি আই ডিৰ মুখ্য কাৰ্যালয়ত উপস্থিত হয়। কঁপনিৰে ভৰা খোজেৰে তেওঁ বোৱাৰীৰ সহায়ত কাৰ্যালয়ৰ ভিতৰত প্ৰৱেশ কৰে আৰু পুত্ৰক সাক্ষাৎ কৰে। এই সাক্ষাতৰ সময়ত তেওঁৰ মুখত গভীৰ উদ্বেগৰ ছাপ দেখা গৈছিল। এনে জটিল আৰু সংকটময় পৰিস্থিতিত শ্যামকানুৰ পৰিয়ালৰ সদস্যসকলে তেওঁৰ সৈতে নিয়মীয়া সাক্ষাতৰ জৰিয়তে মানসিক সমৰ্থন প্ৰদানৰ চেষ্টা কৰিছে। মাতৃ নিৰুপমা মহন্তৰ এই সাক্ষাতে তেওঁৰ পুত্ৰৰ প্ৰতি থকা গভীৰ মমতা আৰু উদ্বেগক প্ৰতিফলিত কৰিছে। তদন্তৰ পৰৱৰ্তী পৰ্যায়ত কি কি তথ্য পোহৰলৈ আহে, তাৰ ওপৰত সকলোৰ দৃষ্টি নিবদ্ধ হৈ আছে।

## বোৰ্খা পিন্ধা ভোটাৰৰ

সৈতে তেওঁ বোৰ্খা পিন্ধা মহিলা ভোটাৰৰ পৰিচয় ভোটাৰ পৰিচয় পত্ৰৰ সৈতে মিলাই পৰীক্ষা কৰাৰ প্ৰস্তাৱ দিছে, যাতে কেৱল প্ৰকৃত ভোটাৰেহে ভোটদান কৰিব পাৰে। দ্য টেলিগ্ৰাফৰ প্ৰতিবেদন অনুসৰি, বিজেপিৰ এক প্ৰতিনিধি দলে মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত বিহাৰত উপস্থিত নিৰ্বাচন আয়োগৰ দলৰ সৈতে সাক্ষাৎ কৰি এই বিষয়ে আলোচনা কৰিছে। প্ৰতিনিধি দলে সংবেদনশীল ভোটকেন্দ্ৰ আৰু অতীতত ভোটাৰক ভয় দেখুৱাই বুথ দখলৰ ইতিহাস থকা অঞ্চলসমূহত অৰ্ধসামৰিক বাহিনীৰ পৰ্যাপ্ত মোতায়েনৰ দাবী জনাইছে। সাক্ষাৎকাৰৰ পিছত সাংবাদিকৰ সৈতে কথা পাতি জয়ছোৱালে কয়, "আমি নিৰ্বাচন আয়োগৰ ওচৰত অনুৰোধ জনাইছো যে বিহাৰৰ বিধানসভা নিৰ্বাচন এক বা দুটা পৰ্যায়ত সম্পন্ন কৰা হওক। একাধিক পৰ্যায়ত নিৰ্বাচনৰ প্ৰয়োজন নাই।" তেওঁ আৰু কয়, "বোৰ্খা পিন্ধা মহিলা ভোটাৰৰ মুখ তেওঁলোকৰ ভোটাৰ পৰিচয় পত্ৰৰ সৈতে মিলাই পৰীক্ষা কৰাৰ ব্যৱস্থা থাকিব লাগে, যাতে ভোটদান প্ৰক্ৰিয়া স্বচ্ছ হয়।" জয়ছোৱালে লগতে প্ৰস্তাৱ দিছে যে অতি পিছপৰা শ্ৰেণীৰ জনসংখ্যা বেছি থকা গ্ৰাম্য অঞ্চলত নিৰ্বাচনৰ কেইদিন আগতেই অৰ্ধসামৰিক বাহিনী মোতায়েন কৰা হওক, যাতে ভোটাৰৰ মাজত নিৰাপত্তাৰ ভাৱ সৃষ্টি হয় আৰু নিৰ্বাচন মুক্ত আৰু নিৰপেক্ষভাৱে অনুষ্ঠিত হ'ব পাৰে। এই দাবীসমূহে বিহাৰৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ স্বচ্ছতা আৰু নিৰাপত্তাৰ প্ৰতি বিজেপিৰ জোৰক প্ৰতিফলিত কৰিছে। নিৰ্বাচন আয়োগে এই প্ৰস্তাৱসমূহ কেনেদৰে গ্ৰহণ কৰে, তাৰ ওপৰত আগন্তুক নিৰ্বাচনৰ পৰিৱেশ নিৰ্ভৰ কৰিব।

## পদপিষ্ট কাণ্ডৰ পিছতেই

তীব্ৰ ভৰ্ৎসনা কৰিছে। এই মৰ্মান্তিক ঘটনাটো গত ২৭ ছেপ্টেম্বৰত সংঘটিত হৈছিল, য'ত ৪১জন লোকৰ মৃত্যু হৈছিল। বাৰ এণ্ড বেঞ্চৰ প্ৰতিবেদন অনুসৰি, ন্যায়াধীশ এন চেন্থিলকুমাৰে শুকুৰবাৰে (৩ অ'ক্টোবৰ) আদেশত কয় যে টিভিকেৰ নেতৃত্বই এই ভয়াৱহ পদপিষ্ট কাণ্ডৰ সময়ত তৎক্ষণাৎ উদ্ধাৰ আৰু সহায়ৰ প্ৰচেষ্টা গ্ৰহণ কৰা উচিত আছিল। তেওঁ ইয়াৰ পৰিৱৰ্তে দলটোৰ নেতাসকলৰ ঘটনাস্থলীৰ পৰা পলায়নৰ প্ৰতি কঠোৰ সমালোচনা কৰে। ন্যায়ালয়ে উল্লেখ কৰিছে যে টিভিকেৰ নেতৃত্বই এই কাণ্ডৰ প্ৰতি কোনো দায়বদ্ধতা প্ৰদৰ্শন কৰা নাই। আদালতৰ মতে, এই ঘটনাই দলটোৰ মানৱ জীৱনৰ প্ৰতি উদাসীনতা আৰু ৰাজহুৱা দায়িত্বৰ প্ৰতি অৱহেলাৰ মনোভাৱক প্ৰতিফলিত কৰে। ন্যায়াধীশ কুমাৰে কয়, "টিভিকেৰ নেতাসকল, বিশেষকৈ সমাৱেশৰ আয়োজকসকলে, এই ভয়ংকৰ কাণ্ডৰ সময়ত নিজৰ কৰ্মী, সমৰ্থক আৰু অনুগামীসকলক এৰি ঘটনাস্থলী ত্যাগ কৰাটো আশ্চৰ্যজনক। তেওঁলোকৰ পৰা কোনো অনুশোচনা বা দায়িত্ববোধৰ প্ৰকাশ দেখা নাই।" বিজয়ে বিগত ৩০ ছেপ্টেম্বৰত এ'ত এক ভিডিঅ' বিবৃতিৰ জৰিয়তে এই ঘটনাৰ প্ৰতি গভীৰ দুখ প্ৰকাশ কৰিছিল আৰু ৰাজ্য চৰকাৰক টিভিকেৰ কৰ্মীসকলৰ বিৰুদ্ধে কোনো প্ৰতিশোধমূলক ব্যৱস্থা নল'বলৈ অনুৰোধ জনাইছিল। কিন্তু আদালতে এই বিবৃতিক অপৰ্যাপ্ত বুলি মন্তব্য কৰি তেওঁৰ ঘটনাস্থলী ত্যাগৰ সিদ্ধান্তক অদূৰদৰ্শী আৰু দায়িত্বহীন বুলি সমালোচনা কৰিছে।

## চিআইডি কাৰ্যালয়ত তিনি

কাৰ্যালয়ত উপস্থিত হয়। পৰৱৰ্তী সময়ত, দুপৰীয়া ১: ৩০ বজাত জ্যেষ্ঠ সাংবাদিক প্ৰণয় বৰদলৈ তদন্তকাৰী দলৰ সন্মুখত হাজিৰ হয়। প্ৰণয় বৰদলৈৰ সৈতে জড়িত তথ্য অনুসৰি, জুবিন গাৰ্গৰ মৃত্যুৰ দিনা পুৱা তেওঁ ছিংগাপুৰত উপস্থিত হৈছিল। সংবাদমাধ্যমৰ সৈতে কথাৰ প্ৰসংগত তেওঁ জানিবলৈ দিছিল যে, জুবিনৰ মৃত্যুৰ খবৰ পোৱাৰ পিছত তেওঁ তৎক্ষণাত সংশ্লিষ্ট হাস্পতালত উপস্থিত হৈ কিছু ভিডিঅ' ফুটেজ সংগ্ৰহ কৰিছিল। যদিও তেওঁ দাবী কৰিছে যে তেওঁ ছিংগাপুৰত ব্যক্তিগত কামৰ বাবে এগৰাকী বন্ধুৰ ওচৰলৈ গৈছিল। আনহাতে, দিল্লীৰ এক ব্যক্তিগত সংবাদ মাধ্যমত কৰ্মৰত সাৰস্বত গোস্বামী জুবিনৰ মৃত্যুৰ ঘটনাৰ পিছত ছিংগাপুৰলৈ ৰাওনা হৈছিল। তাত তেওঁ শ্যামকানু মহন্ত আৰু শেখৰজ্যোতি গোস্বামীৰ সাক্ষাৎকাৰ গ্ৰহণ কৰিছিল। সাৰস্বতে সামাজিক মাধ্যমত এই ঘটনাৰ সন্দৰ্ভত একাধিক অভিযোগ উত্থাপন কৰিছিল, যাৰ ভিত্তিত চি আই ডিয়ে তেওঁক সাক্ষ্যৰ বাবে তলব কৰে। ইয়াৰ সমান্তৰালভাৱে, অসমৰ এক নিউজ পৰ্টেলৰ সাংবাদিককো তদন্তৰ স্বাৰ্থত তলব কৰাৰ সম্ভাৱনা আছে। নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি, এই সাংবাদিকগৰাকীয়ে ছিংগাপুৰত থকা তেওঁৰ আত্মীয়ৰ জৰিয়তে জুবিনৰ মৃত্যুৰ খবৰ বহু আগতেই পাইছিল। কিন্তু তেওঁৰ নিউজ পৰ্টেলে এই খবৰ প্ৰকাশৰ পৰা বিৰত থাকিছিল। এই প্ৰসংগত সাক্ষ্য গ্ৰহণৰ বাবে তেওঁকো তলব কৰাৰ পৰিকল্পনা কৰা হৈছে। চি আই ডিৰ তদন্ত প্ৰক্ৰিয়া অতি সূক্ষ্মভাৱে আগবাঢ়িছে, আৰু জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে জড়িত সকলো সম্ভাব্য দিশ তন্নতন্নকৈ পৰীক্ষা কৰা হৈছে। তদন্তৰ পৰৱৰ্তী পৰ্যায়ত কি কি তথ্য পোহৰলৈ আহে, তাৰ ওপৰত সকলোৰ দৃষ্টি নিবদ্ধ হৈ আছে।

## মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন

সংস্থাৰ হাতত সমৰ্পণ কৰিছে। গৰিমাই জানিবলৈ দিছে যে তদন্ত প্ৰক্ৰিয়াৰ স্বাৰ্থত তেওঁ এই প্ৰতিবেদন গ্ৰহণ কৰাৰ পৰা বিৰত আছে। গৰিমা গাৰ্গে এছ আই টিৰ তদন্ত প্ৰক্ৰিয়াত পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰি কয়, "তদন্ত এতিয়া চলি আছে। এই পৰ্যায়ত প্ৰতিবেদন ৰাজহুৱা কৰিলে তদন্তত ব্যাঘাত ঘটিব পাৰে। সেয়ে মৰণোত্তৰ প্ৰতিবেদন গ্ৰহণ নকৰাকৈ তদন্তকাৰীৰ হাতত সমৰ্পণ কৰিছো।" তেওঁ আইনৰ প্ৰতি পূৰ্ণ আস্থা প্ৰকাশ কৰি কয়, "মই আইনৰ বিষয়ে বিশেষ নাজানো, কিন্তু মৰণোত্তৰ প্ৰতিবেদন আদালত আৰু তদন্তকাৰীৰ হাতত থকাটোৱে উচিত। মই বিশ্বাস কৰোঁ তদন্ত এতিয়া সঠিক পথত আগবাঢ়িছে। প্ৰকৃত সত্য অতিশীঘ্ৰে পোহৰলৈ আহিব লাগিব। দোষীসকলে কঠোৰ শাস্তি পোৱা উচিত।" গৰিমাই আৱেগিকভাৱে কয়, "এই প্ৰতিবেদন মোৰ ব্যক্তিগত সম্পত্তি নহয়। মই মোৰ স্বামীক হেৰুৱাইছো, তেওঁক কেতিয়াও ঘূৰাই নাপাওঁ। কিন্তু জুবিন গাৰ্গৰ বাবে ন্যায় বিচাৰো। তেওঁক ন্যায় দিয়ক।" শনিবাৰে এছ আই টিয়ে গৰিমা গাৰ্গৰ সৈতে জুবিনৰ ভগ্নী পামী বৰঠাকুৰৰো বক্তব্য গ্ৰহণ কৰে। জুবিনক বিষপানৰ মাধ্যমে হত্যাৰ অভিযোগৰ বিষয়ে গৰিমাই কয়, "শেখৰে যদি এই বিষয়ে জানিছিল, তেন্তে এতিয়ালৈকে কিয় গোপন ৰাখিছিল? এই ঘটনাৰ দোষীসকলে কঠোৰতম শাস্তি পোৱা উচিত। জুবিনে সকলোকে ইমান মৰম কৰিছিল, তথাপি তেওঁৰ সৈতে এনে কিয় কৰা হ'ল?" তদন্তৰ এই পৰ্যায়ত গৰিমাৰ এই সিদ্ধান্ত আৰু তেওঁৰ বক্তব্যই জুবিনৰ মৃত্যুৰ সত্য উদঘাটনৰ প্ৰতি তেওঁৰ দৃঢ়তাক প্ৰতিফলিত কৰিছে। তদন্তৰ পৰৱৰ্তী ফলাফলৰ ওপৰত সকলোৰ দৃষ্টি নিবদ্ধ হৈ আছে।

## '২৬ৰ মাৰ্চ মাহত ভাৰতত

অংশগ্ৰহণ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মাওবাদী সদস্যসকলক অস্ত্ৰ-শস্ত্ৰ সম্বৰণ কৰি বুজাবুজিলৈ আহিবলৈ আহ্বান জনাইছে। অমিত শ্বাহে কয়, "মই সকলো জনজাতীয় ভাই-ভনীক ক'ব বিচাৰো যে আপোনালোকে আপোনালোকৰ অঞ্চলৰ যুৱক-যুৱতীসকলক অস্ত্ৰ-শস্ত্ৰ এৰি শান্তিৰ পথলৈ আহিবলৈ কওক। তেওঁলোকে অস্ত্ৰ এৰি মূলসুঁতিলৈ আহক আৰু আমাৰ উন্নয়নৰ যাত্ৰাৰ অংশীদাৰ হওক। গৃহমন্ত্ৰীগৰাকীয়ে লগতে কয়, "মই আকৌ এবাৰ স্পষ্টকৈ ক'ব বিচাৰো যে ন'ল আন্দোলনৰ দ্বাৰা প্ৰভাৱিত অঞ্চলসমূহৰ উন্নয়নৰ বাবে আমি অংগীকাৰবদ্ধ। গতিকে ইয়াত অন্য আলোচনাৰ প্ৰশ্নই নুঠে।" অমিত শ্বাহে কয় যে যদি আপোনালোকে হাতত অস্ত্ৰ তুলি শান্তি বিঘ্নিত কৰিবলৈ চেষ্টা কৰে তেন্তে আমাৰ সশস্ত্ৰ বাহিনী, চি আৰ পি এফ, আৰু ছত্তীশগড় আৰক্ষীয়ে ইয়াৰ প্ৰত্যুত্তৰ দিব। অমিত শ্বাহে শেষত কয়, "দুহেজাৰ ছাব্বিশ চনৰ ৩১ মাৰ্চ হৈছে এই দেশৰ ভূমিৰ পৰা ন'লবাদক বিদায় দিয়াৰ নিৰ্দিষ্ট তাৰিখ।"

## জুবিন সম্পৰ্কে মই

সাংবাদিকৰ আগত কিবা ক'লে দেশৰ পৰিস্থিতি বেয়া হোৱাৰ আশংকা থাকে বুলি মন্তব্য কৰে মুখ্যমন্ত্ৰীয়ে। ইতিমধ্যে সামাজিক মাধ্যমত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যেক্ষ্ৰাজ্যৰ জটিল পৰিৱেশত ৰাইজৰ সৈতে যোগাযোগৰ ব্যৱস্থাও পোনপটীয়া হোৱা উচিত বুলি ভাবোঁ। সেয়ে মৰমৰ শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ তদন্ত সন্দৰ্ভত মোৰ ফালৰ পৰা জনাবলগীয়া সকলো তথ্য ফে'চবুক লাইভৰ জৰিয়তে ৰাইজক পোনপটীয়াকৈ জনাই থাকিম। উক্ত বিষয়ত সংবাদ মাধ্যমৰ পৰা সন্মান সহকাৰে প্ৰশ্নসমূহ গ্ৰহণ কৰিম, উত্তৰসমূহ একেলগে ফে'চবুক লাইভৰ জৰিয়তে প্ৰকাশ কৰি যাম। আনহাতে বিপিএফৰে বিজেপিৰ মিত্ৰতা হোৱা — নোহোৱা সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় বিজেপিৰ স'তে, ইউপিপিএল আৰু বিপিএফ একেলগে সহৱস্থান কৰাতো সম্ভৱ নহয়। অৱশ্যে সময়ত এই ক্ষেত্ৰত লোৱা হ'ব এক সময়োচিত সিদ্ধান্ত।

## মণিপুৰত তিনিদিনত ১২টাকৈ

চুৰাচান্দপুৰ জিলাত চিকেএমএৰ চাৰিজন কেডাৰক গ্ৰেপ্তাৰ কৰা হৈছিল, যাৰ ভিতৰত আছিল সংগঠনৰ স্বঘোষিত 'কমাণ্ডাৰ ইন চিফ' পাওখোলেন গুইটে। এই সংগঠন কেন্দ্ৰীয় চৰকাৰ আৰু কুকি উগ্ৰপন্থী সংগঠনৰ ২৫টা গোটৰ মাজত চুক্তি স্বাক্ষৰিত নিষিদ্ধ দলৰ অন্তৰ্ভুক্ত। বৃহস্পতিবাৰত (৩ অক্টোবৰ) ইম্ফল পশ্চিম জিলাত পিপলছ লিবাৰেচন আৰ্মি (পিএলএ)ৰ দুজন কেডাৰক গ্ৰেপ্তাৰ কৰা হৈছিল। আনহাতে, চুৰাচান্দপুৰ জিলাৰ সংগকট গাঁৱত ইউনাইটেড কুকি নেচনেল আৰ্মি (ইউকেএনএ)ৰ পাঁচজন সক্ৰিয় কেডাৰকো ধৃত হৈছে। এই গ্ৰেপ্তাৰসমূহে তিনিটা নিষিদ্ধ সশস্ত্ৰ গোট—চিকেএমএ, চিন কুকি মিজো আৰ্মি আৰু ইউকেএনএ—ৰ সৈতে জড়িত উগ্ৰপন্থীসকলক লক্ষ্য কৰিছে। এই অভিযানসমূহত নিৰাপত্তা বাহিনীয়ে দুটা একে-৪৭ ৰাইফল, দুটা মেগাজিন, বহু সংখ্যক গুলী আৰু এক লাখ টকাৰো অধিক নগদ ধন উদ্ধাৰ কৰিছে। মণিপুৰ পুলিছৰ এক জ্যেষ্ঠ বিষয়াই জানিবলৈ দিছে যে যোৱা মাহৰ পৰা ৰাজ্যত উগ্ৰপন্থীসকলৰ বিৰুদ্ধে কঠোৰ অভিযান চলি আছে, যাৰ ফলত এনে গ্ৰেপ্তাৰৰ সংখ্যা বৃদ্ধি পাইছে। ১ অক্টোবৰতো চুৰাচান্দপুৰত চিকেএমএৰ চাৰিজন কেডাৰক গ্ৰেপ্তাৰ কৰা হৈছিল, যিবোৰে অস্ত্ৰ আৰু গুলীৰ সৈতে জড়িত আছিল। মণিপুৰত ২০২৩ চনৰ পৰা চলি থকা মেইটেই আৰু কুকি জাতিগত সংঘাতৰ পৰিপ্ৰেক্ষিতত এই অভিযানসমূহ অতি গুৰুত্বপূৰ্ণ। এই সংঘাতত ২৬০ৰো অধিক লোকৰ মৃত্যু হৈছে আৰু হাজাৰ হাজাৰ লোক বাস্তুত্যাগী হৈছে। নিৰাপত্তা বাহিনীৰ এই কঠোৰতাই উগ্ৰপন্থী কাৰ্যকলাপ আৰু অস্ত্ৰ প্ৰবাহ নিয়ন্ত্ৰণত সহায় কৰিব পাৰে বুলি বিশ্বাস কৰা হৈছে। তদন্তৰ পৰৱৰ্তী পৰ্যায়ত এই গ্ৰেপ্তাৰসমূহৰ পৰা অধিক তথ্য পোহৰলৈ আহিব বুলি আশা কৰা হৈছে।

## চিআইডিত দিয়া ষ্টেটমেণ্ট

প্ৰতিজন অসমীয়াৰ হৃদয়ত ঘৰ সজা এই সংগীতৰ ৰাজপুত্ৰৰ প্ৰতিটো গীত, প্ৰতিটো কথা অৰু প্ৰতিটো কামে অসমীয়াৰ মন-মগজুত অহৰহ ক্ৰিয়া কৰি আছে। যুগদ্ৰষ্টা জুবিন গাৰ্গৰ মৃত্যু ৰহস্য উদঘাটন হোৱাৰ বাবে তীব্ৰ উৎকণ্ঠাৰে বাট চাই আছে ৰাজ্যবাসীয়ে। ইয়াৰ মাজতে আজি গুৱাহাটীৰ দীঘলীপুখুৰীৰ সমীপৰ লক্ষ্মীধৰ বৰা ক্ষেত্ৰত অসম গণ পৰিষদে এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। অগপৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ লগতে মেয়ৰ মৃগেন শৰণীয়া, জ্যেষ্ঠ শিল্পী সমৰ হাজৰিকা, জে পি দাস, উপকুল বৰদলৈ, ড° অঞ্জনজ্যোতি চৌধুৰী, সন্ধ্যা মেনন, মালবিকা বৰা, অতুল পাচঁনি, অনুপম শইকীয়া, জীনা ৰাজকুমাৰী, বৰ্ণালী কলিতা, ৰূপম ভূঞা, ৰঞ্জিত গগৈ, সংগীতা কাকতি, সদানন্দ গগৈ, পদ্মনাভ বৰদলৈ, চন্দন দাস, ৰাজশ্ৰী ফুকন, প্ৰণামিকা গোস্বামী, কোমলিকা কাশ্যপ, সান্ত্বনা কলিতা, ভাস্বতী ভাৰতী, অধিবক্তা নেকিবুৰ জামান, পেৰাচাইক্লিষ্ট ৰাকেশ বণিক, অসম জাতীয় বিদ্যালয়ৰ সচিব ড নাৰায়ণ শৰ্মাৰ লগতে বহু শিল্পী আৰু গুণমুগ্ধই জুবিনক শ্ৰদ্ধাঞ্জলি জনায়। তদুপৰি সদৌ অসম উকিল সন্থা, টাই আহোম ছাত্ৰ সন্থা, বড়ো সাহিত্য সভা, টাই আহোম সাহিত্য সভা, সদৌ অসম চাকমা সন্থা, শৰৎ সিংহ ন্যাস, গুৱাহাটী বেপ্তিষ্ট চাৰ্চ, সদৌ অসম চলচ্চিত্ৰ প্ৰযোজক সন্থা, গুৱাহাটী উকিল সন্থা, চাহ জনগোষ্ঠী সাহিত্য সভা, সদৌ অসম গৰীয়া মৰীয়া দেশী পৰিষদ, বৃহত্তৰ গুৱাহাটী বিহু সন্মিলনী সমিতি, গুৱাহাটী বিদ্যালয়সমূহৰ প্ৰাক্তন ছাত্ৰ সমিতি, পূব গুৱাহাটী বিহু সন্মিলনী, পশ্চিম গুৱাহাটী বিহু সন্মিলনী, উলুবাৰী বিহু সন্মিলনী, খাৰঘুলি বিহু সন্মিলনী, গুৱাহাটী পৌৰ নিগমৰ পাৰিষদ সকল, ৰাষ্ট্ৰবাদী কংগ্ৰেছ দল, গণেশ মন্দিৰ সমিতি, প্ৰগতি শিল্পী সংঘৰ উপৰি বিভিন্ন জাতি-জনগোষ্ঠী, ৰাজনৈতিক-অৰাজনৈতিক দল সংগঠনৰ লগতে বিভিন্ন ধৰ্মাৱলম্বী লোকে প্ৰাণৰ শিল্পী জুবিন গাৰ্গক এই অনুষ্ঠানত শ্ৰদ্ধাঞ্জলি জনায়। প্ৰতিটো বিপদত অসমীয়াৰ কাষত থকা এই মহান মনিষীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানতে এক সৰ্বধৰ্ম প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। জুবিনক শ্ৰদ্ধাঞ্জলি জনাই দিহা নাম আৰু নাগাৰা নাম পৰিৱেশন কৰা হয়। আনহাতে, ১৪ অক্টোবৰত অগপৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে খানপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজন কৰা জনসভা আৰু ইয়াৰ লগত সংগতি ৰাখি ১৩ অক্টোবৰত গুৱাহাটীত আয়োজন কৰা ৰাজনৈতিক সমাৱৰ্তনখন জুবিন গাৰ্গৰ বিয়োগৰ বাবে স্থগিত ৰাখিছে বুলি আজি আমবাৰীৰ অগপৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত অগপৰ সভাপতি অতুল বৰাই উল্লেখ কৰে। ১৪ অক্টোবৰত অগপৰ মুখ্য কাৰ্যালয়ৰ উপৰি আন জিলা আৰু সমষ্টিৰ কাৰ্যালয়ত দলৰ প্ৰতিষ্ঠা দিৱস নিয়মমাফিকভাৱে অনুষ্ঠিত হ'ব। এই প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত হাৰ্টথ্ৰব জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব বুলি বৰাই লগতে উল্লেখ কৰে।

# ৰূপাই চাইডিঙত আজি জনকণ্ঠ জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৪ অক্টোবৰ ঃ** অসম আৰু অসমীয়াৰ হিয়াৰ আমঠু, সংগীত সম্ৰাট, মহান শিল্পী, জনকণ্ঠ জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ বৃহত্তৰ ৰূপাই বাসীৰ উদ্যোগত কাইলৈ অৰ্থাৎ ৫ অক্টোবৰত ইয়াৰ সমীপৰ ৰূপাই চাইডিঙস্থিত ডুমডুমা ৰাজহ চক্ৰ কাৰ্যালয়ৰ প্ৰাংগণত আয়োজন কৰা হৈছে। এই উপলক্ষে যোৱা ২৬ ছেপ্টেম্বৰত অনুষ্ঠিত হৈ যোৱা এক ৰাজহুৱা সভাত ৰাজীৱ বৰাক সভাপতি, ৰাজীৱ শৰ্মা আৰু প্ৰবোধ বৰাক কাৰ্যকৰী সভাপতি, ৰাতুল গগৈক সম্পাদক, শৰৎ চন্দ্ৰ চিৰিংফুকনক বিত্ত সম্পাদক হিচাপে লৈ এখন আয়োজক সমিতিও গঠন কৰা হয়। কাৰ্যসূচী অনুসৰি, কাইলৈ পুৱা ৮ বজাত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণৰ পিছতে গছপুলি ৰোপণ কৰা হব। ৯ বজাত ভাগৱত স্থাপন, ৯-৩০ বজাত নামপ্ৰসঙ্গ আৰু দিহানাম পৰিৱেশন, ১০-৩০ বজাত সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা অনুষ্ঠিত হব। দিনৰ ১ বজাত এক স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত হব। এটি বৰগীতেৰে আৰম্ভ হ'বলগীয়া অনুষ্ঠানত কবিতা, গীত-মাত আৰু নাগাৰা নাম পৰিৱেশন কৰা হব। সন্ধিয়ালৈ সমগ্ৰ ৰূপাই অঞ্চলৰ বাসগৃহৰ লগতে দোকান-পোহাৰৰ সমুখত এগছিকৈ বন্তি প্ৰজ্বলন কৰা হব। জাতি-ধৰ্ম-বৰ্ণ-ভাষা-ভাষা নিৰ্বিশেষে ৰূপাইবাসীৰ লগতে সকলো দল-সংগঠন, অনুৰাগীকে মহান শিল্পীজনাৰ উক্ত ৰাজহুৱা আদ্যশ্ৰাদ্ধস্থলীলৈ আহি শ্ৰদ্ধাঞ্জলি জনাবলৈ অনুৰোধ জনোৱাৰ লগতে সমূহ কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি আয়োজক সমিতিয়ে আন্তৰিকতাৰে কামনা কৰিছে।

# অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ডুমডুমা আঞ্চলিক সমিতিৰ একাদশ দ্বি বাৰ্ষিক অধিৱেশন আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ অক্টোবৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ডুমডুমা আঞ্চলিক সমিতিৰ একাদশ দ্বি বাৰ্ষিক অধিৱেশন আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠানটি অহা ৯ অ'ক্টোবৰত এদিনীয়া কাৰ্যসূচীৰে ডুমডুমা শাখা সাহিত্য সভা ভৱন প্ৰাংগণত অনুষ্ঠিত কৰিবলৈ ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে। দ্বি বাৰ্ষিক অধিৱেশন আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি উক্তদিনা পুৱা ৯ বজাত যুৱ-ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিকৰ সভাপতি ৰোহন যাদৱে পতাকা উত্তোলন কৰাৰ পাছতে পুৱা ৯-৩০ বজাত স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰিব আঞ্চলিকৰ সাধাৰণ সম্পাদক হীৰক জ্যোতি মৰাণে। পুৱা ১০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছতে মঞ্চ উদ্বোধন কৰিব ডুমডুমা আৰক্ষী থানাৰ প্ৰভাৰী প্ৰাঞ্জল চেতিয়াই। দিনৰ ১২-৩০ বজাৰপৰা ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্তৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া বিশেষ সম্বৰ্ধনা অনুষ্ঠানটো উদ্বোধন কৰি পৰিষদৰ সহকাৰী সাধাৰণ সম্পাদক সুৰজিৎ মৰাণে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাই মুখ্য অতিথি ৰূপে উপস্থিত থাকিবলগীয়া এই অনুষ্ঠানতে বিগত বৰ্ষৰ দৰে এই বৰ্ষটো সমাজৰ উত্তৰণৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰে অৱদান আগবঢ়োৱা বৃহত্তৰ ডুমডুমা অঞ্চলৰ ৭জন ব্যক্তিক বিশেষ সম্বৰ্ধনা জনাব। সেই অনুসৰি স্বৰ্গীয় কৃষ্ণ কাকতি সোঁৱৰণী শিক্ষকতা বঁটা এই বাৰ যুটীয়াভাৱে আগবঢ়াব ডুমডুমা মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ৰাতুল গগৈ আৰু বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক দ্বিজেন শৰ্মাক। পংকজ সোণোৱাল সোঁৱৰণী সাংবাদিক বঁটা প্ৰদান কৰিব এন কে টিভিৰ সাংবাদিক তথা ডুমডুমাৰ সন্তান বনজিৎ কলিতাক। বিশিষ্ট অভিনেত্ৰী তথা নৃত্যশিল্পী নিৰ্মালী কোঁৱৰ সোঁৱৰণী সাংস্কৃতিক বঁটা প্ৰদান কৰিব ডুমডুমাৰ প্ৰবীণ অভিনেতা, নাট্যকাৰ, পৰিচালক অজয় খাটনিয়াৰক। সলিল নেওগ সোঁৱৰণী সাহিত্য বঁটা প্ৰদান কৰিব যুৱ সাহিত্যিক বিকিয়ান বাইলুংক। দুলু সোণোৱাল সোঁৱৰণী কৃষি বঁটা প্ৰদান কৰিব কৰদৈগুৰিৰ বিশ্বনাথ মৰাণক আৰু জোনাক সিং গুৰুং সোঁৱৰণী ক্ৰীড়া বঁটা প্ৰদান কৰিব ৰঙাজানৰ বিভু মৰাণক। এই অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে ডুমডুমা সম জিলা আয়ুক্ত নুজহাৎ নাছৰিণ উপস্থিত থকাৰ লগতে বিশিষ্ট অতিথি ৰূপে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উপদেষ্টা কণ গগৈ, উপ সভাপতি মায়াৰাণী লাহন গগৈ, কাৰ্যনিৰ্বাহক সদস্য সোণমণি চলিহা, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি প্ৰবীণ তামোলী আৰু সাধাৰণ সম্পাদক কল্যাণজ্যোতি মৰাণৰ লগতে বিভিন্ন জাতীয়-জনগোষ্ঠী দল-সংগঠনৰ নেতৃত্ব উপস্থিত থাকিব। উক্তদিনা বিয়লি ৫ বজাত প্ৰতিনিধি পঞ্জীয়ন আৰু সন্ধিয়া ৬ বজাৰপৰা প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। এই প্ৰতিনিধি সভাখন উদ্বোধন কৰিব অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক কল্যাণজ্যোতি মৰাণে। যুৱ-ছাত্ৰ পৰিষদৰ এই সম্বৰ্ধনা অনুষ্ঠানত সকলো ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে ডুমডুমা আঞ্চলিক সমিতিৰ প্ৰতিগৰাকী বিষয়ববীয়াই।

### শিৱসাগৰ বিধানসভা সমষ্টিত সেৱাই সমৰ্পণ

# সেৱা সপ্তাহৰ অন্তৰ্গত শুশ্ৰূষা সেতু শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰ সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৪ অক্টোবৰ ঃ** ৰাজ্যজুৰি অব্যাহত থকা "সেৱাই সমৰ্পণ: সেৱা সপ্তাহ" অভিযানৰ অন্তৰ্গত শিৱসাগৰ বিধানসভা সমষ্টিৰ বাবে গৌৰীসাগৰ উচ্চতৰ মাধ্যমিক ইণ্ডাষ্ট্ৰিয়েল ইনষ্টিটিউট খেলপথাৰত আজি অসম চৰকাৰৰ "শুশ্ৰূষা সেতু" শীৰ্ষক বিধানসভা সমষ্টিভিত্তিক বৃহৎ স্বাস্থ্য শিবিৰৰ কাৰ্যসূচীৰ আয়োজন কৰা হয়। শিৱসাগৰ জিলাৰ জিলা উন্নয়ন আয়ুক্ত সমীৰণ বৰা, অতিৰিক্ত জিলা আয়ুক্ত আয়ুক্ত (স্বাস্থ্য) মীনাক্ষী পেৰ্মে, সহকাৰী আয়ুক্তত্ৰয় পৰিস্মিতা দিহিঙ্গীয়া, গণেশ চন্দ্ৰ বড়ো আৰু শুভজিৎ খাউণ্ড, আমগুৰি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অৰূপ বিক্ৰমীয়া, যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন চন্দ্ৰ কলিতা, অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উপ নিয়ন্ত্ৰক প্ৰাণজিৎ দত্তৰ উপস্থিতিত আনুষ্ঠানিকভাৱে এই কাৰ্যসূচীৰ শুভ উদ্বোধন কৰা হয়। আজিৰ এই অনুষ্ঠানত স্বাস্থ্য সেৱাৰ বিভিন্ন বিভাগৰ চিকিৎসক, স্বাস্থ্যকৰ্মীসকলকে ধৰি বিভাগীয় বিষয়া কৰ্মচাৰী-কৰ্মচাৰী আৰু গৰিষ্ঠ সংখ্যক স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। অন্যান্য স্বাস্থ্য সম্পৰ্কীয় বিষয় সন্নিৱিষ্ট কৰাৰ লগতে শিবিৰত যোগাসনৰ প্ৰয়োজনীয়তা সম্পৰ্কে অৱগত কৰাৰ উদ্দেশ্যে বিশেষজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা এক যোগ প্ৰদৰ্শন কাৰ্যসূচীও অনুষ্ঠিত কৰা হয়। আনহাতে, শিবিৰত অসামৰিক প্ৰতিৰক্ষা বাহিনীৰ স্বেচ্ছাসেৱক সকলে নীৰবিচ্ছিন্নভাৱে বিশেষভাৱে সক্ষম ৰোগীসকলক বিভিন্ন ধৰণে সহায়ৰ হাত আগবঢ়োৱাও পৰিলক্ষিত হয়। আজি অনুষ্ঠিত হোৱা শিবিৰটোত ৰাইজৰ বিপুল সঁহাৰি লাভ কৰাৰ লগতে ১৭২৮ গৰাকী লোকৰ পঞ্জীয়ন কৰা হয় আৰু ইয়াৰে ১৩০ গৰাকীক বিশেষ সা-সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণৰ বাবে চয়ন কৰা হয়। শিবিৰত স্বাস্থ্য সেৱাৰ সুবিধাৰ বাবে পঞ্জীয়ন ডেস্ক, মোবাইল লেবৰেটৰী, জেনেৰেল লেবৰেটৰী, জেনেৰেল অ'পিডি, আয়ুষ আৰু কেন্সাৰ অ'পিডি স্থাপন কৰা হয়। আজিৰ শিবিৰত ১০টা বিশেষজ্ঞ বিভাগৰ অধীনত স্বাস্থ্য পৰীক্ষণ আৰু চিকিৎসা সেৱা প্ৰদান কৰা হয়। উক্ত স্বাস্থ্য শিবিৰত ১৮ বছৰ বয়সৰ তলৰ শিশু আৰু কিশোৰ- কিশোৰীসকলক বিশেষ গুৰুত্ব প্ৰদান কৰাৰ উপৰিও হৃদযন্ত্ৰ, স্নায়ু, বংশানুক্ৰমিক ৰোগ, যকৃত, বৃক্ক, চকু আৰু নাক-কাণৰ ৰোগকে ধৰি ৫০বিধৰো অধিক ৰোগৰ নিৰ্ণায়ক পৰীক্ষাৰ সুবিধা উপলব্ধ কৰোৱা হয়। তদুপৰি পৰৱৰ্তী পৰ্যায়ত যথোপযুক্ত চিকিৎসা প্ৰদান আৰু বিনামূলীয়া পুনৰীক্ষণৰ ব্যৱস্থা, ৰোগ অনুসৰি পৰ্যায়ক্ৰমে উন্নত তথা বিনামূলীয়া চিকিৎসা প্ৰদানৰ বাবে বিশেষ সা-সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণৰ ব্যৱস্থা ইত্যাদি সেৱাও অন্তৰ্ভুক্ত কৰোৱা হয়।



জুবিন গাৰ্গৰ অকাল মৃত্যুৰ বাবে সকলো কাৰ্যসূচী বাতিল

# নামতি প্ৰেছ ক্লাবৰ ৩৩ তম্ প্ৰতিষ্ঠা দিৱস অনুষ্টুপীয়াকৈ উদ্‌যাপন



**অসম বাৰ্তা, আমগুৰি, ৪ অক্টোবৰ** ঃ আজি শিৱসাগৰ জিলাৰ বৃহত্তৰ নামতি অঞ্চলৰ সামাজিক তথা বৌদ্ধিক চিন্তাৰ অন্যতম বাটকটীয়া স্বৰূপ অনুষ্ঠান "নামতি প্ৰেছ ক্লাব"ৰ ৩৩ তম প্ৰতিষ্ঠা দিৱসটি নামতি চাৰিআলি খেজুৰিতলস্থিত জ্ঞানজ্যোতি বিদ্যাপীঠৰ প্ৰাঙ্গনত অনুষ্টুপীয়াকৈ উদযাপন কৰা হয়। উল্লেখ্য যে, অসমৰ সংগীত জগতৰ ধ্ৰুৱতৰা স্বৰূপ, অসমবাসীৰ হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগত মৰ্মাহত, শোকস্তব্ধ। জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই নামতি প্ৰেছ ক্লাবে বিভিন্ন ধৰণৰ কাৰ্যসূচী বাতিল কৰি চমু কাৰ্যসূচীৰে ৩৩ তম প্ৰতিষ্ঠা দিৱস পালন কৰে। উক্ত অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা "নামতি প্ৰেছ ক্লাব"ৰ সভাপতি ৰাতুল শৰ্মাই পতাকা উত্তোলন কৰাৰ পিছতেই স্মৃতি তৰ্পণ কৰে সাধাৰণ সম্পাদক জিয়াৰুদ্দিন আহমেদে। সমান্তৰালভাৱে সহঃসম্পাদক বিশ্বজিৎ আৰন্ধৰাই আঁতধৰা অনুষ্ঠানটোত নামতি প্ৰেছ ক্লাবে প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনায় এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। অৱসৰপ্ৰাপ্ত বন বিষয়া তথা সমাজকৰ্মী গিৰিণ গগৈয়ে বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰা পাছতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থকা সকলোৱে শিল্পী গৰাকীৰ প্ৰতি সন্মান জনায় এগচিকৈ বন্তি প্ৰজ্বলন কৰে। আনহাতে, শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকি জ্ঞানজ্যোতি বিদ্যাপীঠৰ সঞ্চালিকা দেৱযানী শইকীয়া গগৈ আৰু পৰিবহণ বিভাগৰ কৰ্মচাৰী তথা আদৰ্শ কৃষক দিগন্ত গায়নে অসমবাসীৰ হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গ জীৱনাদৰ্শৰ ওপৰত বহুমূলীয়া বক্তব্য প্ৰদান কৰে। তাৰ পাছতে পুনৰ জুবিন গাৰ্গৰ প্ৰতি সন্মান জনায় নাহৰ গছৰ পুলি ৰূপন কাৰ্যসূচী শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী হেমন্ত গগৈয়ে। ইফালে উক্ত অনুষ্ঠানতে সভাপতি ৰাতুল শৰ্মাই প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনায় ২০২৫ বৰ্ষৰ নামতি প্ৰেছ ক্লাবৰ "কৰ্ম মহীয়ান" বঁটা পৰৱৰ্তী সময়ত প্ৰদান কৰিব বুলি মন্তব্য কৰে।

# হাফলুটিং বৰনামঘৰত ৭১ সংখ্যক ৰাস মহোৎসৱৰ আয়োজন

**অসম বাৰ্তা, জাঁজী, ৪ অক্টোবৰ** ঃ উজনি অসমৰ অন্যতম ধৰ্মানুষ্ঠান হাফলুটিং বৰ নামঘৰ আৰু কলা কৃষ্টি কেন্দ্ৰত বিগত ৭০ বছৰৰ দৰে এই বছৰো ৬ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৭১ সংখ্যক শ্ৰী শ্ৰী ৰাস মহোৎসৱ পালনৰ ব্যাপক প্ৰস্তুতি চলিছে। এই উপলক্ষে যোৱা ২৪ ছেপ্টেম্বৰ তাৰিখে নামঘৰৰ পৰিচালনা সমিতিৰ সভাপতি ঠানুৰাম নাথৰ সভাপতিত্বত অনুষ্ঠিত এখনি ৰাজহুৱা সভাত মহোৎসৱ সুচাৰুৰূপে পৰিচালনাৰ বাবে এখন উদযাপন সমিতি গঠন কৰা হয়। এই সমিতিত ইন্দ্ৰেশ্বৰ বৰুৱাক সভাপতি, নগেন নাথক কাৰ্য্যকৰি সভাপতি, দেউকন ভূঞা আৰু যতীন শইকীয়াক উপ-সভাপতি, নিত্যানন্দ বড়াক সাধাৰণ সম্পাদক, আৰু অজিত নাথ, পলাশ ফুকন, হেমন্ত খনিকৰ আৰু অনন্ত শইকীয়াক সহ-সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। ইয়াৰ উপৰিও, ভাওনা পৰিচালনা উপ-সমিতিৰ বাবে সঞ্জীৱ ফুকন (সভাপতি), পৱন দত্ত, যাদৱ তামোলী, ধৰ্মেন্দ্ৰ খনিকৰ (উপ-সভাপতি), পদ্ম কুমাৰ নাথ (সম্পাদক), সঞ্জীৱ দত্ত আৰু নয়ন জ্যোতি শইকীয়া (সহ-সম্পাদক)ক দায়িত্ব দিয়া হৈছে। স্বেচ্ছাসেৱক উপ-সমিতিৰ মুখ্য অধিনায়ক হিচাপে মিনেশ্বৰ শইকীয়া, অধিনায়ক হিচাপে শিৱ শইকীয়া, বিমল নাথ, যোগেন নাথ আৰু জিতু লাহন, লগতে নায়ক হিচাপে নিৰঞ্জন গগৈ, পংকজ ফুকন, দীপু বৰদলৈ, নয়নমনি চুতীয়া, প্ৰণৱ গগৈ, প্ৰণৱজোতি বড়া, মাধুৰ্য নাথ আৰু ভৱেন বৰুৱাক লৈ এই বছৰৰ ৰাস মহোৎসৱ সফল কৰি তুলিবলৈ চূড়ান্ত প্ৰস্তুতি আৰম্ভ কৰা হৈছে। নৱনিৰ্বাচিত উদযাপন সমিতি আৰু উপ-সমিতিৰ বিষয়ববীয়াসকলে এই ঐতিহ্যমণ্ডিত ৰাস মহোৎসৱ সফল কৰি তুলিবলৈ সমূহ ৰাইজৰ আন্তৰিক সহযোগিতা কামনা কৰিছে।

# গৰৈমাৰীত জিকেএছ প্ৰেছ ক্লাবৰ নৱগঠিত কমিটিক সম্বৰ্ধনা



**অসম বাৰ্তা, গৰৈমাৰী, ৪ অক্টোবৰ** ঃ কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত সাংবাদিকসকলৰ ঐক্যমঞ্চ জি কে এছ প্ৰেছ ক্লাবৰ নতুন কমিটিখনক কালি সম্বৰ্ধনা জনোৱা হয়। যুৱ সমাজকৰ্মী তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা ৰফিকুল ইছলামে কালি গৰৈমাৰীস্থিত জি কে এছ প্ৰেছ ক্লাবৰ মুখ্য কাৰ্যালয়ত উপস্থিত হৈ নৱগঠিত কমিটিৰ উপদেষ্টা আব্দুৰ ৰহিম, সাধাৰণ সম্পাদক আনোৱাৰ হুছেইন, উপ-সভাপতি জমিৰ আল-হাছান আৰু প্ৰাক্তন সাধাৰণ সম্পাদক আজিজুৰ ৰহমান চৌধুৰীক অধিবক্তা গৰাকীয়ে জাপি আৰু ফুলাম গামোচা প্ৰদান কৰি সন্মান যচা হয়। উক্ত সম্বৰ্ধনা অনুষ্ঠানত অধিবক্তা গৰাকীয়ে সাংবাদিক সকলোক দিহা-পৰামৰ্শ আগবঢ়োৱাৰ উপৰি জি কে এছ প্ৰেছ ক্লাবৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত সহায় কৰাৰ আশ্বাস প্ৰদান কৰে। সম্বৰ্ধনা অনুষ্ঠানৰ জৰিয়তে যুৱ সমাজকৰ্মী ৰফিকুল ইছলামক প্ৰেছ ক্লাবৰ তৰফৰ পৰাও সম্বৰ্ধনা জনোৱাৰ লগতে জ্যেষ্ঠ সমাজসেৱক ছামচুল হককো সম্বৰ্ধনা জনোৱা হয়।

# ৰূপহীহাটত প্ৰাণৰ শিল্পী জুবিনৰ আদ্যশ্ৰাদ্ধ অনুষ্ঠান

**অসম বাৰ্তা, ৰূপহীহাট, ৪ অক্টোবৰ** ঃ ৰূপহীহাটত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা স্থলিত দেখা গল জুবিনে বিচৰা এক মনোৰম দৃশ্য। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ৰূপহী আঞ্চলিক সমিতিৰ উদ্যোগত আৰু ৰূপহী শাখা সাহিত্য সভাৰ লগতে বৃহত্তৰ ৰূপহী সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ সহযোগত আয়োজন কৰা হয় মৰমৰ শিল্পী গৰাকীৰ আদ্যশ্ৰাদ্ধ আৰু সৰ্ব ধৰ্ম প্ৰাৰ্থনা স্থলীত একেখন মঞ্চত হিন্দুৱে পূজা অৰ্চনা, নাম কীৰ্ত্তন পৰিৱেশন কৰাৰ বিপৰীতে মুছলমান আলিম সকলে কোৰাণ পাঠ কৰাৰ লগতে দোৱা প্ৰাৰ্থনা কৰে। হিন্দু মুছলমান বুলি একাংশই আমাক পৃথক কৰাৰ চেষ্টা কৰাৰ সময়তে জুবিনে কৈ থৈ যোৱা বাটেৰে একতাৰ এনাজৰীডাল অধিক শক্তিশালী কৰিছে নৱপ্ৰজন্মই। জনকণ্ঠ জুবিন গাৰ্গৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু সৰ্ব ধৰ্ম প্ৰাৰ্থনা যেন এক মিলনভূমিত পৰিণত কৰিলে ৰূপহী অঞ্চলবাসীয়ে। উক্ত সৰ্বধৰ্ম প্ৰাৰ্থনা ৰে হিয়াৰ আমঠু জুবিন গাৰ্গৰ আত্মাৰ চিৰ শান্তি কামনা কৰে। অনুষ্ঠানৰ শেষত সংগঠনৰ হৈ গীতাৰ্থ শইকীয়া, আমিৰ হামজা, ইকবাল হুচেইন আদিয়ে জুবিন গাৰ্গৰ সৈতে হোৱা অন্যায়ৰ উচিত ব্যৱস্থা লব লাগিব বুলি দাবী উত্থাপন কৰে। অপৰাধী সকল কিছু দিন জেল হাজোতত কটাই পুনৰ ওলাই অহা সাংস্কৃতিক বেপাৰী সকলে যাতে পুনৰাই জাতিটোৰ আৱেগক লৈ বেপাৰ কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰক। জুবিন গাৰ্গৰ মৃত্যুক সহজভাৱে কোনেও মানি নলয়। চিংগাপুৰৰ য'টত থকা সকলোকে আইনৰ আওতাত আনিবলৈ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ৰূপহী অঞ্চলিকৰ বিষববীয়াসকলে দাবী উত্থাপন পৰে। জুবিন গাৰ্গৰ মৃত্যুত অসমৰ প্ৰতিজন লোকৰ ঘৰৰ পৰা কোনোবা এজনৰ দাদা, ভাতৃ দুখীয়াৰ ভগৱানক হেৰুৱাৰ বেদনাই মনত খুন্দিয়াই ফুৰাৰ দৰেই শোকস্তব্ধ পৰিৱেশ বিৰাজ কৰা সময়তে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ এই অনুষ্ঠানৰ পৰাই চৰকাৰক আহ্বান জনায় যে শিল্পী গৰাকীৰ অকাল মৃত্যুৰ সৈতে নাম সাঙোৰ খাই পৰা কোনো এজন লোক যাতে আইনৰ সুৰুঙাৰে বাচি যাব নোৱাৰে।

# জনীয়া গাঁও পঞ্চায়তত গান্ধী জয়ন্তী উদ্‌যাপন

**অসম বাৰ্তা, জনীয়া, ৪ অক্টোবৰ** ঃ সমগ্ৰ দেশৰ লগতে জনীয়া গাঁও পঞ্চায়ত কাৰ্যালয়ৰ সভাগৃহতো আজি গান্ধী জয়ন্তী উদ্‌যাপন কৰা হয়। গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি এখন বিশেষ গাঁওসভা সম্পন্ন অনুষ্ঠিত হয়। উক্ত গাঁও সভাত সভাপতিত্ব কৰে জনীয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী আফছানা পাৰবিনে। উদ্দেশ্য ব্যাখ্যা কৰে গাঁও পঞ্চায়তৰ সচিব ভবেশ নাথে আৰু পঞ্চায়তবাসীক বিস্তৃত ভাবে বুজাই দিয়ে জিপিচি শিৰাজুল হকে। উক্ত সভাত জল জীৱন আঁচনিৰ সফল ৰূপায়ণ, ২০২৬ -২৭ বৰ্ষৰ বাবে আঁচনি প্ৰস্তুত কৰণ, বাল্য বিবাহ সম্পৰ্কে আলোচনা কৰা হয়। উক্ত আলোচনাত সালেকুৰা গাঁৱৰ বাসিন্দা তথা সাংবাদিক ক্ৰমে মইনুল হক চৌধুৰী, আবুল হুছেইন, ছাপৰা গাঁৱৰ ইব্ৰাহিম আলী, ছাপৰা গাঁৱৰ হাফিজ গোলাম মোস্তাফা, আৰু গাঁও পঞ্চায়তৰ সদস্য তৈবুৰ ৰহমানে পৰামৰ্শ দিয়ে। অন্তত সভানেত্ৰী আফছানা পাৰবিনে সকলোৱে সহযোগিতাক ধন্যবাদ জনাই সভা ভঙ্গ ঘোষণা কৰে।

# আদ্যশ্ৰাদ্ধৰ দিনা আৰ্তজনৰ সেৱক জুবিন গাৰ্গৰ স্মৃতিত হুইল চেয়াৰ প্ৰদান কৰিলে সেৱাই

**অসম বাৰ্তা, নিমাতীঘাট, ৪ অক্টোবৰ** ঃ জনগণৰ শিল্পী, প্ৰকৃতিপ্ৰেমী তথা আৰ্তজনৰ সেৱক জুবিন গাৰ্গৰ স্মৃতিত প্ৰকৃতিপ্ৰেমী অনুষ্ঠান সেৱাই কালি হাতীগড় মেটেলিৰ মাধুৰ্য বৰা (মাইনা) নামৰ দুৰ্ঘটনাগ্ৰস্ত হৈ পক্ষাঘাত আক্ৰান্ত এজন ব্যক্তিক শিল্পীজনৰ আদ্যশ্ৰাদ্ধ দিনাই হুইল চেয়াৰ প্ৰদান কৰি শ্ৰদ্ধাঞ্জলি জনায়। চিনামৰাৰ প্ৰতিবন্ধী শিশু বিকাশ কেন্দ্ৰ প্ৰেৰণাৰ সহযোগত মহান শিল্পীজনৰ স্মৃতিত সেৱাৰ সভাপতি হেমেন কুমাৰ শইকীয়া, প্ৰধান সম্পাদক প্ৰণৱজ্যোতি শইকীয়া, কাৰ্যকৰী সমিতিৰ সভাপতি জগন্নাথ অগ্নি বৰা আৰু সেৱাৰ আজীৱন সদস্য তথা অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগৰ ডিব্ৰুগড় কাৰ্যালয়ৰ উপ সঞ্চালক সূৰ্যকমল বৰাই হুইল চেয়াৰখন পৰিয়ালৰ হাতত অৰ্পণ কৰে। মহান শিল্পীজনৰ মানুহ আৰু প্ৰকৃতিৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেমৰ প্ৰতি শ্ৰদ্ধা জনায়েই অনুষ্ঠানটোৰ তৰফৰ পৰা এই পদক্ষেপ গ্ৰহণ কৰা বুলি সম্পাদক ৰাজীৱ কুমাৰ নাজিৰ আৰু শ্ৰীমন্ত মাধৱ বৰুৱাই জনাইছে। একমাত্ৰ উপাৰ্জনক্ষম ব্যক্তিজনৰ দুৰ্ঘটনাৰ এবছৰৰো অধিক কাল হোৱাৰ পাছতো কোনো ধৰণৰ চৰকাৰী সাহায্য নোপোৱা বুলি উল্লেখ কৰি পৰিয়ালটোৱে দৈনন্দিন সন্মুখীন হোৱা সমস্যাৰ ক্ষেত্ৰত হুইল চেয়াৰখন বহু সহায় হ'ব বুলি কৈ সেৱাৰ প্ৰতি কৃতজ্ঞতা জনায়।

# বাক্সাৰ নবস্তি লক্ষ্মী পূজাৰ সাংস্কৃতিক অনুষ্ঠান বাতিল

**অসম বাৰ্তা, বাগানপাৰা, ৪ অক্টোবৰ** ঃ বাক্সাৰ নবস্তি বাৰোৱাৰী শ্ৰীশ্ৰী লক্ষ্মী পূজা উদযাপন সমিতিৰ সভাপতি গিৰীশ তালুকদাৰৰ সভাপতিত্ব কালি ২ অক্টোবৰত আবেলি অনুষ্ঠিত এক বিশেষ জৰুৰী সভাত সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত লোৱা হয় যে, অসমৰ হিয়াৰ আমঠু, হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ পৰিপ্ৰেক্ষিতত তেওঁক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উদ্দেশ্যে ৬৪ সংখ্যক নবস্তি বাৰোৱাৰী শ্ৰীশ্ৰী লক্ষ্মী পূজাৰ সকলো সাংস্কৃতিক অনুষ্ঠান বাতিল কৰা হৈছে। লক্ষ্মী পূজা উপলক্ষ্যে আমন্ত্ৰণ জনোৱা 'বিহামজৌ হাঞ্জাৰ নৃত্য প্ৰদৰ্শন, বড়ো নাট্য দল সৌৰাং ৰিয়া নাইজাৰ আফাদ, অসমীয়া নাট্য দল জাহ্নৱী মিনি থিয়েটাৰ, সুবৰ্ণখাটা গোৰ্খা লোক কলা নেপালী কৃষ্টি দল, গড়বস্তী বোৱাৰী গ্ৰুপ ডেন্স আদিবাসী কৃষ্টি দল, কোচবিহাৰ পশ্চিমবঙ্গৰ বাউল সংগীত আদি দলৰ সাংস্কৃতিক অনুষ্ঠান বাতিল কৰা হৈছে। সভাত সৰ্বসন্মতিক্ৰমে লোৱা সিদ্ধান্ত পূজা উদযাপন সমিতিৰ সম্পাদক ৰাজেন তালুকদাৰে এক প্ৰেছ বিবৃতি যোগে জনাইছে। উল্লেখ্য যে, বা'ৰ নবস্তিত ৬ অক্টোবৰৰ পৰা ১০ অক্টোবৰলৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব ৬৪ সংখ্যক নবস্তি বাৰোৱাৰী শ্ৰীশ্ৰী লক্ষ্মী পূজা। লক্ষ্মী পূজাৰ সকলো কাৰ্যসূচীত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো জনগোষ্ঠীৰ উপস্থিতি তথা সহায়-সহযোগিতা পূজা উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

# কামপুৰত জ্যেষ্ঠ নাগৰিকৰ আন্তৰ্জাতিক দিৱস পালন

**অসম বাৰ্তা, কামপুৰ, ৪ অক্টোবৰ** ঃ আন্তৰ্জাতিক জ্যেষ্ঠ নাগৰিক দিৱসটি ১ অক্টোবৰত কামপুৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত কামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গনত উদ্‌যাপন কৰা হয়। পুৱা ১০বজাত পতাকা উত্তোলন কৰে সভাপতি সভাৰাম মজুমদাৰে। তেওঁ জ্যেষ্ঠ নাগৰিকৰ সমস্যা সমাধানৰ বাবে যুঁজ দিয়াৰ উপৰিও নিজৰ স্বাস্থ্যৰ ওপৰত মনোযোগ দি দায়বদ্ধতাৰে সমাজৰ উত্তোলনৰ বাবে কাম কৰিবলৈ সন্মিলনৰ পতাকাৰ তলত সকলো জ্যেষ্ঠ নাগৰিক আহিবলৈ আহ্বান জনায়। সন্মিলনৰ সম্পাদক অতুল চন্দ্ৰ বৰাই আঁত ধৰা অনুষ্ঠানত অসমৰ হিয়াৰ আমঠু বৰেণ্য শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে উপ সভাপতি পুনিৰাম শইকীয়াই। ইয়াৰ পিছত সভাপতি সভাৰাম মজুমদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত কাৰ্যকৰী সভাপতি সুধাময় দাসে আন্তৰ্জাতিক জ্যেষ্ঠ নাগৰিক দিৱসটিৰ ইতিহাস চমুকৈ কোৱাৰ লগতে জ্যেষ্ঠ নাগৰিক লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে কয়। সভাত গোপাল সিং ৰায়ত, গহীন শইকীয়া, বুদ্ধেশ্বৰ তামোলী, পুষ্পেন্দ নাথ, নৃপেন নাথ, প্ৰভাত বৰা লক্ষ্মী নাথ, মাণিক নাথ, মোলান লস্কৰে দিৱস উপলক্ষে একাষাৰ কোৱাৰ লগতে জুবিন গাৰ্গৰ ন্যায় বিচাৰে।

# অষ্টম ৰাষ্ট্ৰীয় পোষণ মাহ ২০২৫ উপলক্ষে বৰপেটা জিলাত জিলাস্তৰীয় বৈঠক অনুষ্ঠিত

**অসম বাৰ্তা, বৰপেটা সদৰ, ৪ অক্টোবৰ** ঃ অষ্টম ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে বৰপেটা জিলাৰ আয়ুক্ত কাৰ্যালয়ত জিলাস্তৰীয় বৈঠক অনুষ্ঠিত হয়। সভাত পোষণ মাহৰ দিনভিত্তিক আৰু বিষয়ভিত্তিক কাৰ্যসূচীসমূহ সঠিকভাৱে পালন কৰাৰ প্ৰয়োজনীয়তা সমূহ বিশেষভাৱে উল্লেখ কৰা হয়। সভাত মূলত আলোচনা কৰা হয়— পুষ্টি আৰু স্বাস্থ্যকৰ কাৰ্যসূচীত পুৰুষৰ অংশগ্ৰহণ বৃদ্ধি, চেনি-তেল-নিমখৰ অতিৰিক্ত ব্যৱহাৰ হ্ৰাস কৰি স্থূলতা প্ৰতিৰোধ, শৈশৱৰ প্ৰাৰম্ভিক যত্ন আৰু শিক্ষাৰ সাৱলীকৰণ, সন্মিলনৰ ক্ষেত্ৰত ডিজিটেল মাধ্যমৰ প্ৰয়োগ, লগতে শিশু পুষ্টি আহাৰ প্ৰদানে উৎকৃষ্ট পদ্ধতি (IYCF) গ্ৰহণ। ইয়াৰ উপৰিও সভাত পোষণ বাটিকা স্থাপন, গৰ্ভৱতী আৰু মাতৃদুগ্ধ মহিলাৰ আত্ম-যত্নৰ ওপৰত গুৰুত্ব, লগতে স্থানীয়ভাৱে উপলব্ধ সামগ্ৰীৰে ৰন্ধন প্ৰতিযোগিতা আয়োজনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সভাৰ অন্তত বিভিন্ন বিভাগৰ সঙ্কলিত প্ৰচেষ্টাৰ জৰিয়তে পোষণ অভিযান সঠিকভাৱে ৰূপায়ণ কৰি এটা স্বাস্থ্য-সচেতন সমাজ গঠন কৰিবলৈ আহ্বান জনোৱা হয়। আজিৰ সভাখনত বৰপেটা জিলাৰ অতিৰিক্ত আয়ুক্ত শ্ৰী জয়ন্ত বৰাৰ সভাপতিত্বত অনুষ্ঠিত হয় আৰু ইয়াত বৰপেটা জিলাৰ সকলো বিভাগ সমূহৰ বিষয়া তথা বৰপেটা জিলাৰ আই.চি.ডি.এছ. (ICDS) প্ৰকল্পৰ শিশু উন্নয়ন বিকাশ প্ৰকল্প বিষয়া সকলে অংশগ্ৰহণ কৰে।

# জুবিনময় পলাহগড়ত দ্বিতীয় বাৰ্ষিক পলাহগড় আঞ্চলিক সৰ্বজনীন শাৰদীয় দুৰ্গা পূজা, শতাক্ষী উন্মোচন

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৪ অক্টোবৰ** ঃ ওদালগুৰি জিলাৰ পলাহগড়স্থিত শ্বহীদ বাকৰিত পলাহগড় আঞ্চলিক সৰ্বজনীন শাৰদীয় দুৰ্গা পূজা উদযাপন সমিতিয়ে দ্বিতীয় বাৰ্ষিক শাৰদীয় দুৰ্গা পূজা উদযাপন কৰে। ইফালে দুৰ্গতি নাশিনী মা দুৰ্গাক পূজা অৰ্চনা আৰু আনফালে উদযাপন সমিতিয়ে পূজাৰ আটাইকেইদিন অসমীয়া জাতিৰ হৃদস্পন্দন প্ৰাণৰ শিল্পী জুবিন গাৰ্গদেৱৰ পবিত্ৰ সোঁৱৰণত শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ সুব্যৱস্থা গ্ৰহণ কৰে। প্ৰাণৰ শিল্পী গৰাকীৰ অকাল মহাপ্ৰস্থানত কিছু কাৰ্যসূচী স্থগিত ৰাখি পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ, ঢাক, ঢোল, শঙ্খৰ ধ্বনি আৰু আয়তীৰ উৰুলি আদি মাংগলিক ৰীতি নীতিৰ লগতে ওজা পালি প্ৰদৰ্শন কৰে। পলাহগড় আঞ্চলিক সৰ্বজনীন শাৰদীয় দুৰ্গা পূজা উদযাপন সমিতিৰ মুখপত্ৰ সম্পাদনা সমিতিৰ সভাপতি ৰাজীৱ শৰ্মা আৰু সম্পাদক নিতু শৰ্মাই সম্পাদনা কৰা মুখপত্ৰ "শতাক্ষী" টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱাই উন্মোচন কৰে। শতাক্ষী উন্মোচন অনুষ্ঠানটিত বিশিষ্ট সমাজসেৱক বিকন ডেকা, নয়ন মল্ল বুজৰবৰুৱা, উদ্‌যাপন সমিতিৰ সভাপতি জয়কান্ত শৰ্মা, যুটীয়া সম্পাদক বেণুধৰ ৰাভা, হীৰক জ্যোতি ডেকা, পূজাৰী গোপাল দেৱ শৰ্মা, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক গৌৰী শংকৰ দাসকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# মৰিয়নিৰ এৰাগাঁৱত শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উদ্‌যাপন আৰু ভাওনা প্ৰদৰ্শনৰ প্ৰস্তুতি

**অসম বাৰ্তা, নকছাৰি, ৪ অক্টোবৰ** ঃ কাব্য, গীত, বাদ্য, নাটক আদি সৃষ্টিৰে অসমীয়া জাতিৰ স্ৰষ্টা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আমাৰ সকলোৰে পৰম গুৰু তেখেতৰ বৌদ্ধিক আৰু আধ্যাত্মিক জ্ঞানৰ পোহৰেৰে আৰু আদৰ্শৰে আমি নিজকে অসমীয়া হিচাবে চিনাকি দিব পাৰিছো। সৰ্বগুন সম্পন্ন পৰম গুৰুজনাৰ ৫৭৭ সংখ্যক জন্মজয়ন্তী ভাগি মৰিয়নি সমষ্টিৰ অন্তৰ্গত নকছাৰিৰ এৰাগাঁওস্থিত অৰুণোদয় পুথিভঁৰালৰ আৰু যুৱক মণ্ডলৰ উদ্যোগত, সদৌ এৰাগাঁওবাসী আৰু চুবুৰীয়া ৰাইজৰ সহযোগত ২৪ আহিন, ২০২৫ (১১ অ'ৌবৰ ২০২৫)শনিবাৰৰ দিনা এদিনীয়া কাৰ্য্যসূচীৰে অৰুণোদয় পুথিভঁৰালৰ প্ৰাঙ্গনত অনুষ্ঠিত কৰিবলৈ লোৱাৰ লগতে নাটকীয় আমোদ প্ৰদানৰ যোগেদি ভক্তৰস প্ৰকাশ কৰি বিভিন্ন শ্ৰেণীৰ দৰ্শক শ্ৰোতাৰ মাজত ঐক্য আৰু সাম্যৰ বাণী প্ৰচাৰ কৰাৰ উদ্দেশ্যেৰে গুৰুজনাৰ অনুপম সৃষ্টি 'ভাওনা'ৰ আৰ্হিৰে স্থানীয় যুৱক সকলৰ দ্বাৰা "গজকেতু উপাখ্যান", "ধৃতৰাষ্ট্ৰৰ দিগ্ বিজয়", "ত্ৰিশিৰা দৈত্যৰ নিধন" নামৰ এভাগি ভাওনা মঞ্চস্থ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰি বৰ্তমান প্ৰস্তুতি চলাইছে বুলি সভাপতি মাণিক গগৈ, সম্পাদক দ্বীপেন গগৈয়ে জনায় লগতে সকলোৰে সহযোগিতা কামনা কৰে। পোৱাৰ ভাগত পৰিবেশ নিকাকৰণ, বৃক্ষ ৰোপণ, ধৰ্ম ধ্বজা উত্তোলন, নাম প্ৰসংগ, দুপৰীয়া ধৰ্মালোচনী সভা আৰু সন্ধিয়া- সমূহীয়া বন্তি প্ৰজ্বলন, নাম প্ৰসংগ, গায়ন-বায়ন আৰু ভাওনা প্ৰদৰ্শন (অৰুণোদয় পুথিভঁৰালৰ যুৱক বৃন্দৰ)।

# গৰৈমাৰীত চুৰি বাইকসহ দুটা গভাইত চোৰক গ্ৰেপ্তাৰ

অসম বাৰ্তা, গৰৈমাৰী, ২ অ'ৌবৰঃ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ বৰভিঠাৰ পৰা চুৰি হোৱা মটৰ চাইকেলসহ গভাইত চোৰ দুটা গৰৈমাৰী আৰক্ষীয়ে কালি গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। জানিব পৰামতে গৰৈমাৰীৰ বৰভিঠা গাঁৱৰ কাবেল আলী নামৰ যুৱকজনে ২৮ ছেপ্টেম্বৰৰ নিশা নিজৰ এ এছ-২৫এইছ-১২৬৩ নম্বৰৰ গে-মাৰ মটৰ চাইকেলখন ই এণ্ড ডি মথাউৰিত থৈ বিল পহৰা দি আছিল। ইপিনে বিল পহৰা দি উভতি অহাৰ সময়ত মথাউৰিত ৰখাই যোৱা মটৰ চাইকেলখন চুৰি হয়। পিছদিনা কাবেল আলীয়ে ঘটনা সন্দৰ্ভত গৰৈমাৰী থানাত এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিত গৰৈমাৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নৱজিত ডেকাই অভিযান চলাই কালি বকোৰ মন্দিৰা অঞ্চলৰ পৰা চুৰি মটৰ চাইকেলসহ গভাইত চোৰ দুটাক গ্ৰেপ্তাৰ কৰে। গৰৈমাৰী আৰক্ষীৰ অভিযানত গ্ৰেপ্তাৰ কৰা ধৃত চোৰ দুটা হৈছে—ছমৰীয়াৰ মৰা কলহীৰ ৰকিবুল ইছলাম আৰু আনজন বৰপেটা জিলাৰ সৰ্থেবাৰীৰ বৰমাৰা গাঁৱৰ লিয়াকৎ আলী বুলি চিনাক্ত কৰা হৈছে। ধৃত চোৰ দুটাক গৰৈমাৰী আৰক্ষীয়ে আজি আদালতৰ জড়িতে জে'ল-হাজতলৈ প্ৰেৰণ কৰে।

# বেবেজীয়াৰ জামুগুৰিত জুবিনৰ স্মৃতিত ব্যতিক্ৰমী কাৰ্যসূচী

**অসম বাৰ্তা, বেবেজীয়া, ৪ অক্টোবৰ** ঃ ৰহস্যজনকভাৱে চিংগাপুৰত অকাল মৃত্যুক সাৱতি লোৱা অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ পাৰ হ'ল যদিও গুণমুগ্ধ অসমীয়াৰ হৃদয়ৰ পৰা আঁতৰি যোৱা নাই। শাৰদীয় দুৰ্গাপূজাইয়ো মানুহৰ মনৰ পৰা জুবিন গাৰ্গ নোহোৱা কথাটো পাহৰাব পৰা নাই। নগাঁৱৰ বেবেজীয়াৰ সমিপৰতী জামুগুৰী অঞ্চলৰ উদীয়মান জুবিনপ্ৰেমী যুৱক পলাশ প্ৰতিম বৰা, মানস প্ৰতিম বৰা, দেৱজিৎ নাথ, প্ৰাঞ্জল ডেকাৰ সম্বন্বিতে অঞ্চলটোৰ যুৱক-যুৱতী সকলে জামুগুৰী সৰ্বজনীন দুৰ্গাপূজা থলিৰ কাষত তথা নগাঁও-মৰিগাঁও গড়কাপ্তানি পথৰ দাঁতিত প্ৰয়াত জুবিন গাৰ্গৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ ব্যৱস্থা কৰাৰ লগতে এখন বিশাল বৰ্ডত জুবিনৰ মৃত্যুৰ সঠিক আৰু শুদ্ধ ন্যায় বিচাৰি ৰাজহুৱা স্বাক্ষৰ সংগ্ৰহ কৰে। লগতে দুৰ্গাপূজাৰ নৱমীৰ দিনা পুৱা ৮ বজাৰ পৰা এই কাৰ্যসূচী নিশা ১১ বজালৈকে চলি থাকে আৰু সেই কাৰ্যসূচীলৈ যোৱা সকলো লোকক তেওঁলোকে আহাৰৰ ব্যৱস্থা কৰি মহান শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ উচিত ন্যায় কামনা কৰে। উল্লেখ্য যে এই কাৰ্যসূচীয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰা দেখা যায়।

# বড়োলেণ্ড কলেজ প্ৰিন্সিপাল কাউন্সিল তৰফৰ পৰা বিপিএফ দলৰ সভাপতিক শুভেচ্ছা জ্ঞাপন

**অসম বাৰ্তা, বাসুগাঁও, ৪ অক্টোবৰ** ঃ বি টিচিৰ পঞ্চম নিৰ্বাচন অৰ্থাৎ যোৱা ২২ চেপ্তেম্বৰত ভোটাধিকাৰ সাব্যস্ত কৰি ২৬ চেপ্তেম্বৰত ফলাফল ঘোষণাৰ পিছত বড়োলেণ্ড পিপুলচ্ পাৰ্টি চমুকৈ বি পি এফ দলৰ মুৰব্বী তথা দলৰ সভাপতি হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন দলটিয়ে বৃহৎ সংখ্যক ২৮ গৰাকী প্ৰাৰ্থী জয়ী হ'বলৈ সক্ষম হয়। অহা ৫ অক্টোবৰত শপত গ্ৰহণ কৰিব লগা চৰকাৰ খনে বড়োলেণ্ড এলেকাত এক সুস্থিৰ, শান্তিপূৰ্ণ আৰু উন্নয়নমুখী যাত্ৰাৰে আগুৱাই যাব। এইবুলি আশা প্ৰকাশ কৰি শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে বড়োলেণ্ড কলেজ প্ৰিন্সিপাল কাউন্সিলৰ সাধাৰণ সম্পাদক ড° ৰনেন চন্দ্ৰ মুছাহাৰী স্বাক্ষৰিত এক বিবৃতিৰ জৰিয়তে। বিবৃতি খনৰ জৰিয়তে কলেজ সমূহৰ বিভিন্ন সমস্যা সমূহ সমাধান কল্পে আৰু বি টি চি এলেকাৰ শিক্ষাৰ মানদণ্ড উন্নয়নকল্পে ফলপ্ৰসূ কাৰ্যব্যৱস্থা হাতত ল'ব বুলিও আশা প্ৰকাশ কৰে।

# ডিব্ৰুগড়ত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ ৫৭৭ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন বৈষ্ণৱ আই মাতৃৰ ভক্তি সেৱা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৪ অক্টোবৰ** ঃ ডিব্ৰুগড় কদমণি ৰে'লৱে শ্ৰীশ্ৰী বিষ্ণু নামঘৰ প্ৰাঙ্গণত পুৱাৰে পৰা উলহ মালহেৰে উদ্‌যাপন কৰা হয় গুৰুজনাৰ জয়ন্তী। ডবা, শংখ, হৰি নামৰ ধ্বনিৰে মুখৰিত ডিব্ৰুগড়। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে সমান্তৰালকৈ ডিব্ৰুগড়ৰ কদমণি ৰে'লৱে কলনিত শ্ৰীশ্ৰী বিষ্ণু নামঘৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ ৫৭৭ সংখ্যক আবিৰ্ভাৱ তিথি উদ্‌যাপন কৰা হয়। বৃক্ষৰোপণ ধৰ্মধ্বজা উত্তোলন, নাম-প্ৰসংগ আৰু বৈকুণ্ঠৰ কল্পতৰু ভাগৱত পাঠৰ পাছতে আই সকলে দিহানাম আৰু ভকত সকলে এযাৰি মহানাম অনুষ্ঠিত কৰে। মহোৎসৱ ভাগিত শ্ৰীশ্ৰী বিষ্ণু নামঘৰ সমূহ ভকত-বৈষ্ণৱ আই- মাতৃ উপস্থিত থাকি গুৰুজনা প্ৰতি ভক্তি সেৱা জনায়।

# গোসাঁইগাঁৱত বন্যহাতীৰ আক্ৰমণত এজন নিহত

**অসম বাৰ্তা, গোসাঁইগাঁও, ৪ অক্টোবৰ** ঃ গোসাঁইগাঁও মহকুমাৰ ফুলকুমাৰী গাঁৱত পুৱতি নিশা সংঘটিত হয় এক শোকাবহ ঘটনা। ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা খাদ্য সন্ধানত ওলাই অহা এটা প্ৰকাণ্ড বন্য হাতীয়ে যিশু কিস্কু (৫৫) নামৰ এজন স্থানীয় বাসিন্দাক আক্ৰমণ কৰি নিহত কৰে। সদৰ বন বিভাগৰ ৰেষ্টাৰ্ন ফৰেষ্ট ৰেঞ্জৰ অন্তৰ্গত এই গাঁওখনত দীৰ্ঘদিন ধৰি মুক্তভাৱে বিচৰণ কৰি আছিল হাতিটো। কিন্তু পুৱতি নিশা আচৰিতভাৱে গাঁৱত প্ৰৱেশ কৰি যিশু কিস্কুক আক্ৰমণ কৰে। আক্ৰমণৰ ফলত ঘটনাস্থলীতেই তেখেতৰ মৃত্যু হয়। আক্ৰমণৰ পাছত হাতিটো পুনৰ ৰাষ্ট্ৰীয় উদ্যান অভিমুখে সৰি যায়। স্থানীয় ৰাইজৰ জাননী পোৱাৰ পাছতে বন বিভাগ আৰু আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰ চিভিল চিকিৎসালয়লৈ প্ৰেৰণ কৰে। এই ঘটনাই অঞ্চলজুৰি আতংকৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজে হাতীৰ উপদ্ৰৱৰ বাবে চৰকাৰী পদক্ষেপ গ্ৰহণৰ দাবী জনাইছে। আনহাতে, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই নিহত যিশু কিস্কুৰ পৰিয়ালক উপযুক্ত

